গুৰু আৱিৰ্ভাৱ বিশেষ সংখ্যা

# মণিকাঞ্চন

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

▢ Tech/RNP/GH-105/2012-14
▢ Regd. No. 63480/95

•মাহেকীয়া বাৰ্তালোচনী-

অষ্টাদশ বছৰ ঃ দশম সংখ্যা, ৫৬৫ শঙ্কৰাব্দ, অক্টোবৰ ২০১৩ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫

**গুৰুবাণী**

ভকতিসে মাতা ভকতিসে পিতা
ভকতিসে বন্ধুজন।
ভকতি সুহৃদ সোদৰ বিধাতা
ভকতিসে মহাধন।।
ভকতিসে মতি ভকতিসে গতি
ভকতিসে দেৱ নিজ।
ভকতিসে চিত্ত ভকতিসে বিত্ত
ভকতিসে মোক্ষ বীজ।।
ভকতি সদায় সহায় ভকতি
জীৱন যৌৱন প্ৰাণ।
ইহ পৰলোকে ভকতি বিনায়
নাই নাই গতি আন।।

— ভাগৱত

## অসমীয়া সংস্কৃতিৰ সংকট

**ভবেন্দ্ৰনাথ ডেকা, উপ-পদাধিকাৰ**

অসমীয়া সংস্কৃতি যৌগিক আৰু সংমিশ্ৰিত সংস্কৃতিৰূপে স্বীকৃত। একোটা জাতিৰ সংস্কৃতি সেই জাতিয়ে বসবাস কৰা ভূ-খণ্ডৰ ভৌগলিক পৰিৱেশ, জনগোষ্ঠীসমূহৰ জীৱন-ধাৰণৰ পদ্ধতি, লোকবিশ্বাস, আচাৰ-অনুষ্ঠান, শিল্প-কৰ্ম, কলা-কৰ্ম, ধ্যান-ধাৰণা আৰু চিন্তা চৰ্চাৰ আধাৰত গঢ় লৈ উঠে। অসমীয়া সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। অসমৰ আদিম জনগোষ্ঠী আষ্ট্ৰিক আৰু মঙ্গোলীয় মূলৰ। আষ্ট্ৰিক বা প্ৰট' অষ্ট্ৰলইদ সংস্কৃতি আৰু মঙ্গোলীয় বা কিৰাতসকলৰ সংস্কৃতিৰ মাজত অনেক সাদৃশ্য থকা হেতু কালক্ৰমত দুই জনগোষ্ঠীৰ তেজৰ সংমিশ্ৰণ হয় আৰু দুই সংস্কৃতিৰ সমন্বয়ত এক অভিনৱ অষ্ট্ৰ-মঙ্গোলইড্ সংস্কৃতিৰ সৃষ্টি হয়। উত্তৰ-পূব ভাৰতৰ বিশাল ভূ-খণ্ডত সংমিশ্ৰিত অষ্ট্ৰ-মঙ্গোলইড্ সংস্কৃতিয়ে উৰ্বৰা কৰি থোৱা পথাৰত পিছৰ যুগত আলপাইন আৰু আৰ্য সংস্কৃতিয়ে খোপনি পোতে।

পণ্ডিতসকলৰ মতে ভাৰতবৰ্ষত বসবাস কৰা ছয়টা জনগোষ্ঠী হ'ল— (২ পৃষ্ঠাত চাওক)

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ কেন্দ্ৰীয়ভাৱে উদ্‌যাপন

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱভাগি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই কেন্দ্ৰীয়ভাৱে বজালী জিলা শাখাৰ আতিথ্যত অকয়া মহাপুৰুষীয়া সত্ৰৰ সহযোগত যোৱা ১৪, ১৫ অক্টোবৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। ১৪ তাৰিখে দিনৰ ২ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপৰ সঞ্চালনাত 'শ্ৰীমন্ত শঙ্কৰদেৱৰ অসমৰ বাহিৰত প্ৰচাৰ ঃ অন্তৰায় আৰু উপায়' শীৰ্ষক এখনি মনোজ্ঞ আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হয়। প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰাবাপে আঁতধৰা আলোচনা-চক্ৰভাগি উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপ-পদাধিকাৰ শ্ৰীযুত ভবেন্দ্ৰনাথ ডেকাবাপে। আলোচক হিচাপে অংশগ্ৰহণ (২ পৃষ্ঠাত চাওক)

## ÎÃøéÕln¸»±1 ÎéÁlúÃål Üp±æþ™ÏéÂ×ÁóËÁÁ1Ô•ÎÁ±ÕÅ±Áò




শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰী জিলা শাখাৰ সহযোগত কটন মহাবিদ্যালয়ৰ চুডমাৰ্চন প্ৰেক্ষাগৃহত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে 'বেজবৰুৱাৰ শঙ্কৰদেৱ চৰ্চা' শীৰ্ষক এলানি বক্তৃতা অনুষ্ঠান সঙ্ঘৰ পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপৰ সঞ্চালনাত ১৮ অক্টোবৰ, ২০১৩ তাৰিখে অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত বিশিষ্ট পণ্ডিত শ্ৰীযুত দয়ানন্দ পাঠক আৰু জ্যেষ্ঠ সাংবাদিক *(২ পৃষ্ঠাত চাওক)*

## শঙ্কৰী সংস্কৃতি কেন্দ্ৰত স্থায়ী প্ৰকল্প নিৰ্মাণ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ গুৱাহাটী ৰূপনগৰস্থিত শঙ্কৰী সংস্কৃতি কেন্দ্ৰত স্থায়ী প্ৰকল্প নিৰ্মাণৰ বাবে পৰিচালনা সমিতিয়ে প্ৰস্তুত কৰা স্থায়ী প্ৰকল্প নিৰ্মাণৰ অভিলাষী আঁচনিখন কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে অনুমোদন জনাইছে আৰু উক্ত প্ৰকল্প নিৰ্মাণৰ শিতানত ৯.৫০ (ন কোটি পঞ্চাশ লাখ) কোটি টকা ধাৰ্য কৰা হৈছে। নিৰ্মাণৰ কাম তৰান্বিত কৰাৰ বাবে সমিতিয়ে যথা নিয়মে কৰ্তৃপক্ষৰ লগত যোগাযোগ অব্যাহত ৰাখিছে। সকলো প্ৰস্তুতি অনতিপলমে সম্পন্ন হৈ উঠিব বুলি জানিব পৰা গৈছে। সম্পাদকে জনোৱা মতে অহা বছৰতে নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি আশা কৰা হৈছে।

## শঙ্কৰ এহু অভিলাষা

**মোহন মহন্ত**

সাম্য, মৈত্ৰী, প্ৰেম আৰু অহিংসাৰ যোগে নানান জাতি আৰু উপজাতিৰে সংগঠিত হোৱা খিলঞ্জীয়া অসমীয়া জাতিৰ মাজত বিশ্ব ভ্ৰাতৃত্ব ভাব জাগ্ৰত কৰি তোলা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ জাতীয় গুৰু। এইজনা মহাপুৰুষ অকল ধৰ্ম প্ৰচাৰৰ অৰ্থেহি জন্মগ্ৰহণ কৰা নাছিল। অধৰ্মত নিমজ্জিত হৈ পৰা কলিকালৰ লোকসকলৰ উদ্ধাৰৰ বাবেই তাৰাৰ অৱতাৰ এই অসমভূমিত হ'লহি।

কোনো ধৰ্মত অধিকাৰ নথকা মানুহ নামে পৰিচয় দিব নোৱাৰি পতিত হৈ থকাসকলৰ উদ্ধাৰ কৰিবৰ কাৰণেই ভগৱন্ত পুৰুষে কলিত শঙ্কৰ নামে অৱতাৰ হ'লহি।

"আনোবাৰ অৱতাৰ ধৰন্ত ঈশ্বৰ কৃষ্ণে
হৰিবাক পৃথিৱীৰ ভাৰ।
অন্ত্যজাতি পতিতৰ তাৰণ কাৰণ হেতু
ইবাৰ শঙ্কৰ অৱতাৰ।।"

শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম, কলা সংস্কৃতি প্ৰচাৰ কৰি দেশত বৰ্ণ বৈষম্যহীন এখন নিকা সমাজ গঠন কৰিছিল। সকলো বৰ্ণৰ লোকে সুকলমে অপ্ৰয়াসে আচৰণ কৰিব পৰাকৈ তেওঁ একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁৰ ধৰ্মত—

"নাহি ভকতিত জাতি অজাতি বিচাৰ।

(২ পৃষ্ঠাত চাওক)

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ উদ্দেশ্য

**ড° ৰাতুল চন্দ্ৰ বৰা**

**(ক) বিশ্ববিদ্যালয়ৰ অৰ্থ ঃ**

বিশ্ববিদ্যালয়ৰ অভিধানিক অৰ্থ হৈছে— 'সকলো প্ৰকাৰ বিদ্যাশিক্ষাৰ উচ্চতম প্ৰতিষ্ঠান (চন্দ্ৰকান্ত অভিধান)। অন্য অৰ্থত A University is a place where new ideas germinate, strike roots and grow tall and sturdy. It is a unique space, which covers the entire universe of knowledge. It is a place where creative ideas converge, interact with each other and construct visions of new realities. Established nations of truth are challanged in the pursuit of knowledge (The Idea of a Univisity– Prof Kaspal Committee Report).— ইয়াৰ ভাৱাৰ্থ হ'ল এই যে বিশ্ববিদ্যালয় এনে এক ক্ষেত্ৰ য'ত নব্য চিন্তাৰ অঙ্কুৰণ হয়, সি স্থিতি লাভ কৰে আৰু বিকশিত হৈ বিশাল ৰূপ পৰিগ্ৰহ কৰে। ই এক অনন্য ক্ষেত্ৰ য'ত জ্ঞানৰ সমগ্ৰ সত্তাক আঁকোৱালি লোৱা হয়। (৬ পৃষ্ঠাত চাওক)

## শঙ্কৰ এহু অভিলাষা

(১ পৃষ্ঠাৰ পৰা)

কৃষ্ণৰ ভকতিত সমস্তৰে অধিকাৰ।।
গাৰো ভোট যৱনে হৰিৰ নাম লয়।
হেনয় হৰিৰ নাম সজ্জনে নিন্দয়।।"

চৰিতত লিখিছে—

"কৈৱৰ্ত্ত কলিতা কোচ ব্ৰাহ্মণ সমস্ত।
একেলগে খাই দুধ চিৰা কল যত।।"

মহাপুৰুষৰ প্ৰচাৰিত ভকতি পন্থৰ মূলবস্তু শৰণ। শৰণৰো আকৌ মূল বস্তু চাৰিটা— গুৰু, দেৱ, নাম আৰু ভকত। এই শৰণ গ্ৰহণ কৰি ভগৱান কৃষ্ণৰ চৰণত অহৈতুক ভকতি কৰাই মূল তত্ত্ব। এই ধৰ্মত একমাত্ৰ কৃষ্ণৰ বাহিৰে আন কোনো দেৱতাই ভজনীয় নহয়। শ্ৰীকৃষ্ণই প্ৰিয় সখা অৰ্জ্জুনৰ আগত কৈছিল—

"মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্ব্বমিদং প্ৰোতং সূত্ৰে মণিগনা ইব।।"

অৰ্থাৎ, হে অৰ্জুন— মোৰ ব্যতিৰেকে শ্ৰেয় আৰু একো নাই। সুতাত গাঁঠি থোৱা মণিৰ দৰে মোৰ শৰীৰতেই বিশ্ব ব্ৰহ্মাণ্ড বিৰাজমান হৈ আছে।

"ৰসোহহমপ্সা কৌন্তেয় প্ৰভাস্মি শশিসূৰ্য্যয়োঃ।
প্ৰণবঃ সৰ্ব্ববেদেষু শব্দঃ খে পৌৰুষ নৃষু।।"

অৰ্থাৎ, হে অৰ্জুন— পানীৰ মাজত ৰস মই চন্দ্ৰ আৰু সূৰ্য্যৰ কিৰণ মই সকলো বেদৰ প্ৰণবমন্ত্ৰ মই, আকাশত শব্দ মই আৰু মানুহৰ ভিতৰত ময়েই পুৰুষ।

"বীজং মাং সৰ্ব্বভূতানাং বিদ্ধিপাৰ্থ সনাতনম।
বুদ্ধি বুদ্ধিমতামস্মি তেজসেজস্বিনামহম।।"

অৰ্থাৎ, হে অৰ্জুন— ময়েই সমস্ত ভূতৰ মূল বীজ। বুদ্ধিমানৰ বুদ্ধি আৰু তেজস্বীৰ তেজ ময়েই।

ওপৰত কোৱা কথাখিনি অৰ্জুনক বিশ্বাস কৰোৱাবলৈ ভগৱন্ত পুৰুষে বিশ্বৰূপ দৰ্শন কৰালে। তেতিয়া অৰ্জুনে কৃষ্ণ ব্যতিৰেকে সকলো মিছা বুলি জানিলে আৰু ক'লে—

"অনাদিম ধ্যান্তম্ অনন্ত বীৰ্য্যম্ অনন্ত বাহুং
শশি সূৰ্য্য নেত্ৰম।
পশ্যামি ত্বাং দীপ্তহুতাশ বক্তং
স্বতেজসা বিশ্বমিদং তপন্তম্।।"

অৰ্থাৎ, (অৰ্জুনে কৈছে) মই দেখিছোঁ তোমাৰ আদি, মধ্য অন্ত নাই, তুমি অনন্ত বীৰ্যশালী, অনন্ত বাহুধাৰী। তোমাৰ দুই চকুত চন্দ্ৰ সূৰ্য মুখ উজ্জ্বল অগ্নিৰ দৰে তোমাৰ তেজেৰে গোটেই জগৎ তাপিত কৰি আছা আৰু—

"ৰুদ্ৰা দিত্যা সববো যে চ সাধ্যা
বিশ্বেহ শ্বিনৌ মৰুত শ্চোষ্মপাশ্চ।
গন্ধৰ্বযক্ষাসুৰ সিদ্ধসঙ্ঘা
বীক্ষন্তে ত্বাং বিস্মিতাশ্চৈব সৰ্ব্বে।।"

অৰ্থাৎ, ৰুদ্ৰ, আদিত্য, বসু, সাধ্যা, বিশ্বদেৱ, অশ্বিনী কুমাৰদ্বয়, মৰুৎ, পিতৃগণ, গন্ধৰ্ব, যক্ষ অসুৰ, সিদ্ধগণ আদি সকলোৱেই বিস্মৃত হৈ তোমাক চাই আছে। আৰু কৈছে— হে প্ৰভু, তুমি বায়ু, যম, অগ্নি, বৰুণ, চন্দ্ৰ, প্ৰজাপতি, প্ৰপিতামহ অৰ্থাৎ তুমিয়েই সকলো দেৱতা। তোমাক সহস্ৰবাৰ আৰু পুনঃ পুনঃ সেৱা জনাইছোঁ। যথা—

"বায়ুৰ্যমোহৰ্গ্নিবৰুণ শশাহঃ
প্ৰজাপতিস্তং প্ৰপিতামহশ্চ।
নমস্তেহস্তু সহস্ৰকৃত্বঃ
পুনশ্চ ভূয়োহপি নমো নমস্তে।।

ইত্যাদি বহু শ্লোক আছে বাহুল্যৰ ভয়ত দিয়া হোৱা নাই। অৰ্জ্জুনৰ স্তুতিৰ পিছত ভগৱন্ত পুৰুষে কৈছে—

"ভক্ত্যা ত্বনন্যায়া শক্য অহমেবং বিধোহৰ্জ্জুন।
জ্ঞাতুং দ্ৰষ্টুঞ্চ ত ত্বেন প্ৰবেষ্টুঞ্চ পৰন্তপ।।"

অৰ্থাৎ, হে অৰ্জুন— মোৰ প্ৰতি অনন্য ভক্তি থাকিলেহে মোক জানিব বা বুজিব পাৰে। ইয়াৰ বাহিৰে আন কোনো উপায় নাই।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্মত অন্য দেৱতাৰ স্থান নাই। বৈদিক কৰ্ম অৰ্থাৎ বেদৰ বিহিত ধৰ্ম বুলিও দেৱতা পূজা কৰিব নাপায়। নাম-ঘোষাত বান্ধৱ মাধৱে লিখিছে—

"বেদৰ বিহিত কৰ্ম্ম কৰিবাক
ভকতৰ যোগ্য নুই।
যদি মোহ হুই কৰে কদাচিত
ভকতিত ভ্ৰষ্ট হুই।।"

শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই কৈছে—

"আন দেৱ নৰাধে নসাধে স্বৰ্গ কাম।
নেৰা সুখে দুখে মুখে মোৰ গুণ নাম।।
মোৰ মূৰ্ত্তি মনে নিতে হৃদয়ত ধৰৈ।।
জানা সেহি মহা সাধু সখি সুখে তৰৈ।।"

— কৃষ্ণ-উদ্ধৱ সংবাদ

মুঠতে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্মত অন্য দেৱতা সেৱাৰ স্থান নাই। আছে মাত্ৰ ভকত সেৱাত। গতিকে ভকতৰ সঙ্গ অৰ্থাৎ সাধু সঙ্গ অৰ্থাৎ মানৱৰ সঙ্গ। মানৱ সেৱাহে প্ৰকৃত ধৰ্ম. ভগৱানক সেৱা পূজা কৰে, কিন্তু ভকত সেৱা নকৰে, তেনেলোকক শাস্ত্ৰেই দাম্ভিক বুলিছে আৰু ভকতিৰ পাত্ৰ হ'ব নোৱাৰে বুলিছে। যেনে—

"অৰ্চয়িত্বাতু গোবিন্দং তদীয়ানাৰ্চয়ন্তি যে।
নতে বিষ্ণু প্ৰসাদস্য ভাজনং দাম্ভিকো জনাঃ।।

— হৰিভক্তি সুব্যেদয়

আৰাধনানাং সৰ্ব্বেসাং বিষ্ণু আৰাধনাং মধু।
তস্য মনুষ্যস্য সৰ্বানি ভূতানি মধু।।"

অৰ্থাৎ, এই মানুহেই হ'ল সমস্ত ভূতৰ মধু। সমস্ত ভুতৰ মধু মানুহ। কাষলৈ আঁহা। অৰ্থাৎ মানুহ বুলি কৈছে। শাস্ত্ৰই জাত-কুলৰ কথা কোৱা নাই। কেৱল মানুহৰ কাষলৈ। সেয়ে শ্ৰীমন্ত শঙ্কৰ গুৰুৱে কৈছে—

"ব্ৰাহ্মণ চাণ্ডাল চোৰ দাতা ক্ৰুৰ শান্ত।
সবাতে আমাক তুমি দেখিবা একান্ত।।
তেজি লাজ গৰ্ব মান হুৱা উপশাম।
সমস্তকে দণ্ডৱতে কৰিবা প্ৰণাম।।"

আকৌ কৈছে—

"নীচত সাধুক যাৰ ভৈল এক জ্ঞান।
তাকেসে পণ্ডিত বুলিও সৰ্ব্বজন।।
বিশেষত মনুষ্য গণত যিটো নৰে।
বিষ্ণুবুদ্ধি ভাৱে সৰ্ব্বদায় মান্য কৰে।।
ঈৰিষা অসূয়া তিৰস্কাৰ অহংকাৰ।
সৱে নষ্ট হোৱে তেৱে অৱক্ষণে তাৰ।।"

বাইবেলতো একে ইঙ্গিতে পোৱা যায়— "যিমানেই জন সেৱা কৰিবা, সিমানে ঈশ্বৰৰ ওচৰ চাপিবা।" God loves him who loves his creature. (Abu Ben Adhem)

মানৱ সমাজৰ পৰা জাতিভেদ দূৰ কৰিবৰ কাৰণে ধৰ্মৰ বাহিৰ অন্য পন্থা নাই, সেয়ে গুৰুজনাৰ আহ্বান ভগৱন্ত পুৰুষৰ ওচৰত শৰণ লৈ হিয়াৰ মাজত কৃষ্ণ সূৰ্য উদয় কৰি, অন্তৰৰ ভেদভাৱ হিংসা-কপটতা দূৰ কৰি মানৱ সেৱাৰ জৰিয়তে ঈশ্বৰ সেৱা কৰা। বিষ্ণ ভকতৰ কোনো জাতি নাই। গুৰুজনে কৈছে—

"জাতিকুল বিচাৰিয়া বৈষ্ণৱ নিন্দয়।
পঞ্চম পাতকী হুয়া নৰক ভুঞ্জয়।।"

প্ৰাক্তন প্ৰধান মন্ত্ৰী নেহৰুৱে কৈছিল—

'The caste system is the moral en-

(৬ পৃষ্ঠাত চাওক)

## ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ

(১ পৃষ্ঠাৰ পৰা)

কৰে ড° হোমেশ্বৰ কাকতি, বিশিষ্ট সমালোচক শ্ৰীহেমচন্দ্ৰ শইকীয়া আৰু শ্ৰীকৈলাস দাসবাপে।

১৫ অক্টোবৰ তাৰিখে পুৱা ৯ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পতাকা উত্তোলন কৰে পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তবাপে। ১১.৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাখনিত সঞ্চালনা কৰে পদাধিকাৰ বাপে। শ্ৰীবাবুল বৰাবাপে উদ্বোধন কৰা সভাখনিত মুখ্য অতিথি ৰূপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাদেৱে। মুখ্য অতিথিৰূপে উপস্থিত থাকে মুখ্য উপদেষ্টা শ্ৰীকৰুণাকান্ত কলিতাবাপ। এই সভাতেই সঙ্ঘৰ মুখপত্ৰ 'নাম-ধৰ্ম' উন্মোচন কৰে উপ-পাধিকাৰবাপে। সৰভোগ সমষ্টিৰ বিধায়ক শ্ৰীৰঞ্জীত দাস আৰু পাটাছাৰকুছিৰ বিধায়ক শ্ৰীমনোৰঞ্জন দাসদেৱ সভাত উপস্থিত থাকে।❑

## Îবজবৰুৱাৰ ডেৰশ বছৰীয়া

(১ পৃষ্ঠাৰ পৰা)

শঙ্কৰজ্যোতি কাকতৰ সম্পাদক শ্ৰীযুত ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীদেৱে বক্তৃতা প্ৰদান কৰে। অনুষ্ঠান উদ্বোধন কৰে উপ-পাধিকাৰ শ্ৰীযুত ভবেন্দ্ৰনাথ ডেকাবাপে আৰু আদৰণী আৰু আদৰণী ভাষণ আগবঢ়াই প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰা বাপজনাই। বক্তৃতা প্ৰসঙ্গত শ্ৰীযুত পাঠকদেৱে বেজবৰুৱাদেৱৰ জীৱন চৰিত আৰু বেজবৰুৱাদেৱে শঙ্কৰদেৱে অসমীয়া সমাজলৈ দিয়া অৱদানৰ বিষয়ে আলোকপাত কৰে। শ্ৰীযুত চক্ৰৱৰ্তীদেৱে বেজবৰুৱাদেৱে যি দৃষ্টিৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক প্ৰক্ষেপ কৰিছিল সেই ধৰণে নতুন প্ৰজন্মই বেজবৰুৱাদেৱ আৰু শঙ্কৰদেৱ দুয়োজনাৰ অমূল্য সৃষ্টিক অধ্যয়ন কৰি মহৎ সৃষ্টিৰে ভৱিষ্যতৰ অসমীয়া সমাজখনক অধিক শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। সামৰণিত সাহিত্য শাখাৰ সম্পাদক ড° জগত চন্দ্ৰ কলিতা বাপে সংশ্লিষ্ট সকলোকে শলাগ যাচে।❑

## অসমীয়া সংস্কৃতিৰ সংকট

(১ পৃষ্ঠাৰ পৰা)

নেগ্ৰিটো জাতি, প্ৰট-অষ্ট্ৰলয়ড, মঙ্গোলয়ড, মিডিটাৰেনীয়ান, ৰেষ্টাৰ্ণ ব্ৰেকীচেফাল আৰু নাৰ্ৰ্দ্দিক। অসমত ঘাইকৈ প্ৰথম চাৰিটা জনজাতিৰ লোক আছে। নেগ্ৰিটো জাতিৰ ভিতৰত অসমৰ নগাসকলক ধৰা হৈছিল। প্ৰট-অষ্ট্ৰলয়ড বা অষ্ট্ৰিক জাতিৰ ভিতৰত খাছী, জয়ন্তীয়া, কোল-খুণ্ডা, চাওতাল আদি লোকসকলক ধৰা হয়। ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যদেৱে 'অসমৰ জনজাতি' নামৰ গ্ৰন্থৰ সম্পাদকৰ পাতনিত লিখিছে—"অসমৰ জনজাতিৰ অধিক সংখ্যক লোক মঙ্গোলয়ড় জাতিৰ অন্তৰ্ভুক্ত; চীন-তীব্বতীয় আৰু তীব্বত ধৰ্মী ভাষাভাষীৰূপে মঙ্গলয়দ (কিৰাত) জাতিৰ ভাৰতীয় জনগণৰ মাজত বৈশিষ্ট্য আছে; খাছী আৰু জয়ন্তীয়া ভাষাভাষী লোকসকলৰ গাতো মঙ্গলয়দ ব্যক্তিৰ সঁচ আৰু তেজৰ সংমিশ্ৰণ হৈছে বুলি জনা যায়। বড়ো, ডিমাছা, লালুং, সোণোৱাল কছাৰী, ৰাভা, গাৰো, মিৰি (মিকিৰ), মিছিং আদি জনজাতিক নিসন্দেহে মঙ্গলয়দ জাতিৰ ভিতৰত পণ্ডিতসকলে স্থান দিছে।" (পৃঃ ০.১০) অসমৰ চাহ বাগিছাৰ বনুৱাসকলৰ মাজত মেডিটেৰানীয়ান বা দ্ৰাবিড়ী জাতিৰ বিভিন্ন ভাষা-ভাষী লোক আছে। এই জনজাতি সমূহৰ সংমিশ্ৰিত সংস্কৃতিৰ ভেটিত আৰ্য সংস্কৃতিয়ে বৰঘৰ সাজিছে।

সময় বাগৰি যোৱাৰ লগে লগে অসমলৈ বিভিন্ন দেশৰ পৰা আৰ্য-অনাৰ্য অনেক লোকৰ প্ৰবজন হৈছে। বাণ-ভগদত্তৰ দিনৰে পৰা অসমে ভাৰতৰ সংস্কৃতিৰ সৈতে পৰিচিত হৈছে। অসমলৈ পাটকাই পাহাৰ পাৰ হৈ ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে টাই বা আহোমসকল আহিছে। আহোমসকলে বঙ্গদেশৰপৰা ব্ৰাহ্মণ আৰু কায়স্থসকলক আনিছে, বৌদ্ধসকল আহিছে, যোড়ষ শতিকাত স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালত প্ৰথমে মুছলমানসকলে অসম আক্ৰমণ কৰিবলৈ আহে, ঊনৈশ শতিকাৰ আৰম্ভণিতে ইংৰাজসকল আৰু খৃষ্টান মিছনাৰীসকল অসমলৈ আহে। এনেদৰে বিভিন্ন সময়ত অসমলৈ বিভিন্ন ভাষা-ভাষী, ধৰ্ম আৰু জাতিৰ লোক আহি অসমীয়া সংস্কৃতিৰ বৰঘৰলৈ বৰঙণি আগবঢ়াই আহিছে। সংমিশ্ৰণ আৰু সমন্বয়ৰ পদ্ধতিৰে অসমীয়া সংস্কৃতি সৃষ্টি হ'লেও ইয়াৰ এটা একক সত্বা আৰু সুকীয়া বৈশিষ্ট্য আছে।

অসমীয়া সংস্কৃতিৰ সমন্বয়ৰ ক্ষেত্ৰত ভাষা, সাহিত্য, লিপি, সামাজিক ৰীতি-নীতি আৰু আচাৰ-অনুষ্ঠান, জীৱন ধাৰণৰ পদ্ধতি, গীত, নৃত্য, বাদ্য, উৎসৱ-পাৰ্বণ, ভাস্কৰ্য স্থাপত্য শিল্প কলা আদিলৈ বিস্তৃত। অসমীয়া ভাষা মূল সংস্কৃত ভাষাৰ পৰা উদ্ভৱ হ'লেও ইয়াত অনেক অষ্ট্ৰিক, বড়ো, টাই, খাছী আৰু অন্যান্য অনাৰ্যমূলীয় শব্দ আছে। মুছলিম সংস্কৃতিৰ প্ৰভাৱত অসমীয়া ভাষা সাহিত্যলৈ অনেক আৰবী আৰু পাৰ্চী শব্দ আহি অসমীয়া হৈ পৰিছে। বৰ্তমান অনেক অনাখৰী লোকেও ইংৰাজী শব্দবোৰ অসমীয়া ভাষাত অনৰ্গল ব্যৱহাৰ কৰি আছে। সাহিত্যৰ ক্ষেত্ৰতো অতীজৰেপৰা ভাৰতবৰ্ষৰ বৈদিক সাহিত্যৰ সৈতে অসমীয়া থলুৱা লোক সাহিত্যৰ সমন্বয় সাধিত হোৱা পৰিলক্ষিত হয়। প্ৰাক-শঙ্কৰী আৰু শঙ্কৰী যুগত সংস্কৃত সাহিত্যৰ গ্ৰন্থবোৰ অসমীয়ালৈ অনুবাদ কৰি আমাৰ কবি সাহিত্যিকসকলে অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। প্ৰাক্ স্বাধীনতা আৰু স্বাধীনোত্তৰ কালত ইউৰোপীয় সাহিত্যৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ ধাৰা অসমীয়া সাহিত্যলৈ অনুপ্ৰবেশ কৰি অসমীয়া সাহিত্যত ৰং চৰাইছে। তেনেদৰে গীত, নৃত্য, বাদ্য আদিত আধুনিকতাৰ পৰশ লাগি আমাৰ সুকুমাৰ কলাই অনবদ্য ৰূপ পৰিগ্ৰহ কৰিছে।

এনেহেন বাৰেবৰনীয়া অসমীয়া সংস্কৃতি সাম্প্ৰতিক কালত এক গভীৰ সংকটৰ সন্মুখীন হৈছে। এই সংকট মূলতঃ দুটা দিশত সংঘটিত হৈছে— বহিঃ সংকট আৰু আভ্যন্তৰীণ সংকট। অসমীয়া সংস্কৃতিত বহিঃ সংকট বিশেষকৈ সাংগঠনিক ক্ষেত্ৰত পৰিলক্ষিত হৈছে। স্বাধীনোত্তৰ কালত কুৰি শতিকাৰ যাঠিৰ দশকৰপৰা অসমৰ বিভিন্ন স্থানত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ উৎকট গোষ্ঠীপ্ৰীতি আৰু গোষ্ঠীগত সংস্কৃতি আৰু সত্বা বিপদাপন্ন হোৱাৰ আশংকাৰ ফলত পৰস্পৰ বিচ্ছিন্নকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। অসমৰপৰা ইতিমধ্যে বিচ্ছিন্ন হৈ গল নাগাসকল, মিজোসকল, খাচীয়া-জয়ন্তীয়াসকল আৰু অৰুণাচলবাসী অকা, ডফলা, মিৰি, মিচিমি আদি জনজাতিসকল। অসমৰপৰা বিচ্ছিন্ন হ'বলৈ বৰ্তমানে আন্দোলন চলাই আছে বড়ো, ৰাজবংশী, টাই, কাৰ্বি আদি জাতীয়-জনজাতীয় লোকসকলে। এই সমগ্ৰ জাতি-প্ৰজাতিৰ সমন্বয়ত গঢ় লোৱা অসমীয়া

(৮ পৃষ্ঠাত চাওক)

# আদৰ্শ নেতা মহাপুৰুষ শঙ্কৰদেৱ

**বৰদা শইকীয়া**

ভোগবাদী আৰু বস্তুবাদী প্ৰৱণতাই সৃষ্টি কৰা তাড়নাত অসমীয়া জাতিয়ে নিজক পাহৰি পেলাইছে। স্বাৰ্থসিদ্ধিৰ বাবে নিজৰ অস্তিত্ব বৰ্জন কৰিবলৈ সাজু হৈছে। ফলত আৰম্ভ হৈছে সমাজৰ, দেশৰ তথা জাতিৰ স্খলন। নিজৰ ভাষা, সাহিত, সংস্কৃতি এৰি অন্য পথলৈ গতি কৰিছে। পাশ্চাত্যৰ অন্ধ অনুকৰণত স্বকীয় সত্তা বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাই। সমাজৰ বয়ঃসন্ধিকালৰ সুচাৰুৰূপে অতিবাহিত কৰিবলৈ প্ৰয়োজন হয় এজন আদৰ্শ নেতাৰ। নেতাজনৰ আদৰ্শৰাজিয়ে যুৱক-যুৱতীৰ জীৱনত প্ৰভাৱ পেলায়। সু-শৃংখলিত জীৱনৰ বাবে আদৰ্শৰ পূজাৰী হ'বলৈ তেওঁলোকে বাঞ্ছা কৰে। "The adolescence is called the period of hero worship. The youths some times sacrifice their lives for sake of some ideals." ঠিক সেইদৰে বয়ঃসন্ধি কালত উপনীত হোৱা অসমীয়া জাতিৰ বাবে এখন সুশৃঙ্খলিত সমাজৰ বাবে প্ৰয়োজন হৈছে এগৰাকী আদৰ্শ নেতাৰ। যিগৰাকীৰ আদৰ্শই এটা জাতিক, এখন সমাজক প্ৰকৃত পথৰ সন্ধান দিব পাৰে। প্ৰকৃত নেতা এজনৰ সন্ধান কৰা আৰু সেই নেতাজনৰ আদৰ্শত জাতিটোক পুনৰুদ্ধাৰ কৰাটো প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত।

আজি অসমীয়া জাতিয়ে পাহৰি যোৱা উচিত নহয় যে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ, সৰ্বগুণাকৰ মহান আদৰ্শ ব্যক্তি শ্ৰীমন্ত শঙ্কৰদেৱে ৫৬৫ বছৰ আগতে অসমত জন্মগ্ৰহণ কৰি অসমীয়া জাতি গঠন কৰি থৈ গৈছে। এতেকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক আদৰ্শ নেতা হিচাপে স্বীকাৰ কৰি তাৰাৰ আদৰ্শৰাজি পালন কৰিলে অসমীয়া জাতি নিজেও ধন্য হ'ব আৰু মহাসংকটৰ পৰা মুক্তি পাব।

ভাৰতৰ কিম্বা বিশ্বৰ অন্যান্য ধৰ্মগুৰুসকললৈ যদি আমি লক্ষ্য কৰো তেনেহ'লে এটা কথা স্পষ্ট হয় যে, তেখেতসকলে ধৰ্মগুৰু ৰূপেই খ্যাতি লাভ কৰিছে। কিন্তু অসমৰ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ পৃথিৱীৰ একমাত্ৰ ধৰ্মগুৰু, যিগৰাকী আছিল একেধাৰে বিদগ্ধ পণ্ডিত, শাস্ত্ৰজ্ঞ, কবি, ভাষা সাহিত্যৰ গুৰু, কলা-সংস্কৃতিৰ গুৰু, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, নৰ্তক, অভিনেতা, চিত্ৰশিল্পী। তেখেত আছিল সাম্য-মৈত্ৰীৰ ধ্বজাবাহক, অস্পৃশ্যতা বৰ্জনকাৰী, বিপ্লৱী সমাজ সংস্কাৰক ৰূপে সমাজ গঢ়োতা। ঘোৰ এন্ধাৰৰ কলীয়া ডাৱৰ গুচাই পোহৰৰ বাট উলিয়াই গঢ়ি তুলিছিল 'অসমীয়া জাতি'।

যেতিয়াই ধৰ্মৰ নামত অধৰ্ম, সংস্কৃতিৰ নামত দুষ্কৃতি, পূজাৰ নামত বলি-বিধান আদি নানা ধৰণৰ অশান্তি-অসূয়াই অসমখন ছানি ধৰিছিল তেতিয়াই মানৱতাৰ মুক্তিৰ বাবে আৱিৰ্ভাৱ হৈছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ। সত্য সনাতন ভগৱান শ্ৰীকৃষ্ণৰ আদৰ্শৰে নিজৰ জীৱন কৰিছিল ধন্য। 'একশৰণ হৰিনাম ধৰ্ম' প্ৰচাৰাৰ্থে তেখেতে বলি-বিধানৰ দৰে আসুৰিক কাৰ্যসমূহৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। ধৰ্ম প্ৰচাৰৰ লগে লগে ঐক্য-সংহতি, সাহিত্য-সংস্কৃতিৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছিল।

মহামানৱ মহাত্মা গান্ধীয়ে অস্পৃশ্যতা বৰ্জনৰ বাবে ভাৰতবৰ্ষত যি পন্থা হাতত লৈছিল, মহাপুৰুষ শঙ্কৰদেৱে তেখেততকৈ পাঁচশ বছৰ আগতেই এই পন্থা গ্ৰহণ কৰিছিল। তেখেতৰ আদৰ্শক নাছিল উচ্চ-নীচ, নাছিল জাতি-ভেদ।

"ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।"

মহাপ্ৰতিভাধৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বাবেহে এই বিপ্লৱী মহানুভৱতা সম্ভৱ হ'ব পাৰে।

ভাৰতৰ এগৰাকী বিশিষ্ট পণ্ডিত এইচ. ভি. শ্ৰীনিবাস মূৰ্তিয়ে তেখেতৰ এটি প্ৰবন্ধত লিখিছে— "শঙ্কৰদেৱ আছিল এক মহৎ প্ৰতিভা, দ্ৰষ্টা আৰু ভৱিষ্যত বক্তা, যিজনাত গোটেই অসমীয়া সংস্কৃতি সাৰভূত হৈছিল বুলি ক'ব পাৰি।" মহাপুৰুষজনাৰ বিষয়ে মহেশ যোশী নামৰ আন এগৰাকী পণ্ডিতে এক সুন্দৰ আলোকপাতৰ সৃষ্টি কৰিছে, যিটো এতিয়াও অসমীয়াৰ মাজত বোধগম্য হোৱা নাই। তেখেতে কৈ গৈছে— "সমসাময়িক কালত তেৱেঁই আছিল মহৎ দাৰ্শনিক আৰু ৰাজনৈতিকবিদ। সমকালীন তেওঁৰ সমকক্ষ নহয়।" এয়া একেবাৰে সত্য কথা। বিভিন্ন জাতি-উপজাতি একগোট কৰি মহাপুৰুষে সৃষ্টি কৰিছিল। 'বৰ অসম'। বৰ্তমানৰ ৰাজনীতিয়ে 'বৰঅসম' খণ্ড-বিখণ্ড কৰি নিচিহ্ন কৰি পেলালে। এয়া কেনে পৰিতাপৰ কথা। দুষ্কৃতি নাশি, সংস্কৃতি প্ৰতিষ্ঠা কৰাই আছিল মহাপুৰুষজনাৰ আদৰ্শ তাৰাৰ ভাষা, সাহিত্য, সংস্কৃতিৰ পূৰ্ণকলা স্বৰূপ। যতীন্দ্ৰনাথ দুৱৰাদেৱে গুৰুজনাৰ বিষয়ে লিখিছে—

"বোৱালা ভক্তিৰ সোঁত দিলা ধৰ্ম দিলা জ্ঞান।
দিলা ভাষা অসমক কৰিলা জীৱন দান।।
তোমাৰ জীৱনীদেৰ লিখে এনে সাধ্য কাৰ।
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ।।"

এইগৰাকী মহাপ্ৰতিভাধৰ জানো অসমীয়াৰ আদৰ্শ নেতা নহয়? ভাৰতবৰ্ষৰ এগৰাকী বিশিষ্ট পণ্ডিত ড° বাসুদেৱচৰণ আগৰৱালাদেৱে কৈছে— "শঙ্কৰদেৱ আছিল দীপ্তিময় সূৰ্যটোৰ দৰে, যাৰ মানস উত্তাপত অসম সহস্ৰ দল কমলৰ দৰে প্ৰস্ফুটিত হৈছিল। মধ্যযুগৰ অসমত যি সাংস্কৃতিক নৱজাগৰণৰ সূচনা হৈছিল, তাত শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰভাৱ কিমান গভীৰ আৰু ব্যাপক আছিল সেইটো কল্পনা কৰাটোও টান।" শঙ্কৰদেৱৰ বিৰাট পাণ্ডিত্য, কবি হিচাপে মহত্ব হৃদয়জুৰি থকা জাতীয় চেতনা আৰু অন্তঃ সলিলা আধ্যাত্মিক অন্তৰ্দৃষ্টিৰ প্ৰতি আগৰৱালাদেৱে শ্ৰদ্ধাত মূৰ দোৱাইছে।

এগৰাকী আদৰ্শ নেতা বুলি শঙ্কৰদেৱৰ বিস্তৃত জীৱনী দাঙি ধৰাৰ ধৃষ্টতা নাই। জন্ম-কৰ্ম, প্ৰতিটো গুণ আনৰ বাবে অনুকৰণীয়। গুৰুজনাৰ একান্ত শিষ্য মাধৱদেৱে গুৰুজনাৰ আদৰ্শ ৰক্ষাৰ্থে নিজৰ জীৱনৰ সৰ্বস্ব ত্যাগ কৰিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক চন্দ্ৰপ্ৰসাদ আগৰৱালাদেৱে কৈ গৈছে— "শঙ্কৰদেৱৰ অসমৰ সকলো কালৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তি আৰু কেইবা হাজাৰ বছৰতো তেনে এজন সৰ্বগুণাকৰ ব্যক্তি এই অসমভূমিত জন্ম লোৱাৰ প্ৰতিশ্ৰুতি নাই।"

লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা আদি গুণীৰ গুণ বুজা ব্যক্তিসকলে অসাধাৰণ প্ৰতিভাধৰ শঙ্কৰদেৱক মণিকূটত আৱদ্ধ নাৰাখি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি গৈছে। কিন্তু অজ্ঞানী, মূৰুখ, অকৃতজ্ঞ জাতিটোৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰকৃত সত্তা চিনিব নোৱাৰি কক্‌বকাই থাকিবলগা হৈছে। লক্ষ্মীনাথ বেজবৰুৱাদেৱে লিখি গৈছে—

"গুৰু লাগে মই শিক্ষিত শিষ্য
জগতত জাননী দিলো।
জগতৰ গুৰু শঙ্কৰ ঘৰতেই
অন্ধলাই নিচিনিলো।।"

জাতি অৱক্ষয়ৰ এই মুহূৰ্তক আমি প্ৰতিগৰাকী অসমীয়াই জাতীয় ঐক্য, জাতীয় সত্তা অক্ষুণ্ণ ৰখা এখন শুদ্ধ, সত্য, সুন্দৰ সমাজ গঢ়িবৰ বাবে স্বাগতম জনাব লাগিব জাতীয় নেতা মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শক।

মাধৱপুৰুষৰ ঘোষাৰে এই আদৰ্শ নেতাগৰাকীৰ প্ৰতি সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছোঁ—

"কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি জ্ঞানী অন্ত নাপায়।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখে সুখ পায়।।"❑

*কেইবাখনো গ্ৰন্থৰ সহায় লোৱা হৈছে*

# মিছাতে পাইলন্ত কৃষ্ণে দাৰুণ কলঙ্ক

**কমলা কান্ত হাজৰিকা**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচিত কীৰ্ত্তন-ঘোষাত আৰু অনন্ত কন্দলিয়ে লিখা ভাগৱতৰ দশম স্কন্ধৰ মাজ ভাগত 'স্যমন্তক হৰণ' নামৰ এটি অলৌকিক মহিমা থকা মুনিৰ কাহিনী পোৱা যায়। কীৰ্ত্তন-ঘোষাখনিত আছে নাম প্ৰসঙ্গৰ উপযোগিকৈ লিখা ন-টি কীৰ্ত্তনৰ নাম আৰু ভাগৱতত আছে ইয়াৰ বিশদ বিৱৰণ। মণিৰ এই অলৌকিক কাহিনীত বৈ আছে ভক্তি-ৰসৰ এখনি বোৱতী নদী। ভক্তি-ৰসৰ এই বোৱতী নদীত কোনো ভক্তই অৱগাহন কৰিব পাৰিলে তেওঁ ত্ৰি-তাপ ও মহা কলঙ্কৰ পৰাও অনায়াসে উদ্ধাৰ হ'ব পাৰিব। আনকি মনৰ বাঞ্ছিত ফলো পাবলৈ সক্ষম হ'ব, তাত কোনো সন্দেহ নাই। মহাপুৰুষ জনাই সেয়ে কীৰ্ত্তন পুথিত লিখিছে এনেধৰণে—

"যিটো শুনে স্যমন্তক হৰণ।।
এৰায় কলঙ্কত মহা পাপ।
দূৰ যায় সংসাৰৰ তাপ।।
হোৱে সিদ্ধি মনৰ বাঞ্ছিত।
জানি শুনা কৃষ্ণৰ চৰিত।।"—কীৰ্ত্তন

অনেকৰ জীৱনত কেতিয়াবা এটা মিছা অপবাদ বা দাৰুণ কলঙ্ক আহি পৰে। তেতিয়া তেওঁ সমাজৰ চকুত হেয় প্ৰতিপন্ন হৈ পৰে। ভৰিৰ তলুৱাত বিন্ধা এডাল শূলৰ দৰেই ই অতি বেদনাদায়ক। সেয়ে হৈ পৰে ইও এটি সংসাৰৰ তাপ। আছল সত্য বস্তুটো উত্থাপন কৰিব পাৰিলেই এনে তাপৰ পৰা হাত সাৰিব পাৰি। সমাজেও তেতিয়া তেওঁক সকলোৱে আদৰি ল'ব। অন্যথা চিৰ জীৱনেই এই তাপত ভুগিব লাগিব।

ভগৱন্ত শ্ৰীকৃষ্ণৰ জীৱনটো এদিন এনে এটা দাৰুণ কলঙ্ক আহি পৰিছিল। অৱশ্যে এইখিনিতে এটা প্ৰশ্ন আহি পৰে। শ্ৰীকৃষ্ণ এজন সামান্য মানুহ নহয়। তেওঁ এগৰাকী স্বয়ং ব্ৰহ্মৰূপী সনাতন নাৰায়ণ। সৃষ্টি, স্থিতি ও প্ৰলয়ৰ কাৰণ তেৱেঁই। তেওঁৰ প্ৰভাৱতে অনন্ত কোটি ব্ৰহ্মাণ্ডই নিজ কক্ষত ঘূৰিব লাগিছে ভয়তে চন্দ্ৰ-সূৰ্যই তাপ বিকিৰণ কৰিব লাগিছে। কোটি কোটি দেৱতাই যাৰ চৰণ সেৱা কৰিব লাগিছে, সেই গৰাকী একমাত্ৰ দেৱ মহাপুৰুষক জানো কোনোবাই কলঙ্ক সানিব পাৰে? উত্তৰত কব পাৰি যে পৰম ব্ৰহ্ম ভগৱন্তৰ ক্ষেত্ৰত সকলো হ'ব পাৰে। "নাহি জন্ম তোমাৰ / তথাপি জন্ম ধৰা / সোহি জন্মে জীৱৰ জনম দূৰ কৰা।—বৰগীত।

নিৰ্গুণ-নিৰাকাৰ ঈশ্বৰে যেতিয়া সগুণ সাকাৰ ৰূপত মনুষ্য ৰূপ ধাৰণ কৰে তেতিয়া তেওঁ মনুষ্যৰ দৰেই সকলো কৰ্ম কৰে। তাত একো আচৰিত হ'ব লগা নাই। ভগৱানে এখন সু-পৰিকল্পিত আঁচনিৰ মতেহে কাম কৰে। সত্য যুগত বধ কৰিছিল তেওঁ দৈত্য হিৰণ্যাক্ষ ও হিৰণ্য কশিপুক, ত্ৰেতা যুগত ৰাম অৱতাৰ ৰূপে মহা অহংকাৰী ৰজা ৰাৱণ ও কুম্ভকৰ্ণক বধিছিল, দ্বাপৰৰ শেষত পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰূপে বধ কৰিছিল মহা অত্যাচাৰী ৰজা কংস ও শিশুপালক আৰু কলিৰ শেষত কল্কিৰূপে অৱতাৰ হৈ ভগৱানে ম্লেচ্ছসকলক কাটি-মাৰি শেষ কৰিব ও পুনৰ সত্য যুগ প্ৰৱৰ্তন কৰিব। ই ভগৱন্তৰ এক আঁচনিৰ যুগ-যুগান্তৰ কথা।

"কলিৰ শেষত হৈবা কল্কি অৱতাৰ।
কাটি-মাৰি ম্লেচ্ছক কৰিবা বুন্দাৰাম।।
সবাকো বধিবা বৌদ্ধগণ যত আছে।
কলিৰ শেষত সত্য প্ৰৱৰ্তাইবা পাছে।।"
—কীৰ্ত্তন

সূৰ্য আৰাধনা কৰি দেৱ পূজক সত্ৰাজিতে লাভ কৰিছিল মহিমা থকা এটা অলৌকিক 'স্যমন্তক মনি'। ইয়াৰ মহিমা অপাৰ। ই দিনে আঁঠভাৰ সোণ দিব পাৰে, দেশত মাৰি মৰক হ'ব নোৱাৰে, দুৰ্ভিক্ষ হ'ব নোৱাৰে, শত্ৰুৰ ভয় নাথাকে, অনাবৃষ্টি নহয়, হিংস্ৰ জন্তু ব্যাঘ্ৰ-সৰ্প ভয়ৰ পৰা মৃত্যুৰ আশঙ্কা নাথাকে ইত্যাদি।

"মণিৰ মহিমা কি কৈবো আৰ।
সুবৰ্ণ নিতে স্ৰৱৈ অষ্ট ভাৰ।।
যি থানে থাকে সিটো স্যমন্তক।
নহিকৈ দুৰ্ভিক্ষ মাৰি মৰক।।
নাহিকৈ ব্যাধি ব্যাঘ্ৰ-সৰ্প ভয়।
একো উপসৰ্গ নুপজে তয়।।"—কীৰ্ত্তন

কৃষ্ণই সেই মণিৰ গুণ ভালদৰে জানে। মহাৰাজ উগ্ৰসেন প্ৰকৃততে এগৰাকী ধাৰ্মিক ও মহান গুণী ৰজা। সেয়ে এই মণিটো উগ্ৰসেনৰ ওচৰত থকাটোহে কৃষ্ণই বিচাৰিছিল। এদিন সত্ৰাজিতে কৃষ্ণক দেখা কৰোতে এই মণিটো উগ্ৰসেন ৰজাকে দিয়াৰ কথা কৈছিল। কিন্তু সত্ৰাজিতে কৃষ্ণৰ এই কথাত অলপো গুৰুত্ব নিদিলে। তেওঁ এই মণিটো ভায়েক প্ৰসেনকহে দিব। আগতে ভায়েকক প্ৰতিশ্ৰুতি দিয়া আছে। ৰজা উগ্ৰসেনক নিদিয়ে সত্ৰাজিতে। এইবুলি কৈয়েই সত্ৰাজিত শ্ৰীকৃষ্ণৰ কাষেদি গৈ দেৱ মন্দিত সোমাল আৰু বিপ্ৰসকলৰ লগত সূৰ্যদেৱতাৰ পূজা অৰ্চনা কৰিলে। ঈশ্বৰ জ্ঞান কৰাটো দূৰৰ কথা আনকি শ্ৰীকৃষ্ণক এজন সামান্য মানুহৰ দৰেও জ্ঞান নকৰিলে। সকাম কৰ্মীৰ মন সদায়েই অবিদ্যা বা মায়াৰে আবৃত।

(১০ পৃষ্ঠাত চাওক)

মণিকাঞ্চন

## সম্পাদকীয়

// অষ্টাদশ বছৰ ঃ দশম সংখ্যা Ð গুৱাহাটী Ð অক্টোবৰ 2013 Ð 564

# গুৰু সেৱা

বিদ্যা লাভৰ বাবে গুৰুৰ প্ৰয়োজন। বৰ্ণ বা আখৰকেইটা কোনোবাই শিকাই নিদিলে নিজে কেতিয়াও লিখিব বা পঢ়িব নোৱাৰে। বিদ্যা-শিক্ষাৰ ক্ষেত্ৰত যিদৰে গুৰু অবিহনে বিদ্যা লাভ কৰা সম্ভৱ নহয়, তেনেদৰে ভকতিৰ ক্ষেত্ৰটো গুৰু অবিহনে ভকতি কেতিয়া লাব কৰিব নোৱাৰে। আমি সদায় মাধৱদেৱে লিখা গুৰু ভটিমাত 'বিনে গুৰু চৰণে ভকতি ৰকতি কবহো নোহই' বুলি সদায় গাইয়ে থাকো। ঈশ্বৰক ভকতি কৰিবলৈ এজন গুৰুৰ কিয় প্ৰয়োজন হয় বা গুৰু নভজাকৈ পোনে পোনে ঈশ্বৰক ভজিব নোৱাৰিনেকি? এনে প্ৰশ্ন হয়তো মনলৈ আহিব পাৰে। এই প্ৰশ্নটোৰ উত্তৰ এনে ধৰণৰ হ'ব পাৰে। এজন এজন ল'ৰাই এটা বিভাগত চাকৰি বিচাৰি গৈছে, তাৰ কিন্তু চাকৰিটোৰ বাবে থাকিবলগা অৰ্হতা নাই। তেওঁক সেই বিভাগটোত চাকৰিটো পাবনে? কেতিয়াও নাপাই, কাৰণ তেওঁক প্ৰয়োজনীয় শিক্ষাৰে শিক্ষিত কৰি তোলা হোৱা নাই। এজন লোকক এজন শিক্ষকেহে উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তোলে, গতিকে শিক্ষক বা গুৰুৰ অবিহনে জ্ঞান বা শিক্ষা কেতিয়াও অৰ্জন কৰিব নোৱাৰে; অৰ্থাৎ শিক্ষা দিবৰ বাবে শিক্ষাগুৰু এজন লাগিবই। অন্য এটা উদাহৰণ— ধৰক এজনী ছোৱালীক বিয়া দিবলৈ হ'লে তাইক বিবাহৰ বাবে যোগ্য কৰি তুলিব কোনে? নিশ্চয় ছোৱালীজনীৰ পিতৃ-মাতৃয়ে (পিতৃ-মাতৃৰ অবিহনে অভিভাৱক)। গতিকে এইক্ষেত্ৰত পিতৃ-মাতৃ বা অভিভাৱক ছোৱালীজনীৰ গুৰু। যি সন্তানে পিতৃ-মাতৃক ভক্তি কৰে সেই সন্তানে পিতৃ-মাতৃৰ পৰা কৃপা লাভ কৰে। যি ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰুক সেৱা শুশ্ৰূষা কৰে তেনে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰুৰ পৰা নিশ্চয় জ্ঞান লাভ কৰিব পাৰে।

ঈশ্বৰ ভকতিৰ বাবেও গুৰুৰ প্ৰয়োজন। গুৰু নহ'লে ভকতি কেতিয়াও হ'ব নোৱাৰে। ঈশ্বৰ সেৱাৰ জ্ঞান কেৱল সদ্‌গুৰুৰ লগতহে থাকে। সেই জ্ঞান কেৱল গুৰুৰ পৰাহে লাভ কৰিব পাৰি। ভকতি লাভ হয় গুৰু কৃপাত আৰু গুৰু কৃপাত লাভ হয় গুৰু সেৱাত। মাধৱদেৱে সেই বাবে গুৰু ভটিমাত উল্লেখ কৰিছে যে গুৰুৰ অবিহনে ভকতি নহয়। গীতাত প্ৰণিপাতেন পৰি প্ৰশ্নেনে সেৱয়া অৰ্থাৎ সেৱা পূৰ্বক প্ৰণিপাত জনাই উচিত প্ৰশ্নৰ দ্বাৰা গুৰুৰ পৰা ভকতি জ্ঞান লাভ কৰা উচিত বুলি উল্লেখ আছে।

ভক্তি-ৰত্নাকৰত গুৰুজনাই এই তিনিও বিধ গুৰুৰ বৰ্ণনা এইদৰে দিছে—

"সংসাৰত যাত হন্তে লভয় জনম। আদ্য গুৰু পিতৃ সিটো পুজনি উত্তম।।
কহিলো প্ৰথম গুৰু জানিলা ইহাক। শুনিয়ো দ্বিতীয় গুৰু বোলয় যাহাক।।
গুৰুৱন্ত সন্ত আতি শুদ্ধ দ্বিজোত্তম। সদা কৰ্মশালী মহা বেদজ্ঞ পৰম।।
মই যেন ঈশ্বৰ পৰম পূজ্যত্তম। সিয়ো গুৰু সেহিমতে পূজনী উত্তম।।
জন্মাদাতা পিতৃতো কৰি শ্ৰেষ্ঠ আতি। তৃতীয় গুৰুৰ কথা শুনা কৰ্ণ পাতি।।
সৱ আশ্ৰমীক কৰে ঈশ্বৰ জ্ঞানক। দেই উপদেশ যিটো ভকতি পন্থক।।
সিয়ো জন জানা মই সাক্ষাতে ঈশ্বৰ। জগতৰ পূজ্য আন নাহি তাত পৰ।।

গুৰু আৰু ঈশ্বৰৰ মাজত ভেদ নাই। ঈশ্বৰক যিদৰে ভকতি কৰা যায় গুৰুও সিমানেই পূজনীয়। শ্বেতাশ্বেত উপনিষদত যস্য দেৱে পৰাভক্তি যথা দেৱে তথা গুৰৌ; অৰ্থাৎ গুৰু আৰু ঈশ্বৰ দুয়ো সমানে পূজনীয়। গুৰু প্ৰদত্ত জ্ঞানৰ বলতেহে অন্তঃকৰণ শুদ্ধ হয় আৰু অন্তৰ শুদ্ধ হ'লেহে ঈশ্বৰ জ্ঞান উপলব্ধ হ'বলৈ ধৰে আৰু সেৱাৰ তীব্ৰতৰ হ'লে আনন্দ অনুভৱ তৎমাত্ৰে বৃদ্ধি হয়।

মাধৱদেৱে এইক্ষেত্ৰত এটা সাৱধান বাণী কৰি গৈছে, সেইটোহে প্ৰণিধানযোগ্য—

"শাস্ত্ৰ গুৰুসেৱে শিষ্যক কৃপায়
শুদ্ধ উপদেশ দিব।
শিষ্যসৱে শুধ বাৰে নাচৰিলে
তাৰা সৱে কি কৰিব।।

শাস্ত্ৰ বা গুৰুৱে সদায় শিষ্যক শুদ্ধ উপদেশ দিয়ে, কিন্তু শিষ্যসকলে যদি তাক শুদ্ধ পালন নকৰে তেতিয়া হ'লে গুৰুৱে বাৰু কি কৰিব? পুনৰ কৈছে—

"যেৱে শিষ্যসৱে মহা শুদ্ধ ভাৱে
উপদেশ আচৰয়।
শাস্ত্ৰ গুৰু আপো নাকো সিটো শিষ্যে
তিনিকো ৰক্ষা কৰয়।।"

শাস্ত্ৰ বা গুৰু উপদেশ মাত্ৰই যথেষ্ট নহয়, শিষ্যই নিজৰ বুদ্ধিত সত্তস্থ (অৰ্থাৎ সৎ বুলি স্থিৰ কৰি দৃঢ় হোৱা) কৰিব পাৰিলেহে শিষ্যৰ আত্মাত ভগৱৎ দৰ্শন হয়।

"শাস্ত্ৰ গুৰু উপ দেশে শিষ্য সৱে
ঈশ্বৰক নেদেখয়।
বুদ্ধিত সত্তস্থ কৰিয়া আপোন
আত্মাত দেখে নিশ্চয়।।
শাস্ত্ৰ গুৰু উপ দেশ ক্ৰম ৰাম
ব্যৱস্থা মাত্ৰ পালন।
কেৱল শিষ্যৰ শুদ্ধ বুদ্ধি মাত্ৰ
জ্ঞানৰ হোৱে কাৰণ।।
গুৰু উপদেশ লব্ধ শিষ্যসেৱে
উপদেশ সাৰ ধৰা।
তেৱে ঈশ্বৰক পাইবা যত্ন কৰি
বুদ্ধিক সত্তস্থ কৰা।।

## পদাধিকাৰৰ কলম

।। ৰজনীকান্ত দত্ত।।



# যুৱ উশৃংখলতা নিয়ন্ত্ৰণত আধ্যাত্মিক জ্ঞানৰ প্ৰাসংগিকতা

বাছা বৰা

বৰ্তমান আমাৰ সমাজ ব্যৱস্থাৰ পদ্ধতিবিলাক দিনক দিনে বিশৃংখল হোৱা পৰিলক্ষিত হৈছে। বাতৰিকাকতত প্ৰতিদিনাই হত্যা, ধৰ্ষণ, অপহৰণ, লুণ্ঠন, চোৰ-ডকাইত আদি বেয়া খবৰবিলাক পঢ়িবলৈ পোৱাৰ লগতে বৈদ্যুতিন প্ৰচাৰ মাধ্যমবিলাকতো তেনেকুৱা বাতিৰিবিলাক থকাতো নিত্য-নৈমিত্যিকৰ দৰে হৈছে। সেই বেয়া কামবিলাকত আমাৰে একাংশ যুৱক-যুৱতী জড়িত হৈ পৰিছে। ফলত সেই উঠি অহা যুৱক-যুৱতীসকলৰ জীৱনটো ধ্বংস হোৱাৰ লগতে সমাজ খনৰো বহুত অনিষ্ট হৈছে। এতিয়া কথা হ'ল এই প্ৰতিকূল পৰিস্থিতিবিলাক কোনে সমাধান কৰিব বা কেনেকৈ সমাধান কৰিব পৰা যাব? চৰকাৰৰ শাসন ব্যৱস্থাই হওঁক বা ৰাইজৰ সমাজ ব্যৱস্থাই হওঁক কোনেও সমাজখনত চলি থকা উশৃঙ্খলতা নিয়ন্ত্ৰণ কৰিব পৰা নাই। এই সন্দৰ্ভত সভা-সমিতিত বহুজনৰ ভাষণ শুনাৰ উপৰি বাতৰিকাকত, আলোচনীৰ পাতত বিষয়টোৰ সন্দৰ্ভত বহুজনৰ লিখনি পঢ়িবলৈ পাইছো। কিন্তু সমস্যাটো সমাধান হোৱা কোনা লক্ষণ পৰিলক্ষিত নহ'ল। কেতিয়াবা এনে ভাব হয় আমি যেন পানী লগা বেমাৰত পেটৰ অসুখৰ দৰৱ খাইছো। তেনেহ'লে আমাৰ কৰবাত কিবা কেনা লাগিছে। এতিয়া আমাৰ প্ৰত্যাহ্বান হ'ব লাগিব কেনা ভাঙিবই লাগিব।

উশৃঙ্খলতা দূৰ কৰিবলৈ এনে এটা শক্তি আছে যিটোৰ আশ্ৰয় ললে পৃথিৱীৰ কোনো শক্তিয়ে আক্ৰমণ কৰিব নোৱাৰে। সেইটোৱেই হ'ল— আধ্যাত্মিক জ্ঞান। এই জ্ঞান শক্তিটো লাভ কৰাটো ইমান সহজ নহয়। এই জ্ঞান লাভ কৰিবলৈ হ'লে সৎ সংগ নিৰ্বাচন কৰি ধৰ্মীয় গ্ৰন্থবিলাক পুংখানুপুংভাৱে অধ্যয়ন কৰি বিজ্ঞানসন্মতভাবে বিশ্বাসেৰে বিশ্লেষণ কৰিব লাগিব। ধৰ্ম গ্ৰন্থৰ কথাবিলাক যিসকলে অধ্যয়ন নকৰে বা নুশুনে বা বিশ্বাস নকৰে সেইসকলক আমাৰ ক'ব লগা একো নাই। আমাৰ ধৰ্মগ্ৰন্থবিলাকত আছে—

"নুশুনে পৰম শাস্ত্ৰ গীতা-ভাগৱত।
কিমতে ভকতি তাৰ হৈব মাধৱত।।
পুত্ৰয়ো নিস্তাৰে যদি শুনি আছে শাস্ত্ৰ।
বৈষ্ণৱ পুত্ৰক প্ৰতি বুলি আছে মাত্ৰ।।
অবৈষ্ণৱ পুত্ৰ যদি উপজে বংশত।
স্বৰ্গহন্তে পিতৃক পেলাৱে নৰকত।।"

—ভাগৱত

উন্নত মানদণ্ডৰ শস্যৰ ফল পাবলৈ হ'লে শস্যৰ বীজ উন্নত হোৱাৰ উপৰি মাটিডোখৰ সাৰুৱা হ'ব লাগিব। আমাৰ মানৱ সমাজৰ বংশ বৃদ্ধি প্ৰক্ৰিয়াবিলাকো শস্যৰ নিচিনাই। মাক-বাপেকেই হ'ল বীজৰ সদৃশ। অৰ্থাৎ মাক-বাপেক শুদ্ধ, নিকা, স্বাস্থ্যবান হ'লেহে তেওঁলোকৰ সন্তানবিলাক স্বাস্থ্যবানৰ লগতে সৎ চৰিত্ৰবান হ'ব। সেয়েহে স্বাস্থ্যবান, সৎ চৰিত্ৰবান সতি-সন্তান লাভ কৰিবলৈ হ'লে প্ৰথমতে মাক-বাপেকবিলাক শুদ্ধ, নিকা, স্বাস্থ্যবান হ'ব লাগিব। তাৰোপৰি শুদ্ধ, নিকা, স্বাস্থ্যবান সতি-সন্তান পাবলৈ হ'লে মাতৃৰ গৰ্ভৰ পৰাই বিশেষ যত্ন ল'ব লাগিব। আমাৰ ধৰ্মগ্ৰন্থ ভাগৱতত সু-সন্তান জন্ম দিয়া পদ্ধতি আৰু উদাহৰণ অনেক আছে। সেই কাহিনীবিলাক বিবাহ পাশত আবদ্ধ হোৱাৰ আগেয়ে প্ৰতিজন যুৱক-যুৱতীয়ে অধ্যয়ন কৰিব লাগে। কিন্তু আমাৰ সমাজৰ গৰিষ্ঠ সংখ্যক যুৱক-যুৱতীয়ে ধৰ্মীয় গ্ৰন্থ নিজে অধ্যয়ন নকৰে আৰু অধ্যয়ন কৰাসকলক উপলুঙা কৰে। ফলত নিজেও নষ্ট হৈছে আৰু ভৱিষ্যতৰ সমাজখনক এই ধুৰন্ধৰসকলে কলুষিত কৰিছে।

মাতৃৰ গৰ্ভ অৱস্থাত থাকোতে শিশুৱে কেনেকৈ চৰিত্ৰ গঢ় লব পাৰে শাস্ত্ৰৰ উত্তম শ্ৰীমদ্ভাগৱতত প্ৰহ্লাদ আৰু অভিমন্যু চৰিত্ৰ দুটাৰ যোগেদি আমাক সকীয়াই থৈ গৈছে। প্ৰহ্লাদৰ মাতৃ কয়াধুয়ে যদি মুনিৰ পৰা শাস্ত্ৰজ্ঞানৰ কথাবিলাক মন দি নুশুনিলেহেতেন বা শুনিবলৈ সুবিধা নাপালেহেঁতেন দৈত্যৰ কুলত প্ৰহ্লাদৰ নিচিনা এজন মহাভক্তৰ জন্ম নহ'লহেঁতেন। হিৰণ্যকশিপুৰ তপস্যাৰ পৰা ঘূৰি অহাত কয়াধুৱে স্বামীক পাই নাৰদৰ সকলো কথা তথা উপদেশ পাহৰি গ'ল। কিন্তু সেই সময়ত প্ৰহ্লাদ মাকৰ গৰ্ভত থকাৰ কাৰণে নাৰদে কোৱা সকলো ভক্তি জ্ঞানৰ কথা নাৰদৰ মনত থাকিল। যিখিনি জ্ঞানৰ কথা বাস্তৱ জীৱনত আচৰণ কৰাৰ বাবেই ভগৱানৰ প্ৰিয়পাত্ৰ হৈ দৈত্য কুল উদ্ধাৰ কৰাৰ লগতে জগতত খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হ'ল।

সেইদৰে অৰ্জুনে ভাৰ্যা সুভদ্ৰাৰ আগত বেহুত কেনেকৈ প্ৰৱেশ কৰে আৰু কি পদ্ধতিৰে বেহুৰপৰা ওলাব পাৰি কৈ আছিল। বেহুত কেনেকৈ প্ৰবেশ কৰে সেই কথা সুভদ্ৰাই মন দি শুনিলে কিন্তু বেহু ভেদ কৰি বাহিৰ ওলাব পাৰি সেই কথা শুনাৰ আগেয়ে হঠাৎ সুভদ্ৰাৰ টোপনী গ'ল। সেই সময়ত সুভদ্ৰা গৰ্ভৱতী আছিল। মাক সুভদ্ৰাৰ যেতিয়া টোপনী আহিল গৰ্ভত থকা সন্তানটিৰো টোপনী গ'ল। ফলত সুভদ্ৰাৰ গৰ্ভত থকা আৰ্ভমন্যুৱে বেহুত প্ৰৱেশ কেনেকৈ কৰে সেই কথাহে জানিলে, বেহু ভেদ কৰি বাহিৰ ওলাব পৰা জ্ঞান আয়ত্ব কৰিব নোৱাৰা কাৰণেই কুৰুক্ষেত্ৰৰ যুদ্ধত অভিমন্যুৱে কৌৰৱৰ হাতত তৎকালতে প্ৰাণ দিব লগা হ'ল। এনেবিলাক ধৰ্মীয় কাহিনীৰ পৰা আমি এইটো বুজিব লাগিব গৰ্ভ অৱস্থাত থকা সন্তানে মাকে যি খায় তাকে খাব লাগে আৰু মাকে যিবোৰ কথা শুনে সন্তানটোৱেও সেই কথাবিলাক শুনে। এই সকলোবিলাক বিজ্ঞানসন্মত কথা। সেয়েহে সন্তানক গৰ্ভাৱস্থাতে মাতৃ গৰাকীয়ে সু-স্বাস্থ্যবান, জ্ঞানী কৰি জন্ম দিয়াব পাৰে। তাকে কৰিবলৈ যাওঁতে ধৰ্মীয় শাস্ত্ৰবিধি মতে কামবিলাক কৰিব লাগিব। যিবোৰ কামত থাকিব নালাগিব কোনো অন্ধবিশ্বাস বা কু-সংস্কাৰ। ভগৱানক বিশ্বাসত লৈ বিজ্ঞানসন্মতভাৱে কামবিলাক কৰি গ'লে সু-ফল পোৱাটো নিশ্চিত।

পৃথিৱীত যিমান প্ৰাণী আছে তাৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ বুলি ধৰ্ম শাস্ত্ৰই ঘোষণা কৰাৰ লগতে সকলো সমাজে মানি লৈছে। সেয়েহে শ্ৰেষ্ঠ মানুহ হিচাপে প্ৰতিটো কামেই শ্ৰেষ্ঠ হ'ব লাগিব। পৃথিৱীৰ প্ৰতিজন মানুহেই গৰ্ভজাত হৈ জন্ম হৈছে। সেয়ে প্ৰকৃত মানুহ হিচাপে গঢ় দিবলৈ হ'লে গৰ্ভাৱস্থাৰ পৰাই যত্ন ল'ব লাগিব। সতি-সন্তান কেনে পদ্ধতিৰে জন্ম দিয়ালে ভাল হয় বা স্বাস্থ্যবান হৈ দেশৰ, জাতিৰ মঙ্গল কৰিব পাৰে সেই জ্ঞানখিনি আয়ত্ব কৰিহে সতি-সন্তান জন্ম দিয়াৰ কথা ভাবিব লাগে। তাকে কৰিবলৈ যাওঁতে প্ৰতিজন যুৱক-যুৱতীয়ে বিবাহৰ আগতে ধৰ্মীয় গ্ৰন্থবিলাক অধ্যয়ন কৰিব লাগিব। ল'ৰা-ছোৱালী ডাঙৰ-দীঘল হোৱাৰ পাছত ধৰ্ম গ্ৰন্থৰ সেই কথাবিলাক অধ্যয়ন বা মুখস্থ কৰি একো লাভ নাই। যিটো কাম বৰ্তমান আমাৰ সমাজত চলি আছে। যুৱাকালতে এনেবিলাক কথাত গুৰুত্ব নিদিয়াৰ বাবেই দিনক দিনে যুৱক-যুৱতীসকলৰ উশৃঙ্খলতা বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। এনে অৱস্থাত পিতৃ-মাতৃ বা শিক্ষা গুৰুৰ প্ৰতি শ্ৰদ্ধা-ভক্তি নথকা কোনো ল'ৰা-ছোৱালী যেনেকৈ জ্ঞানী বা সৎ চৰিত্ৰবান হ'ব নোৱাৰে তদ্ৰুপ যুৱাকালত ভগৱানৰ প্ৰতি ভক্তি নথকা কোনো দম্পতিয়ে সু-সন্তান জন্ম দিয়াব নোৱাৰে।

গতিকে আমি আমাৰ ভাবি দম্পতিসকলক অনুৰোধ জনাব বিচাৰো যে- সমাজখনত চলি থকা উশৃঙ্খলতাবিলাক দূৰ কৰা দায়িত্ব আপোনালোকে লওঁক। ইয়াকে কৰিবলৈ হ'লে যুৱা কালতে অসৎ সঙ্গবিলাক ত্যাগ কৰি সৎ সঙ্গৰ ওচৰত আশ্ৰয়লৈ আধ্যাত্মিক জ্ঞান লাভ কৰি পৰিপুষ্ট হৈ বিয়া পাতি সতি-সন্তান জন্ম দিয়াৰ কথা ভাবক। তেতিয়াহে আমাৰ সমাজৰপৰা উশৃঙ্খলতাৰ নিচিনা মাৰাত্মক ব্যাধিবোৰ আতৰিব আৰু আমি কল্পনা কৰা সেই সুন্দৰ মানৱ সমাজখন দেখিবলৈ পাম। যি সতি-সন্তানে মাতৃৰ গৰ্ভৰ পৰাই ভগৱানৰ নাম-গুণ, শ্ৰৱণ কৰিবলৈ সুবিধা পাব সেই সতি-সন্তান ডাঙৰ হ'লে বৰ্তমান একাংশ যুৱক-যুৱতীৰ দৰে কেতিয়াও উশৃঙ্খল নহ'ব বা কেতিয়াও নৰহত্যাৰ নিচিনা মহাপাপ নকৰিব। সেইসকলে নৰহত্যাৰ নিচিনা মহাপাপ কৰা দূৰৰে কথা সামান্য পোক-পৰুৱা এটাও বিনা কাৰণত হত্যা কৰিব নোৱাৰে। আমাৰ এতিয়াও সময় পাৰ হৈ যোৱা নাই। যদি আমি কল্পনা কৰা এখন নিকা সমাজ গঢ়িব বিচাৰো উঠি অহা যুৱক-যুৱতীসকলে আধ্যাত্মিক জ্ঞান লাভ কৰিবলৈ আগবাঢ়ি আহিব লাগিব।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুজনায়ো তেনে এখন নিকা সমাজ গঢ়াৰ লক্ষ্যেৰে উত্তৰ-পূব ভাৰতত একশৰণ হৰি নামধৰ্ম প্ৰচাৰৰ জড়িয়তে মানৱ সমাজলৈ শান্তিৰ বাতাবৰণ কঢ়িয়াই আনিছিল। যিটো সময়ত পশু-পক্ষী বাদেই মানুহকো বলি দিছিল। তেনে এখন সমাজৰ সমাজ ব্যৱস্থা শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই একশৰণ নামধৰ্ম প্ৰচাৰৰ জড়িয়তে শান্তি স্থাপন কৰিবলৈ সক্ষম হৈছিল। গুৰুজনাৰ দিনৰ তুলনাত বৰ্তমান শিক্ষিত জ্ঞানী মানুহৰ সংখ্যা যথেষ্ট বৃদ্ধি হ'ল। গতিকে আহকচোন সকলো আগবাঢ়ি। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ আদৰ্শৰে আমি আমাৰ সমাজৰ বেয়া দোষবিলাক আঁতৰ কৰি এখন শুদ্ধ নিকা সমাজ গঢ়ো।

"যাৰ পুত্ৰ সৱেঐত হৰিত শৰণলৈয়া
হৰিগুণ গাৱে শুদ্ধভাৱে
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃ গণে তৃপিতিক পাৱে।।"

— নামঘোষা ❑

# এসময়ত ইয়াত এটা পুখুৰী আছিল

সুৰেন বড়া

"মন কৰিলেই ছন, বকৰাণিতে ধন" বোলা আপ্ত বাক্য শাৰীয়ে সকলোকে অনুপ্ৰাণিত কৰাৰ লগতে অনুপ্ৰেৰণাও প্ৰদান কৰে। সঁচা অৰ্থত আমি মন কৰিলে অসাধ্য সাধন কৰিব পাৰো। মন কৰাৰ ফলতেই এটা পুখুৰীৰ ঠাইত কেনেদৰে এটা নামঘৰ প্ৰতিষ্ঠা হ'ল তাৰে কিছু কথা 'মণিকাঞ্চন'ৰ পাঠক সমাজক ক'ব খুজিছোঁ।

গোলাঘাট চহৰৰ বিপিন ফুকন নগৰ এলেকাত আৰু ইয়াৰ আশে-পাশে বিভিন্ন ঠাইৰ পৰা আহি স্থায়ী বাসিন্দা হোৱা শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ সংগীসকলে এখন প্ৰাথমিক শাখাৰ অভাৱ অনুভৱ কৰিলে। এখন প্ৰাথমিক শাখা হ'বৰ কাৰণে আৱশ্যক হোৱা গৃহস্থী ওলোৱাত আমাৰ গৃহতে অনুষ্ঠিত হোৱা এখন সভাত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ এখন নতুন প্ৰাথমিক শাখাই জন্ম গ্ৰহণ কৰিলে। নতুন প্ৰাথমিক শাখাখনৰ নাম দিয়া হ'ল বনমালী প্ৰাথমিক শাখা। প্ৰাথমিক শাখাখনে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সংবিধানৰ নীতি-নিয়ম মানি আগবাঢ়ি গৈ থাকিল।

বনমালী প্ৰাথমিক শাখা গঠন হোৱাৰ লগে লগেই প্ৰাথমিক শাখাৰ নিজাববীয়া এটা নামঘৰৰ আৱশ্যকতা প্ৰতিগৰাকী সংগীয়েই উপলব্ধি কৰিবলৈ আৰম্ভ কৰিলে। অ'ত ত'ত বিচাৰ-খোচাৰ কৰা হ'ল নামঘৰ প্ৰতিষ্ঠাৰ কাৰণে অলপমান মাটিৰ, কিন্তু মাটিৰ উৰ্ধমুখী দামত গোলাঘাট চহৰত সুচল ঠাইত এটা নামঘৰ প্ৰতিষ্ঠাৰ কাৰণে মাটি পোৱাটো এক প্ৰকাৰ অসম্ভৱৰ দৰে হৈ পৰিল। তথাপি প্ৰাথমিক শাখাৰ সংগীসকল ভগৰি পৰা নাছিল। এৰা নাছিল আশাও। চাৰিও দিশে মাটি অকণমান বিচাৰি দিন-ৰাতি একাকাৰ কৰা হ'ল। এনেদৰে পাৰ হ'ল বছৰ দিয়েক। প্ৰাথমিক শাখাৰ সকলো কাম শঙ্কৰদেৱ নগৰত প্ৰতিষ্ঠিত আঞ্চলিক

(৬ পৃষ্ঠাত চাওক)

# শঙ্কৰ এহু অভিলাষা

(৬ পৃষ্ঠাৰ পৰা)

emy of socialism.'

অৰ্থাৎ, জাতিভেদ প্ৰথা সমাজৰ মাৰাত্মক শত্ৰু।

জাতিভেদ প্ৰথাবোৰ নিৰ্মূল নহ'লে সমাজবাদ কেতিয়াও প্ৰতিষ্ঠা হ'ব নোৱাৰে।

সেই একে সুৰতে ভাৰতৰ প্ৰাক্তন প্ৰয়াত ৰাষ্ট্ৰপতি ড° ৰাধাকৃষ্ণণে কৈছিল—

"We wish to build a society free from caste and class exploitation of every kind, social and economic, racial and religious. We must admit that our society still suffers from grave economic injustice, commercial jealousies, provincial entagonisms and linguistic animosties."

অৰ্থাৎ জাত আৰু ধৰ্ম, অৰ্থনৈতিক আৰু সামাজিক সকলো ধৰণৰ শোষণ মুক্ত, শ্ৰেণীহীন আৰু বৰ্ণহীন এখন সমাজ গঠন কৰিবলৈ আমি ইচ্ছা কৰো। এইটো আমি স্বীকাৰ কৰিবই লাগিব যে অৰ্থনৈতিক বিষমতা সামাজিক উৎপীড়ন, ধৰ্ম বৈষম্য, সাম্প্ৰদায়িক অসহনীয়তা, প্ৰাদেশিকতা আৰু ভাষাজনিত বিদ্বেষ ভাবৰ পৰা আমাৰ সমাজত নানা কষ্ট ভোগ কৰিব লগা হৈছে।

আজি আমি সকলোৱেই শ্ৰীমন্ত শঙ্কৰদেৱক ভালপাওঁ, তেওঁৰ তিথি পাতো, জন্ম মহোৎসৱ পাতো তেওঁ ৰচনা কৰা বৰগীত গাওঁ, কিতাপ পঢ়োঁ, ভাওনা কৰোঁ, কিন্তু অধিকাংশলোকেই তেওঁৰ আদৰ্শ বা দৰ্শন বুজিবলৈ চেষ্টা নকৰোঁ। তেওঁৰ জীৱনী পঢ়ি বা বাণীসমূহ পঢ়ি সভাই সমিতিয়ে বক্তৃতা দি ভাল বক্তা উপাধি আদায় কৰোঁ। তেওঁৰ দৰ্শনৰ ওপৰত থেচিচ লিখি আচাৰ্য (ডক্টৰেট) উপাধি ল'বলৈ কষ্ট কৰোঁ, কিন্তু তেওঁৰ দৰ্শন তেওঁৰ উপদেশ বাণীবোৰ উপলব্ধি কৰি মানিবলৈ অকণো চেষ্টা নকৰোঁ। ড° ৰাধাকৃষ্ণণে শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন বুজিছিল। তেওঁ বৰ্ণহীন, শ্ৰেণীহীন সমাজ গঠন কৰিবলৈ যি ইচ্ছা কৰিছিল সেই গোটেইখিনি শ্ৰীমন্ত শঙ্কৰদেৱৰ লিখনিৰ পাই কৈছিল—"In Assam Sankardeva was an apostle of Vaishnavism who taught the worship of Sri Krishna, denounced idolatry, sacrificial deity and caste structure of society (Bhudan)."

সেই একে সুৰতে ড° কৃপাল সিঙেও কৈছিল—"Sankardeva stressed the equality of man before God and rejected caste as well special privileges for any class of people."

কৃষ্ণৰ কিঙ্কৰ শ্ৰীমন্ত শঙ্কৰদেৱে এইটো বিচৰা নাছিল যে তেওঁৰ প্ৰচাৰিত বাণীসমূহ 'ঘৰে পোষা পক্ষী যেন ভাষা কয় মাত্ৰ' হৈ নিজক প্ৰতিষ্ঠা কৰিব। তেওঁৰ বাণীসমূহ 'বহুজন হিতায়, বহুজন সুখায়'ৰ বাবেহে। তেওঁৰ আশাসমূহ তেওঁৰে প্ৰিয় শ্ৰীশ্ৰীমাধৱদেৱে লিখিছে—

"নোহো জানা আমি চাৰি জাতি/ চাৰিও আশ্ৰমী নোহো আতি/ নোহোধৰ্ম্মশীল দানব্ৰত তীৰ্থগামী। কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ/ গোপী ভক্তা পদ কমলৰ/ দাসৰো দাস তান দাস ভৈলো আমি।।" —নাম-ঘোষা

শ্ৰীমন্ত শঙ্কৰ গুৰুৱেও কৈছে—

"নালাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে।
নালাগে শাস্ত্ৰ বিস্তৰ সম্ভুত জানিবে।।
তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।"

উত্তৰ-পূৱ ভাৰতৰ সকলো জাতি-উপজাতিৰ মাজত বৰ্ণ বৈষম্য দূৰ কৰি দেৱ ধৰ্ম পৰিহৰি সকলোকে হৰি ভকত কৰি এখন নিকা সমাজ গঢ়িছিল আৰু পিছৰ পুৰুষসকলকো তাকেই কৰিবলৈ আহ্বান জনাই গৈছে। কবিয়ে গাইছে—

"ৰাম নাম মহা মন্ত্ৰে বেহাইলা হাট।
দেখাইলা পতিতক বৈকুণ্ঠৰ বাট।।
গাৰো মিকিৰ কায়স্থ আহোম কছাৰী।
নাম মন্ত্ৰে গাথি দিলা একগোট কৰি।।"

— সৌমাৰজ্যোতি, ৰাজলক্ষী দাস

শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম সংস্কাৰ কৰাৰ উপৰি সমাজ সংস্কাৰৰ মহৎ আদৰ্শ দাঙি ধৰিছিল। ধৰ্ম নীতি অৰ্থাৎ ভকতি ৰাজ্যত প্ৰৱেশ কৰাৰ লগে লগে তাৰাই মাদক দ্ৰব্য বৰ্জন, অস্পৃশ্যতা বৰ্জন, অহিংসা নীতি অৱলম্বন কৰি সত্য, শৌচ, ক্ষমা, দয়া আৰু ধৈৰ্য ধাৰণ কৰিবলৈ সমাজত কৰপুতে আহ্বান জনাই নিজেই তাৰ চানেকী হৈছিল। আচাৰ-বিচাৰ, ৰীতি-নীতি, বাক্য-বচন আদি বিশিষ্ট গুণবোৰ ধৰ্মৰ লগত কটকটীয়াকৈ সাঙুৰি দিছিল, যাতে তেখেতৰ অবিহনে লোক সমাজত ইয়াৰ অকণো শিথিল নহয়। ধৰ্ম আৰু সমাজৰ মাজত এৰাব নোৱাৰা সম্বন্ধ স্থাপন কৰি পৰস্পৰৰ মাজত মিলা-প্ৰীতি অটুত থাকে। এইবোৰ জানি-শুনিয়েই জাতিৰ জনক মহাত্মা গান্ধীয়ে কৈছিল— "What Shankardeva was alone able to do, now a days the whole army of the english knowing people can not do."

শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ প্ৰাক্তন পদাধিকাৰ প্ৰয়াত হৰমোহন দাসদেৱে লিখিছিল— "সকলো ধৰ্ম্মৰ প্ৰাণ আছে, সকলো সমাজত শক্তি আছে। কেৱল জাগৰণৰ অভাৱ। এই অভাৱৰ বাবেই অসমৰ এনে অৱস্থা। প্ৰাণ জগাব পাৰিলে সমাজ অনুপ্ৰাণিত হ'ব। মানৱ সমাজে অনুসন্ধান কৰা বস্তু বিকাশ কৰিব পাৰিলে প্ৰাণ জাগ্ৰত নহৈ নোৱাৰে। বৰ্তমান সমাজে বিচাৰে ন্যায়, নৈতিকতা, মানৱ ধৰ্ম। বিচাৰে জন-শিক্ষা, জনসেৱা, মিলিত প্ৰাৰ্থনা, অস্পৃশ্যতা বৰ্জন। বিচাৰে গাওঁ সংগঠন, সমবায় সমিতি, লোকতান্ত্ৰিক ৰাজনীতি। শ্ৰীমন্ত শঙ্কৰে মানৱ অন্তৰে বিচৰা এই সকলো কথা ধৰ্মৰ জৰিয়তে প্ৰচাৰ কৰি গৈছে। যি যি বস্তু বৰ্তমান মানৱ সমাজে বিচাৰিছে, যি যি বিষয় অনুভৱ কৰিছে সেই সকলো কথা শ্ৰীমন্ত শঙ্কৰে পাঁচশ বছৰৰ আগতে জগতত প্ৰকাশ কৰি গৈছে। গতিকে তাৰাৰ অৱদানেই বৰ্তমান জগতৰ অনুকৰণীয়।" শ্ৰীমন্ত শঙ্কৰদেৱে গাইছে—

"অৰবিন্দ নিন্দি পাৱ নৱ পল্লৱ
ৰতন নুপুৰ পৰকাশা।
ভকত পৰম ধন তাহে মজোক মন
শঙ্কৰ এহু অভিলাষা।।"

— বৰগীত।❑

# বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ উদ্দেশ্য

(১ পৃষ্ঠাৰ পৰা)

বিশ্ববিদ্যালয়ত সৃষ্টিশীল চিন্তাৰ সমাৱেশ ঘটে, সিবোৰৰ মাজত আদান-প্ৰদান হয় আৰু তাৰ আধাৰত নব্য বাস্তৱতাৰ ভৱিষ্যত দৰ্শন নিৰ্মিত হয়। জ্ঞানৰ অন্বেষণত বিশ্ববিদ্যালয়ত সত্যৰ প্ৰতিষ্ঠিত ধাৰণাসমূহক নিতৌ প্ৰত্যাহ্বান জনোৱা হয়।" (অনু. ঃ ড° অখিল ৰঞ্জন দত্ত)।

**(খ) বিশ্ব তথা ভাৰতত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা ঃ** বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰতে প্ৰথম বুলিব পাৰি। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত প্ৰতিষ্ঠিত নালন্দা আৰু তক্ষশীলা বিশ্ববিদ্যালয়ক বিশ্বৰ প্ৰথমখন বিশ্ববিদ্যালয় বুলি ধৰিব পাৰি, নালন্দা বিশ্ববিদ্যালয় চলি থকাৰ সময়তে পাশ্চাত্য জগতৰ প্ৰথম বিশ্ববিদ্যালয় ইটালীৰ বল'গনা আৰু চালেৰ'নত প্ৰতিষ্ঠা হ'লেও দ্বাদশ শতিকাত ইংলেণ্ডত প্ৰতিষ্ঠা কৰা কেম্ব্ৰিজ আৰু অক্সফৰ্ড বিশ্ববিদ্যালয় দুখনহে প্ৰসিদ্ধি লাভ কৰিবলৈ সক্ষম হয়। সেইদৰে নালন্দা বিশ্ববিদ্যালয়খনো বিদেশীৰ আক্ৰমণ আৰু ভাৰতত বৌদ্ধধৰ্মৰ প্ৰভাৱ ম্লান পৰাৰ বাবে মাত্ৰ ধ্বংসাৱশেষহে থাকিল। সেয়ে আধুনিক ভাৰতত ব্ৰিটিছৰ দিনত ১৮৫৭ চনত বুম্বাই, মাদ্ৰাজ আৰু কলিকতাত ইংলেণ্ডৰ লণ্ডন বিশ্ববিদ্যালয়ৰ এক্সটাৰনেল ৰেজিষ্ট্ৰেশ্বন পদ্ধতিৰে তিনিখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ল।

উল্লেখযোগ্য যে নালন্দা বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ মুখ্য উদ্দেশ্য আছিল বৌদ্ধধৰ্ম আৰু দৰ্শনৰ অধ্যয়ন আৰু গৱেষণা। পিছলৈ ইয়াক কলা, বিজ্ঞান, আয়ু বিজ্ঞান আধ্যাত্মিকবাদ আদি বিষয়ৰ শিক্ষাৰে এখন পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান হিচাপে গঢ় লৈ উঠিছিল। এই বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ বিশ্বৰ বিভিন্ন দেশ যেনে— চীন আৰু দক্ষিণ-পূব এছিয়াৰ পৰা বহু ছাত্ৰ-ছাত্ৰী আহিছিল। এটা সময়ত নালন্দা বিশ্ববিদ্যালয়ত ১০,০০০ হাজাৰ ছাত্ৰ-ছাত্ৰী আৰু ২০০০ শিক্ষক আছিল। এই বিশ্ববিদ্যালয় অতি উচ্চখাপৰ আছিল আৰু ইয়াত প্ৰতি বছৰে শিক্ষাগ্ৰহণ কৰিবলৈ আবেদন কৰা ছাত্ৰ-ছাত্ৰীৰ মাত্ৰ ৩০ শতাংশইহে অধ্যয়নৰ বাবে যোগ্য বিবেচিত হৈছিল। এই বিশ্ববিদ্যালয়ত বৌদ্ধধৰ্মৰ বিষয়ে বিশদ শিক্ষা দিয়া হৈছিল, যাৰ দ্বাৰা বিশ্বত বৌদ্ধধৰ্ম আৰু দৰ্শনে প্ৰসাৰ লাভ কৰিছিল। দ্বাদশ শতিকালৈকে এই বিশ্ববিদ্যালয় বৰ্তি থাকে। আনন্দৰ বিষয় যে সাম্প্ৰতি নালন্দাৰ ধ্বংসাৱশেষ কেই কিলোমিটাৰমান আঁতৰত নতুন গুৰুজনাৰ নামত নালন্দা বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ যো-জা চলিছে।

বহুতেই প্ৰশ্ন কৰিব পাৰে যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ মূলতে এটি ধৰ্মীয় অনুষ্ঠান। সঙ্ঘই বিশ্ববিদ্যালয়ৰ নিচিনা এটা অতি অৰ্থবহুল আঁচনি কিয় ল'লে। আমি সকলোৱে জানো যে সঙ্ঘ বৰ্তমান কেৱল ধৰ্মীয় দিশতে সীমাবদ্ধ নাথাকি সাহিত্য, সংস্কৃতি, শিক্ষা, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন আঁচনি গ্ৰহণ কৰি এই বিলাকৰ ৰূপায়ণত অগ্ৰসৰ হৈছে। সঙ্ঘই এই কথাও লক্ষ্য কৰিছে মহাপুৰুষ শঙ্কৰদেৱক অসমৰ লোকে যি ধৰণে মান্যতা দিব লাগে সেইদৰে দিয়া হোৱা নাই। বিশেষকৈ বহু সত্ৰত (বিশেষকৈ ব্ৰহ্ম সংহতিৰ সত্ৰত) গুৰুজনা উপেক্ষিত হৈছে। অন্যহাতেদি অসমৰ বুদ্ধিজীৱী শ্ৰেণীটোৱে গুৰুজনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছে। লক্ষ্মীনাথ বেজবৰুৱা, ড° ডিম্বেশ্বৰ নেওগ, শ্ৰীপ্ৰভাত চন্দ্ৰ দাস আদি মাত্ৰ কেইগৰাকীমান ব্যক্তিৰ বাহিৰে সামগ্ৰীকভাৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ বহুমুখী প্ৰতিভা আৰু বিশ্ব মানৱ সভ্যতালৈ গুৰুজনাৰ যি মানৱতাবাদী দৰ্শন তাক প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছে। অন্য এটা কথা যে, গুৰুজনাৰ নামত অসমৰ বিশ্ববিদ্যালয় কেইখনত 'আসন' প্ৰতিষ্ঠা বা অধ্যয়ন বিভাগ/ কেন্দ্ৰ প্ৰতিষ্ঠাত ব্যৰ্থ হৈছে। আনকি দিল্লী বিশ্ববিদ্যালয়তো গুৰুজনাৰ নামত আসন প্ৰতিষ্ঠাৰ যো-জা চলিছিল যদিও আজিকোপতি তেনে কাম সম্পূৰ্ণ নহ'ল। এইদৰে গুৰুজনাক অপমানহে কৰা হৈছে। শিখ গুৰু নানকদেৱৰ নামত পঞ্জাৱত বহুদিন আগতেই গুৰু নানকদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ল, ৰবীন্দ্ৰনাথৰ নামত বিশ্বভাৰত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ল। তেনেদৰে অন্যান্য বিখ্যাত ব্যক্তিৰ নামত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই লক্ষ্য কৰিছে যে শ্ৰীমন্ত শঙ্কৰদেৱক এগৰাকী ধৰ্মগুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে তাৰাৰ বহুমুখী অৱদানসমূহ বিশ্বৰ পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এক বহুল প্ৰতিষ্ঠানৰ প্ৰয়োজন আৰু বৰ্তমান বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ যুগত তথা জ্ঞানৰ যুগত (Knowledge Age) গুৰুজনাৰ সাহিত্য, সংস্কৃতি, দৰ্শন, নাটক আদি বিভিন্ন দিশৰ বিদ্যায়তনিক অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন। মাত্ৰ দুজনা মহাপুৰুষৰ সৃষ্টিৰ বিষয়বস্তু হিচাপে লৈ অসমৰ বিশ্ববিদ্যালয় কেইখনত কিছু ব্যক্তিয়ে ডিগ্ৰী ল'বৰ বাবে গৱেষণা কৰিলেইহে নহ'ব। তাৰা সমস্তৰ অৱদানসমূহ ভাৰত তথা সমগ্ৰ বিশ্বৰ পণ্ডিত আৰু বিদ্যানুৰাগীসকলেও জানিব লাগিব। ইয়াৰ বাবে বিশ্ববিদ্যালয়ৰ নিচিনা এক অনুষ্ঠানৰ প্ৰয়োজন হৈছে। যি উদ্দেশ্যৰে নালন্দা বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল সেই উদ্দেশ্যতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ গুৰুত্ব নিহিত আছে। মাত্ৰ সাম্প্ৰতিক যুগলৈ লক্ষ্য ৰাখি আৰু এখন পূৰ্ণাঙ্গ বিশ্ববিদ্যালয়ৰ বাবে প্ৰয়োজনীয় পাঠ্যক্ৰমসহ এই বিশ্ববিদ্যালয় গঢ়ি তুলিব লাগিব। শঙ্কৰদেৱ অধ্যয়নৰ উপৰি বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ চাহিদাৰ ভিত্তিত নতুন নতুন বিষয় অন্তৰ্ভুৰ্ক্তিৰে বিশ্ববিদ্যালয়খনৰ আঁচনি প্ৰস্তুত কৰিব লাগিব। ইয়াৰ বাবে অসমৰ সকলো মানুহৰ সহায়-সহযোগ আৰু আশীৰ্বাদৰ একান্ত প্ৰয়োজন। লগতে দৃঢ় সংকল্পৰ প্ৰয়োজন হ'ব। এনে এটি মহৎ কাৰ্য সম্পাদন কৰিবলৈ যি এক বৃহৎ অৰ্থৰ প্ৰয়োজন হৈছে, তাৰ প্ৰতি সকলোৱে অনুভৱ কৰা প্ৰয়োজন। কাৰণ অৰ্থৰ অবিহনে এই মহৎ কাৰ্যত আগবাঢ়ি যোৱাত বহুতো অসুবিধা আছে। আমি এই সকলোবিলাক প্ৰত্যাহ্বানৰ সন্মুখীন হৈ প্ৰত্যাশাৰ ফালে ধাৱিত হ'ব লাগিব।❑❑

# ইয়াত এটা পুখুৰী আছিল

(৫ পৃষ্ঠাৰ পৰা)

শাখাৰ নামঘৰতে সম্পন্ন কৰা হৈ থাকিল।

সৎ কামৰ কাৰণে ভগৱানেও সহায়ৰ হাত আগবঢ়াই বুলি কথা এষাৰ শুনিবলৈ পোৱা যায়। বনমালী প্ৰাথমিক শাখাৰ সংগীসকলে এক মহৎ কামৰ কাৰণে মাটিৰ অনুসন্ধান কৰি থকাৰ সময়তে গোলাঘাট চহৰৰে এগৰাকী মহৎ হৃদয়ৰ লোকে নামঘৰ প্ৰতিষ্ঠাৰ কাৰণে এডোখৰ মাটি প্ৰাথমিক শাখাক দান দিবলৈ মন মেলাৰ কথা অৱগত হ'ল। এই মহৎ হৃদয়ৰ লোকজনৰ ঘৰৰ সন্মুখতে থকা পুখুৰীটোকে বনমালী প্ৰাথমিক শাখাৰ নামঘৰ প্ৰতিষ্ঠাৰ কাৰণে দান দিয়াৰ কথা প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকলক জনালে। মহৎ হৃদয়ৰ লোকজনৰ মহানুভৱতাৰ প্ৰতি কৃতজ্ঞ হৈ প্ৰাথমিক শাখাৰ সংগীসকলে স্বৰ্গখন হাততে ঢুকি পোৱা যেন অনুভৱ কৰিলে।

সৎ কামৰ কাৰণে ভগৱানে আগবঢ়োৱা সহায়ৰ হাতে প্ৰাথমিক শাখাৰ সংগীসকলক উৎফুল্লিত কৰিলে। মহৎ হৃদয়ৰ লোকজনে তেওঁৰ পিতৃৰ নাম চিৰ যুগমীয়া কৰি ৰখাৰ মানসেৰে প্ৰাথমিক শাখাক নামঘৰ প্ৰতিষ্ঠাৰ কাৰণে দান দিয়া পুখুৰীটো প্ৰাথমিক শাখাই অতি

(১০ পৃষ্ঠাত চাওক)

# অৰ্ধ আকাশ

জিতেন চেতিয়া

শনিবৰীয়া সপ্তাহিক গাঁৱলীয়া বজাৰ, পিছবেলাহে বহে। সন্মুখত কেঁচা শাক-পাচলি এখন পলিথিন কাপোৰৰ ওপৰত পোহাৰ মেলি বহি ল'লে কিৰণ সন্দিকৈ। সপ্তাহটোত প্ৰায় সি তিনিখনমান বজাৰ কৰি ঘৰখন চলাই থাকে। সংসাৰত তাৰ বৰ্তমান পত্নী নীলা আৰু ল'ৰা এটা ছোৱালী দুজনী। কিৰণে গাঁৱৰপৰা ইঘৰ-সিঘৰকৈ কেঁচা পাচলি তুলি আনি বজাৰত বেচে। সি নিজে খেতি কৰিবলে ঘৰ ভেটিকণৰ বাহিৰে বেলেগকৈ খেতিমাটি নাই। গাঁৱৰ বহু মানুহৰ জীৱন চলে এনেদৰে। বেপাৰ কৰি নতুবা দিন হাজিৰাৰে সংসাৰৰ জটিলতা দূৰ কৰা নিস্ফল প্ৰচেষ্টাত আজি কেইদিনমান ধৰি তাৰ গাটো ভাল নাছিল। অলপ ভাল পায় আজিহে ওলায় আহিছে বজাৰলৈ। গাঁৱলীয়া বজাৰ সময় নোহোৱাত বজাৰত মানুহৰ ভিৰ কম। সিহঁত বেপাৰীবোৰহে অলপ আগতীয়াকৈ আহিছে। টাউনৰ দৈনিক বজাৰৰপৰা দুই এজন বেপাৰী আহি বজাৰত বেচিবলে নিয়া লোকৰসতে শাক-পাচলীবোৰ দৰ দাম কৰি আছে। লাভজনক সুবিধাত দাম মিলিলে কিনে অথবা বেচোতাই তেওঁ ভৰা দামটো পালেহে দিয়ে। এনেদৰে কিছু টাউনৰ বেপাৰী গাঁৱৰ বজাৰ পৰা সপ্তাহত দামত পাচলিবোৰ তুলি টাউনত অধিক লাভত বেচে। নিজৰ বাৰীত উৎপাদিত ফচল কিছু লোকে টাউনৰ বেপাৰীবোৰক দিয়ে। কিৰণহঁতৰ দৰে আনৰ বাৰীৰ পাচলি তুলি অনা বেপাৰিবোৰে সিহঁতক নিদিয়ে নিজে বেচে পৰাপক্ষত। বেচি দি দুপইচা লাভ হয় তাৰে ঘৰৰ লাগতিয়াল বস্তু কিনি নিয়ে নতুবা লাভৰ পইচাৰে সপোন ৰচে জীৱন গঢ়াৰ নতুন পদক্ষেপত।

কিৰণে সপোন দেখে। সপোনৰ আলমত বিচাৰি পায় সাৰ্থক মাদকতা। মানুহৰ অভাৱ নোপোৱা নথকা এইলৈ সৃষ্টি হয় কল্পনা-সপোন। পৰিৱৰ্তনকামী জীৱন বিচাৰে কিৰণে জীয়াই থকা সাৰ্থকতাত। পত্নী নীলা আৰু ল'ৰা-ছোৱালী কেইটাকলৈয়ে সপোন কল্পনাৰ মহা সমুদ্ৰত ডিঙা মেলি দিয়ে আকালহীন ভৰপুৰ সুখৰ সংসাৰ বিচাৰি। পুৰণা চাইকেলখন লৈ তাৰ বেপাৰ চলাই আছে ৰ'দ-বতাহ, ধুমুহা-বৰষুণক নেউচি সফলতা বিচাৰি আগুৱাই তাৰ জীৱনৰ ৰথৰ চকা। সুখৰ স্বাদ কেতিয়াবা পাবনে ভাবে সি।

ঃ তোৰ কি হ'ল কিৰণ বৰ চিন্তাত থকাৰ দৰে আছ'। ঘৰত কাৰোবাৰ বেমাৰ হৈছে নেকি। তোৰো গা ভাল নাছিল সম্পূৰ্ণ ভাল পালি তই। সমনীয়া দুৰ্গা বেপাৰীয়ে সুধিলে।

ঃ নহয় অ দুৰ্গা বৰ্তমান মোৰ ভালে ঘৰটো ভাল। মোৰ চিন্তাৰ কাৰণ কি জান' বজাৰত মানুহৰ সমাগম কম দেখিছো সেয়েহে। চিন্তিত ভাবত কিৰণে দুৰ্গাক কলে।

ঃ সময় হোৱা নাই অ' চিন্তা নকৰিবিচোন। সপ্তাহৰ এদিন বজাৰহে আজি নকৰিলে আকৌ ৰ'ব লাগিব এক সপ্তাহলে। খেতি বতৰ কিছু কম হ'ব দে। কিৰণ বজাৰ ভাল হ'ব জানিছ চাকৰীয়ালবোৰে দৰমহা পালে নহয়। দুৰ্গাই ক'লে।

এটা আশা ৰেঙণি বিয়পি গ'ল তাৰ মনৰ মাজলে। আতৰত থকা হোটেলখনলে চালে। পেটটোৰে কিবা এটা খাওঁ খাওঁ কৰিছে। বজাৰলে ওলায় অহা আগতে খোৱা অৱশিষ্ট এতিয়ালে সম্ভৱ চিন মোকাম নাইকিয়া হ'ল। কিন্তু তাৰ এটাও বস্তু-বহনি হোৱা নাই। ঘৰৰপৰাও পইচা লৈ অহা নাই কিদৰে খাব। অৱশ্যে ৰাণা বুবু হোটেলত মটৰৰ ঘুগুণি পিছত বেচিমেলি পইচা দিম বুলি খাব পাৰে। দেখা যাওঁকচোন। কিৰণে মনতে ভাবিলে। হঠাৎ তাৰ হোটেলৰ কাষত থকা নিৰণৰ ওপৰত চকু পৰিল।

ঃ দুৰ্গা সৌটো নিৰণলৈ চাচোন। সি কেনেকৈ ৰাণাক মদ খোৱা বাবত পইচা দিছে দেখিছ। অইলত চাকৰি কৰে হাতত চাচোন এক হাজাৰ পাঁচশ টকা চিকমিকনি। মনটো মোৰ ঘূৰাই যায় এনেকে পইচা দেখিলে। আমাৰবোৰৰ পুৰা কপাল। ভোকাতু প্ৰাণী লুভীয়া দৃষ্টি খাদ্যৰ ওপৰত পৰাৰ দৰে তাৰ চকুত ফুটি উঠিছে লুলুপ দৃষ্টি।

ঃ ভগৱানে যি দিছে আমাক তাকেলৈ সন্তুষ্ট থাক। পুৰা কপাল নহয় পূণ্য প্ৰাপ্তিৰ ফলত সৰল ৰেখাত যাত্ৰা আমাৰ গতি। কাৰো আঘাত নলগাকে আমি বেপাৰ চলাইছো। সত্য পথ সদায় দুৰ্গম অলপ কষ্ট হয় কিন্তু আনন্দ আছে। আমি স্বাধীন। দুৰ্গাই কলে সি এজন সংঘৰ ভকত।

ঃ হওঁতে হয় তই কি কৈছ, কিন্তু আমাৰ পোৱা-নোপোৱাৰ হিচাপ বহুত কাৰণে....।

ঃ কিৰণ তই নিৰণৰ পুতেকলৈ নাচাৱ কিয় ? বাপেকৰ টকা বাহাদুৰিত যাকেতাকে দম দি মাৰি ফুৰিছিলে অলপ কথাতে কি গতি হ'ল সেই ল'ৰাটোৰ মটৰ চাইকেল দুৰ্ঘটনা কৰি দুটা ভৰি ভাঙি ঘৰত পৰি আছে।

ঃ সি মদ খায় নিশ্চয় নহ'লে.....।

মদ নাখায় কি মাক-বাপেক চাই পুতেক। দুৰ্গাই তাৰ কথা কাঢ়ি ক'লে।

ঃ কিৰণ তই বেচি থাক। মোৰ গ্ৰাহক এজন আহিছে। আমাৰ কাৰণে গ্ৰাহকে লক্ষী। দুৰ্গাই তাৰ নিৰ্দিষ্টকৈ বস্তুবোৰ পোহাৰ মেলা ঠাইলে লৈ গ'ল। কিৰণ আকৌ চিন্তাত বহি পৰিল। পেটৰ ভোক ক'ৰবাত গ'ল। এদিন এখন বজাৰত এজন বেপাৰী ভদ্ৰলোকে অনা অসমীয়া বঙালি ল'ৰা এটাক কম মাৰিলেনে সাধাৰণ এমুঠি বনৰীয়া শাক দামদৰ নিমিলাত কথা কটাকটি হৈ। ল'ৰাটোৰ গাত দোষ নাছিল কিৰণে চিন্তা কৰে মনত সেই দৃশ্য জলজল পটপটকৈ মনত পৰে তাৰ। মূৰ্খ হ'লেও সমাজত ফুলাম গামোচাখন সদায় সিহঁতৰ ডিঙিত ওলমে। আদৰ পায় মহম্মদ বিন টোগলক দৰে অসমীয়া মানুহৰ চাৰিত্ৰীক বৈশিষ্ট্য আৰু অৰিয়াঅৰি হিংসা প্ৰৱঞ্চনাৰে ভৰপূৰ। পৰোপকাৰী সমানুভূতিহীন দুৰ্ভগীয়া জাতিৰ এজন কেনেবাকৈ কষ্টৰে উন্নতি জখলাত উঠে। আন এজনে তলৰ পৰা টানি নমাই দিব বিচাৰে। মূৰহীন কেকুৰাৰ নিচিনা মাত্ৰ চেপি ধৰিবহে জানে। কিৰণে নিজক জ্ঞানী বুলিও নাভাবে। দেখা-শুনা কথা কিছুমানহে মনত পাগুৰি থাকে। তাৰ মনৰ ভাব আনৰ আগত প্ৰকাশ নকৰে। ভাৱেহে সি কিন্তু পৰিবৰ্তন বিচাৰে অসম অসমীয়া লোকৰ আজিৰ সময়ত পৰিবৰ্তন হ'বনে চিন্তা হয় তাৰ। মদৰ ৰাগীত ভুগি থকা পিতৃবোৰে সুন্দৰৰূপী পুত্ৰবোৰক এক আদৰ্শত নীতি-শিক্ষা দিব। সকলোবোৰ একে পথৰ পথিক হৈ পৰিব। কিৰণ আজি সময়ত সচাকে ধন্য শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ভকত হৈ তাৰ বিশ্বাস অসমৰ আনিব। অসমৰ বৃহৎ অনুষ্ঠান শঙ্কৰদেৱ সংঘহে।

বজাৰত দুই এজনকে মানুহৰ ভিৰ হৈছেহি। আশানুৰূপভাৱে বজাৰত মানুহ কম। দুই এজন আহিছে যদিও বৰ লাগতীয়াল বস্তুহে কিনিছে। এতিয়া ভৰসা চাকৰীয়ালবোৰ ওপৰতে কিন্তু চাকৰি কৰা লোক সৰহ সংখ্যক কৃপন। হিচাপৰ দামটো দিব নিবিচাৰে। বৰ টনাটনী কৰিহে দিয়ে।

ঃ কিৰণ তোৰ পাচলিবোৰৰ দাম কচোন।

পাল্লাখন হাতত তুলি সি আশাৰে চালে তেওঁ মুখলে। এফালৰ পৰা সি পাচলিৰ দামবোৰ কলে।

ঃ তোৰ পাচলিবোৰৰ দাম বেচিকৈ কৈছ। কম হ'বনে ?

ঃ হয় ককাইদেউ মই আনৰবাৰীৰ পৰা কিনি অনা। দুইপইচা যদি লাভ নহয় মোৰ ঘৰ চলিব কেনেকৈ ককাইদেউ। সৰলতাৰে ক'লে সি।

ঃ বাদ দে তোৰ লোকচান কম হ'বনে নাই। যদি নহয় মই নলওঁ দে।

কিৰণ বিবুদ্ধিত পৰিল। কেনেকৈনো সি কম দামত দিব পাৰিব। প্ৰতি বস্তু সি দুটকা তিনি টকা লাভত থকাকৈ কৈছিল। যদি কম মূল্যত দিব লাগে তেন্তে সি কিনি অনা দামটোহে পাব। লাভত একোৱে নাথাকিবচোন। কিৰণৰ তেনে ভাব হ'ল। তাৰ দৰে দৰিদ্ৰবোৰ মূৰ্খলৈ পৰিবৰ্তন হয় বিবেক থাকিলেও। টকা পইচাই চিন্তাহীন কৰে জীয়াই থকা তাড়নাত। অনিচ্ছাতে ইচ্ছাবোৰৰ বাট হেৰায়। তাৰে সুযোগ অপেক্ষাত থাকে এক শ্ৰেণী সুযোগ সন্ধানী মানুহ।

ঃ কি হ'ল ভেৰা লাগিছ যে। দিবিনে নিদিয় নে বেলেগত লওঁ গৈ।

ঃ লওক লওক ককাইদেউ। প্ৰতিটো বস্তু দুটকা কম কৰি দিব।.......এনেদৰে........।

পোহাৰ মেলা পাচলিবোৰ কিৰণে পাল্লাখনত তুলি এজন এজন কৰি দি যাব ধৰিলে নিৰ্দিষ্ট দামত গ্ৰাহকে বিচৰা ধৰণে। এক কেজি, আধা কেজিকৈ লাহে লাহে কমি আহিল তাৰ কেঁচা শাক-পাচলিবোৰ। বেপাৰী হ'লেও সি মিছা নামতে। এজনক বেচি এজনক কম মিছা দামকৈ বস্তু নিবিকে। প্ৰথম গ্ৰাহকক দিয়া মূল্যতে তাৰ বস্তু সদায় শেষ কৰে। লাভ হওক বা নহওক। এই হাট বজাৰৰ নিচিনা মানুহ জীৱন। এদিন লাভ এদিন লোকচান। এদিন সুখ এদিন দুখ। চলি থাকে এনেকৈয়ে কিৰণৰ সংসাৰ। তাৰ পূৰ্বৰ সময়ৰ দুৰ্গতিত অতিস্ত হৈ এদিন সংঘত আশ্ৰয় লয়। গুৰুজনা বাণীবোৰ সৰোগত কৰি এক ঈশ্বৰবাদী ধৰ্ম ছত্ৰছায়াত বিচাৰে মহাসুখৰ ভাণ্ডাৰ। কাৰোবাৰ অন্যায় কথা সি ভাবিব নোৱাৰে নাভাৱেও। সত্য ধৰ্ম নীতি নিদৰ্শন তাৰ মানস পটত দৃশ্যমান। প্ৰতিটো ক্ষণত। এখোজো হেৰফেৰ নকৰে। শঙ্কৰদেৱ সংঘৰ প্ৰতি অনুষ্ঠানত সি উপস্থিত থাকে। সাত্বিক গুণ সম্পূৰ্ণ ভকতৰ গুৰুজনাৰ ধৰ্ম বানীবোৰ ভাষণত শুনি সি অভিভূত হৈ পৰে। কল্পনা কৰে ভাষণৰ মাজত শঙ্কৰদেৱে তাৰ আগত ধৰ্মবাণী কৈ আছে। শঙ্কৰদেৱ সংঘৰ ভকত গাম্ভীৰ্যতাত মগ্ন তাৰ মন প্ৰাণত। নমস্কাৰ পৰিৱৰ্তে কৃষ্ণ মানসিকতা বহি প্ৰকাশ। কি সুন্দৰ সংস্কৃতি। কিদৰে মিথ্যাচাৰৰ আশ্ৰয় কৰিব নোৱাৰে সি কাহানিওঁ নোৱাৰে। সংঘৰ মিটিংবোৰত ভকতৰ হৰি নামৰ অমৃত বাণী শুনি শুনি পাহৰি থাকে তাৰ কাঁইটীয়া সংগ্ৰামৰ পথ।

ঃ কিৰণ যাওঁ ব'ল। বজাৰ ভাগিলে দেখোন। মোৰ অৰ্থনিতে শেষ হ'ল তোৰ বাবেহে ৰৈ আছিলো। তাৰ ঘৰৰ ওচৰৰ ধৰ্ম কাই ক'লে। ধৰ্মকাইও এজন সংঘৰ ভকত। বিপদে আপদে তাৰ ওচৰত ধৰ্মকাই থাকে। কেতিয়াবা দুয়ো লগ হৈ তাৰ ঘৰতে নতুবা ধৰ্মকাই ঘৰত কীৰ্ত্তন-ঘোষা পাঠ কৰে আলোচনা কৰে জীৱনৰ গূঢ় তত্ত্ববোৰ। জনা-নজনা বুজা-নুবুজাভাৱে পদ-ঘোষা আওঁৰাই। এক ঈশ্বৰবাদী মহা সমুদ্ৰৰ চাকনৈয়াত উটি-ভাঁহি বিলীন কৰে আত্মাখন।

ঃ বৰদেই ধৰ্মকাই (সহজ ভাষাত মাতে) মই সামৰি সুতুৰি লওঁ বস্তুবোৰ। যি অলপ অচল আছে শাক-পাচলিবোৰ ঘৰতে খোৱা হবনেকি ধৰ্মকাই।

ঃ হ'ব হ'ব বল আন্ধাৰ হ'ব এতিয়া। ঘৰত চিন্তা কিৰব দেৰি হলে। কিন্তু তই যে আজি মন বেয়া কৰি আছ কি কথা ? গাটো সম্পূৰ্ণকৈ ভাল পোৱা নাই নেকি। মন বেথা নকৰিবি চিন্তা মানুহৰ থাকে। তই জাননে যি চিন্তা কৰিব নোৱাৰে সি হাত ভৰি থাকিলেও অক্ষম পংগু আৰু গুৰু জনাই গোৱা নাই জানো অথিৰ ধন, জন আমাৰ জীৱনৰ আমাৰ সংসাৰ সকলো অথিৰ তই জানি ল। বাৰু বাদদে এইবিলাক কথা পিছত দুয়ো আলোচনা কৰিম অন্য এদিন। ব'ল এতিয়া বজাৰৰপৰা। দুয়ো ওলায় আহিল। ঘৰৰ অভিমুখে চাইকেল পোনাই দুয়ো নিমাতে বাট ধৰিলে। ধৰ্মকাই জানে কিৰণৰ মনৰ বতৰা। কিৰণৰ মনত আজি চিন্তা বাহে গেৰ ধৰিছে। প্ৰাপ্তি সুখত নে পাৰ্থিৱ দুখত এই জড়তা ধৰ্মকাই ভাবিলে। সিনো আনক কি বুজাব। সিওটো এটা আনৰ কৰুণাৰ পাত্ৰ। ভাৱক সি মনত ভৰি যোৱাকে। কিৰণে স্থানচুত্য হৈ সহযাত্ৰী ধৰ্মকাই উপস্থিতি পাহৰি ভাবি গল ওৰে বাট। ঘৰলে গ'লে কি হ'ব। অপ্ৰকাশিত দুখবোধৰ দাৱানলত দ্বগ্ধ তাৰ মন। ঘৰত গৈ বেছিকৈহে জ্বলিব মনে গতি ল'লে তাৰ ঘৰৰ ফালে। নীলা যি তাৰ সুখ-দুখৰ লগৰী। জীৱনৰ এচোৱা বাট তাৰ সংগী। যিগৰাকী নাৰী শিকি দিব পাৰিছে। মনৰ সুখ ভৰি পৰাকে একো এটা দিব পৰা নাই তাইক। শান্তি প্ৰয়োজনীয় বস্তুকেইটাও সময়মতে দিব নোৱাৰে কিয় ? প্ৰশ্ন কৰে সি নিজকে। ল'ৰা-ছোৱালী কেইটাৰ কথা ভাবিলে তাৰ কলিজা এচোৱা দেই-পুৰি যায়। সাধাৰণ পাচলিবোৰ কৰি স্কুলৰ সাজযোৰ বা অন্য কাপোৰ প্ৰয়োজন মতে দিব পৰা নাই। এজন ব্যৰ্থ পিতৃ। সিহঁতে বুজি পায় দেউতাকৰ সামৰ্থ্য কেতিয়াবা সি সিহঁতৰ কথা ভাবি আনৰ ঘৰত দুই এটা হাজিৰা কাম নকৰাকৈ নাথাকে। কিন্তু এই কিন্তুটো তাৰ পিছত লাগিয়ে যাক।

ঃ যা দেই। ঘৰ পালিহি নহয়।

বিভোৰ হৈ কেতিয় ঘৰ পালেহি সি গমে

(১২ পৃষ্ঠাত চাওক)

# অসমীয়া সংস্কৃতিৰ সংকট

(৮ পৃষ্ঠাৰ পৰা)

জাতীয় জীৱনৰ পৰা যদি বিভিন্ন জাতিগোষ্ঠী এপাহ-এপাহকৈ আঁতৰি গৈ থাকে তেন্তে জাতীয় সত্তাই নিচিহ্ন হ'ব। জাতি-গোষ্ঠীৰ সমন্বয়ত গঢ়ি উঠা উপাদান সমূহৰ যিধৰণৰ আপদাৰৰ প্ৰয়োজন আছিল সেইটো হৈ নুঠা বাবেই বিভিন্ন জনগোষ্ঠীৰ মাজত অবিশ্বাস আৰু আশংকাৰ সৃষ্টি হোৱা বুলি ভাবিবৰ থল আছে। অৱশ্যে ৰাজনৈতিক আৰু অৰ্থনৈতিক শাসন শোষণেও অনেক ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠীক অতীষ্ঠ কৰি তুলিছে। আজিৰ সামাজিক জীৱনত ৰাজনীতি আৰু অৰ্থনীতিৰ প্ৰভাৱেই সৰ্বাধিক। আজিৰ যুগত গণতন্ত্ৰপ্ৰেমী কোনো ব্যক্তি বা জাতিয়েই ঔপনিৱেশিক শাসন-শোষণ সহ্য কৰি নাথাকে। অসমৰ খিলঞ্জীয়া জনজাতীয় লোকসকলক ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত সমানে অগ্ৰসৰ হোৱাৰ সুবিধা দি অসমীয়া জাতীয় জীৱন টনকিয়াল কৰাৰ বাস্তৱ প্ৰয়াস থকা হ'লে অসমীয়া সংস্কৃতিৰ গঢ়াখহনীয়া আৰম্ভ নহলহেঁতেন। সাংগঠনিক দিশত উদ্ভৱ হোৱা এই সংকটক বহিঃ সঙ্কট আখ্যা দিয়া হৈছে।

অসমীয়া সংস্কৃতিৰ বৰ্তমানে দেখা দিয়া আনটো সংকট হৈছে আভ্যন্তৰীণ সংকট। এই আভ্যন্তৰীণ সংকট সংঘটিত হৈছে সংস্কৃতিৰ গুণগত দিশত। সংস্কৃতিৰ নামত অনেক ক্ষেত্ৰত অপসংস্কৃতিয়ে পোহাৰ মেলা পৰিলক্ষিত হৈছে। বৰ্তমান যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অকল্পনীয় প্ৰগতিৰ ফলত বিভিন্ন ৰাষ্ট্ৰৰ কলা-সংস্কৃতিয়েও অভাৱনীয় বিকাশ লাভ কৰিছে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমাৰ জাতীয় কলা-সংস্কৃতি বৰ্তি থাকিবলৈ হ'লে আন্তৰ্জাতিক মানদণ্ডৰ সৈতে ৰজিতা খোৱাকৈ ইয়াক বিকাশ কৰি লোৱাৰ একান্ত প্ৰয়োজন আছে। এই দিশত কিমান সচেতন অসমীয়া লোকে মনোনিবেশ কৰিছে ভাবি চাবলগীয়া। বিকাশৰ পৰিবৰ্তে অনেক ক্ষেত্ৰত আমাৰ সংস্কৃতিৰ অৱনতিহে পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে বিহুৰ কথাকেই ল'ব পাৰি। আমি সকলোৱেই আওৱাও 'বিহু অসমীয়াৰ জাতীয় উৎসৱ-বাপতি সাহেন'। বিহু কৃষিজীৱি জনগণৰ প্ৰাণৰ উৎসৱ। বিহুৰ নৃত্য-গীত, আচাৰ-অনুষ্ঠান কৃষিকাৰ্যৰ সৈতে জৰিত। কৃষিৰ আৱিষ্কাৰেই মানৰ-সভ্যতাৰ পাতনিৰ প্ৰথম মাইলৰ খুটি। শস্যৰ গুটি পথাৰত সিচা, শস্য নদন-বদন হৈ উঠা, শস্য চপোৱা এই ঘটনা-প্ৰবাহৰ সৈতে অসমৰ ৰঙালী, কঙালী আৰু ভোগালী বিহু জড়িত। অসমৰ ৰঙালী বিহু উৎসৱৰ সৈতে খৃষ্টপূৰ্ব প্ৰথম শতিকাত ৰোমৰ লিউপাৰকেল উৎসৱৰ মিল আছে। তাৰোপৰি বিহুৰ সৈতে ইংলেণ্ডৰ (Spring Festival) বসন্তোৎসৱ, পঞ্জাৱৰ বৈশাখী, তামিলনাডুৰ পুঙ্গল, কেৰেলাৰ বিচু, মণিপুৰৰ লাই-হাৰাওবা, খাছীসকলৰ নংক্ৰেম আদি উৎসৱৰ মিল আছে। ৰঙালী বিহুৰ নৃত্য-গীতসমূহ পূৰ্বৰ পথাৰ, নৈৰ দাতি, পাহাৰৰ দাতি আদি ঠাইৰ পৰা বৰ্তমানে গাঁও-ভূঁই, নগৰ-চহৰৰ মঞ্চত উঠিছেহি। সভ্যতা-সংস্কৃতিৰ পৰিবৰ্তিত পৰিস্থিতিত এইটোৱে স্বাভাৱিক কথা। কিন্তু অসমীয়া জাতীয় জীৱন আৰু মাটিৰ পৰশ লগা এই অনন্য সংস্কৃতি আজি আমাৰ আওকণীয়া মনোভাৱৰ বাবে অনেকক্ষেত্ৰত অৱনমিত হোৱা দেখা যায়। ৰঙালী বিহুৰ নৃত্য-গীত যদি কোনো পদ্ধতিগত শিক্ষা আৰু অনুশীলন নোহোৱাকৈ পৰিৱেশিত হয়, তেন্তে তাৰ মানদণ্ড অৱনমিত হোৱাৰ আশঙ্কাই সৰহ। আজি কিছুদিনৰ আগৰ পৰা কিছুমান ল'ৰা-ছোৱালী আৰু ডেকা-গাভৰুৰ দলে ৰঙালী বিহুত গাঁৱে-ভুঞে, নগৰে-চহৰে বিহুগীত বিকৃত ৰূপত প্ৰচাৰ কৰি ধন খুজি-মাগি ফুৰা ঘটনাই ৰঙালী বিহু সংস্কৃতিত কলঙ্ক সানিছে। এনেধৰণৰ কাৰ্যক ইংৰাজ সমালোচক মেথিউ আৰ্ণল্ডৰ (Matthew Arnold) ভাষাত Cultural Philistinism বা সাংস্কৃতিক ব্যভিচাৰ বুলি কোৱা হয়। মাঘ বিহু ভোগালী আৰু আনন্দৰ বিহু। মাঘ বিহুৰ উৰুকাত আজি-কালি যিধৰণে বেৰ-ঘৰ ভাঙি, খৰি-খেৰ, চকী-মেজ আদি চুৰ কৰি 'ধুনি' জ্বলোৱা প্ৰথা প্ৰচলিত হৈছে অথচ বিহুৰ দিনা অনেক লোকৰ মেজিৰ ওচৰলৈ যাবৰ সময় নাই— এনেবোৰ কাৰ্যই আমাৰ বিহু সংস্কৃতি কোন দিশলৈ আগবঢ়াই নিছে সেই কথা সচেতন অসমীয়াই ভবা উচিত। কঙালী বিহুত অসমীয়াৰ ঘৰে-ঘৰে ঠগী দিয়া, পদুলিমুখত কলপুলি পুতি বন্তি জ্বলোৱা, আকাশ বন্তি জ্বলোৱা, শস্যৰ পথাৰত বন্তি জ্বলোৱা প্ৰথা আজি কিছু বছৰ আগলৈকে প্ৰচলিত আছিল।

আজিৰ অসমীয়া মানুহে মহাৰাষ্ট্ৰৰ জাতীয় উৎসৱ দীপান্বিতা বা দীপাৱলীত যি গুৰুত্ব দিয়ে কঙালী বিহুত তেনে গুৰুত্ব দিয়াটো পৰিলক্ষিত নহয়। কেৱল অন্ধ অনুকৰণতেই এটা জাতিৰ সংস্কৃতি বৰ্তি নাথাকে। "সংস্কৃতিৰ স্বৰূপ", শীৰ্ষক এটি নিবন্ধত হেম বৰুৱাদেৱে আক্ষেপ কৰি লিখিছে, "কেৱল অনুকৰণৰ জৰিয়তে জাতি একোটা জীয়াই থাকিব নোৱাৰে। কলিকতাত বহুতো বঙালী মানুহৰ মাজত যেতিয়া ভাৰতৰ অন্য প্ৰান্তৰ মানুহ বাস কৰে, তেতিয়া সেই ঠাইৰ পৰা যাবৰ সময়ত সেইসকলে বঙালী সংস্কৃতিৰ দুপদ-এপদ লৈ যায়। এই ফালৰপৰা বঙালীসকল মহৎ। অসমীয়া মানুহৰ ক্ষেত্ৰত ইয়াৰ বিপৰীতটো হয়। চহৰৰ কোনোবা এটা প্ৰান্তত যদি কেনেবাকৈ ভাৰতীয় আন প্ৰান্তৰ কোনোবা থাকে তেনেহ'লে আমাৰ লক্ষ্য হয় সেইজনৰ সংস্কৃতি গ্ৰহণ কৰা। গাত যদি কৰবাত কেনেবাকৈ অসমীয়া গোন্ধটো লাগি থাকে তাকো ঘহি-মেলি নোহোৱা কৰাটো। এয়েই হৈছে আমাৰ ঋণাত্মক মনোবৃত্তিৰ পৰিচয়।" (সাহিত্য সুৰভি, পৃঃ ২২)

শঙ্কৰী সংস্কৃতি অসমীয়া সংস্কৃতিৰ মণিকুটস্বৰূপ। শঙ্কৰী সংস্কৃতিৰ অন্তৰ্গত গীত-নৃত্য, উৎসৱ আদিৰ ক্ষেত্ৰতো অৰাজকতাৰ সৃষ্টি হোৱা দেখা যায়। আমাৰ অনেকে প্ৰশ্ন তোলে বৰগীত আৰু শঙ্কৰী নৃত্যসমূহক কিয় ধ্ৰুৱদী গীত আৰু নৃত্যৰ মৰ্যদা দিয়া নহয়। বাস্তৱিকতে ই এটা চিন্তনীয় বিষয়। কলাগুৰু বিষ্ণু ৰাভাদেৱে 'অসমীয়া কৃষ্টি' শীৰ্ষক প্ৰবন্ধত লিখিছে— "মোৰ মতে ভাৰতত তিনিটা ঘাই সঙ্গীত পদ্ধতি আছে, হিন্দুস্থানী সঙ্গীত পদ্ধতি, কৰ্ণাটকী সঙ্গীত পদ্ধতি আৰু কামৰূপীয়া সঙ্গীত পদ্ধতি। কামৰূপীয়া সঙ্গীত পদ্ধতিৰ নিজস্ব তাল আছে, ৰাগ আছে, নৃত্য আছে। তালৰ মাত্ৰা বিচিত্ৰ আৰু বিজ্ঞানসন্মত। তাল বহু আছে, যেনে—ৰূপক, একতালী, পৰিতাল, খৰমান, জ্যোতি ইত্যাদি। ৰাগো তেনে যেনে—বেলোৱাৰ, আশোৱাৰী, কানাৰা, পুৰবী, কল্যাণ ইত্যাদি। এই ৰাগবিলাৰ বৰ্ণনা মালিতাও আছে। নৃত্যৰ কথা নকৰেঁই। এই কামৰূপীয়া নৃত্য ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ। তদুপৰি পৃথিৱীত নোহোৱা ভাৰতীয় নৃত্য শাস্ত্ৰৰূপ অসমীয়া 'শ্ৰীহস্ত মুক্তাৱলী' আছে। গতিকে সঙ্গীতত অসমীয়াৰ এনে বহুমূলীয়া ধন থাকিও আমি জগতৰ আগত ভালকৈ দেখুৱাবলৈ অসমীয়াই অপাৰগ। তাৰ বাবে লাগে চৰ্চা, সাধনা আৰু সাধনা আশ্ৰম। তাৰ বাবে লাগে বাট দেখুৱাওতা অসমীয়া 'ভাটখাণ্ডে'। (বিষ্ণু ৰাভা ৰচনাৱলী, পৃঃ ৭৪)। ৰাভাদেৱে উল্লেখ কৰিছে। শঙ্কৰী সংস্কৃতিৰ পদ্ধতিগত শিক্ষা দিয়াৰ ব্যৱস্থাও আজিলৈকে নহ'ল। অসমৰ ৰাজ্যিক সাংস্কৃতিক বিভাগটোও এইক্ষেত্ৰত সম্পূৰ্ণ নিস্পৃহ। অসমৰ ৰাস আৰু দৌল উৎসৱ শঙ্কৰী সংস্কৃতিৰ এক বিশিষ্ট অৱদান। ৰাস উৎসৱ বৃন্দাবনত কৃষ্ণ আৰু গোপিনীসকলে শাৰদীয় পূৰ্ণিমা নিশাত কৰা এক মনোমোহা উৎসৱ। এই উৎসৱৰ অন্তৰ্নিহিত তত্ত্ব হ'ল আত্মা-পৰমাত্মাৰ মধুৰ মিলন। এই ৰাস উৎসৱকো বৰ্তমানে 'ৰাস পূজা' বুলি প্ৰচাৰ কৰি উৎসৱক বিকৃত কৰা হৈছে। তেনেদৰে দৌল উৎসৱক 'দৌল পূজা' বুলি বিকৃত ৰূপত প্ৰচাৰ কৰা হয়। এটা জাতি সচেতন নহ'লে সেই জাতিৰ সাংস্কৃতিক বৈশিষ্ট্য বিপদাপন্ন হোৱাৰ আশঙ্কা থাকে। সামাজিক সচেতনতা, অধ্যয়ন, চিন্তন আৰু মনন অবিহনে আহিব নোৱাৰে। বৰ্তমান এই আটাইকেইটা দিশতে অসমীয়াসকলৰ দৈন্যতা পৰিলক্ষিত হয়।

মানৱ সভ্যতাৰ বিকাশৰ কলাময় সামাজিক অভিব্যক্তিয়েই সংস্কৃতি। সামাজিক আৰু অৰ্থনৈতিকভাৱে উন্নত সমাজতেই উন্নত মানৱ সংস্কৃতিৰ জন্ম হয়। সুস্থ ৰাজনৈতিক আৰু অৰ্থনৈতিক বাতাৱৰণতহে সভ্যতাই বিকাশ লাভ কৰিব পাৰে। সভ্যতাৰ অৰ্থই হৈছে সংস্কৃতিয়ে গঢ় লৈ উঠিব পৰা এক সুশৃঙ্খল, সংহত আৰু শান্তিপূৰ্ণ সমাজ জীৱনৰ সৃষ্টি। সমাজৰ সৃষ্টিশীল আৰু প্ৰতিভাবান শিল্পীসকলে হৃদয়ৰ কুণ্ডলিনী চক্ৰত আৰু মগজুত আলোড়ন তোলা পৰিদৃশ্যমান জগতৰ সৌন্দৰ্যৰাজি আৰু সদৃশ্য অন্তৰীক্ষৰ চিৰ মোহনীয় ৰহস্য সংস্কৃতিৰ বিভিন্ন ৰূপত প্ৰকাশ কৰে। সেই সংস্কৃতি সমাজে গ্ৰহণ কৰি সমাজ-জীৱন মহীয়ান কৰি তোলে। এই সৃজন আৰু গ্ৰহণ প্ৰক্ৰিয়াৰেই সামাজিক বিৱৰ্তন হৈ আছে। সংস্কৃতিৰ জন্ম সমাজতে হ'লেও সংস্কৃতিয়ে আকৌ সেই সমাজকে উন্নত স্তৰলৈ নিয়াত সহায় কৰে। সত্য-শিৱ, সুন্দৰৰ সাধনাৰ জৰিয়তে মানৱ জীৱনৰ ধৰ্ম, অৰ্থ, কাম, মোক্ষ— এই চাৰি পুৰুষাৰ্থ চৰিতাৰ্থ কৰা আৰু মানৱ জীৱন সুখ-শান্তি আৰু আনন্দেৰে মহীয়ান কৰি তোলে। এই মহান উদ্দেশ্য অসমীয়া সংস্কৃতেও যুগ-যুগ ধৰি সাধন কৰি আহি আজি এক গভীৰ সংকট সন্মুখীন হৈছে। যিকোনো মূল্যৰ বিনিময়তে আমি এই সংকট আঁতৰ কৰি অসমীয়া সংস্কৃতিৰ বিকাশৰ গতি প্ৰশস্ত কৰিব লাগিব। ই বৰ্তমান সময়ৰ আহ্বান।

অসমীয়া সংস্কৃতিৰ সাংগঠনিক সংকট দূৰ কৰাৰ কাৰণে অসমৰ বিভিন্ন অঞ্চলৰ জনগোষ্ঠীসমূহৰ মাজত থকা অৰ্থনৈতিক আৰু সামাজিক বৈষম্য দূৰ কৰি পৰস্পৰৰ মাজত উদ্ভৱ হোৱা বিদ্বেষ আৰু অবিশ্বাসৰ ভাৱ আতৰোৱাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অৰ্থনৈতিক বৈষম্য দূৰ কৰাৰ দায়িত্ব গণতান্ত্ৰিক চৰকাৰৰ অৰ্থনৈতিক নীতি আৰু তাৰ কাৰ্যকৰীকৰণৰ ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল। সামাজিক বৈষম্য দূৰ কৰাৰ দায়িত্ব সমাজে মূৰ পাতি ল'ব লাগিব। এই ক্ষেত্ৰত মহাপুৰুষ শঙ্কৰদেৱে দি থৈ যোৱা আদৰ্শ গ্ৰহণৰ বাহিৰে গত্যন্তৰ নাই। প্ৰায় পাঁচশ বছৰ আগতে মহাপুৰুষ শঙ্কৰদেৱে অসমৰ বিভিন্ন জাতি-উপজাতিক সামৰি উচ্চ-নীচচ ভেদভাৱ আঁতৰাই এটি সু-সংহত আৰু ঐক্যবদ্ধ অসমীয়া জাতি আৰু এখন বৃহৎ সাম্যবাদী অসমীয়া সমাজ গঢ়াৰ বুনিয়াদ ৰচনা কৰিছিল। আমি সকলোৱে উপলব্ধি কৰা উচিত যে জাত্যাভিমানৰ ভুৱা ভেমে পৰস্পৰৰ মাজত বিদ্বেষ আৰু তিক্ততাৰ সৃষ্টি কৰে। সেয়ে অসমত বসবাস কৰা সমূহ জাতি-উপজাতিৰ মাজত সংহতি আৰু সমন্বয় স্থাপন কৰিবলৈ হ'লে মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰদত্ত সামাজিক আদৰ্শ গ্ৰহণ কৰিবই লাগিব।

অসমৰ সংস্কৃতিৰ গুণগত সংকট আঁতৰোৱাৰ বাবে সামাজিক সচেতনতা আৰু কলা-সংস্কৃতিৰ মানদণ্ড উন্নতকৰণৰ বাবে পদ্ধতিগত ব্যৱস্থাৰ প্ৰয়োজন। উদাহৰণস্বৰূপে বিহু নৃত্য-গীত অথবা শঙ্কৰী সংস্কৃতিৰ অন্তৰ্গত বৰগীত, নৃত্য-ভাওনা আদিৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। প্ৰশিক্ষকসকলৰ অৰ্হতাৰ মানদণ্ড কি হ'ব তাকো নিৰ্দ্ধাৰণ কৰি দিব লাগিব। এই দিশত চৰকাৰৰ সাংস্কৃতিক বিভাগ, স্বেচ্ছাসেৱী অনুষ্ঠান আৰু সচেতন ৰাইজে সমানে দায়িত্ব বহন কৰা উচিত। কেৱল ৰাজনীতি কৰা কেইগৰাকীমান ব্যক্তিৰ ওপৰতেই এটা জাতিৰ সংস্কৃতিৰ বৰ্তমান আৰু ভৱিষ্যত নিৰ্ভৰ নকৰে। ৰাজনীতিক সকলক সৰ্বজ্ঞ আৰু শিক্ষা, সংস্কৃতিৰ বিশেষজ্ঞৰূপে পৰিগণিত কৰাৰ মানসিকতা দূৰ কৰি সমাজৰ প্ৰতিজন সচেতন ব্যক্তিয়েই সাংস্কৃতিক বিকাশৰ দায়িত্ব বহন কৰিবলৈ আগবাঢ়ি অহা প্ৰয়োজন।

অতি সাম্প্ৰতিক কালত বিভিন্ন জাতি-গোষ্ঠীসমূহৰ মাজত গা-কৰি উঠা বিচ্ছিন্নতাবাদী চিন্তাধাৰাই অসমীয়া সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ আৰু অধিক সংকট নমাই আনিছে। অসমৰ জাতি-গোষ্ঠীসমূহক প্ৰতিনিধিত্ব কৰা বিভিন্ন ছাত্ৰ সংগঠন বা ৰাজনৈতিক সংগঠনে ইতিমধ্যে খণ্ড-বিখণ্ডিত হোৱা অৱশিষ্ট অসম ৰাজ্যখন পুনৰ ভাগ ভাগ কৰি কেইবাখন ৰাজ্য গঠনৰ দাবীত উত্তল আন্দোলন চলাই আছে। জাতি-গোষ্ঠীসমূহৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু অৰ্থনৈতিক বিকাশৰ শ্লোগান সন্মুখত ৰাখি সংগঠনসমূহে আন্দোলন চলাই আছে যদিও এই দাবীসমূহৰ মূল উদ্দেশ্য যে ৰাজনৈকি মুনাফা আদায় কৰা এই কথা সকলো চিন্তাশীল লোকেই সহজে বুজিব পাৰে। স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ জনপ্ৰিয় গণতান্ত্ৰিক চৰকাৰে ভাষাৰ ভিত্তিত ৰাজ্যসমূহৰ পুণৰ গঠন কৰাৰ যি নীতি গ্ৰহণ কৰিছিল, সেই নীতি যে ত্ৰুটিপূৰ্ণ আছিল ইতিহাসে তাক প্ৰমাণ কৰিছে। বিভিন্ন ধৰ্ম সম্প্ৰদায়, ভাষা-ভাষী, জাতি-গোষ্ঠীসমূহৰ মিলনভূমি ভাৰতবৰ্ষত ভাষাৰ ভিত্তিত ৰাজ্য গঠন প্ৰক্ৰিয়া আৰম্ভ কৰোঁতেই বিভেদৰ বীজ ৰোপিত হৈছিল আৰু পৰৱৰ্তী কালত ভাৰতবৰ্ষৰ ভিন-ভিন প্ৰান্তত গোষ্ঠীগত চিন্তা-চেতনাৰ পাকচক্ৰত বিচ্ছিন্নতাবাদী চিন্তাধাৰাই গা কৰি উঠে। অসমো তাৰ ব্যতিক্ৰম নহয়। সাম্প্ৰতিক কালত অসমত সংঘটিত হৈ থকা বিচ্ছিন্নতাবাদী ৰাজনৈতিক আন্দোলনসমূহে অসমৰ বাবে ৰহণীয়া সামাজিক আৰু সাংস্কৃতিক জগতখনলৈ গভীৰ সংকট নমাই আনিছে। শঙ্কৰ-মাধৱ, আজানপীৰ, মহামাণিক্য, চ্যকাফাৰ দেশ অসমৰ বিভিন্ন জাতি-গোষ্ঠী সমূহৰ মাজত প্ৰেম-ভাতৃত্ব-সৌহাৰ্দ্য আৰু আস্থা-বিশ্বাসৰ ভাৱ পুনৰ গঢ়ি তুলি সমন্বয়ৰ মহামন্ত্ৰৰে সকলোকে অনুপ্ৰাণিত কৰিব পাৰিলেহে বৃহত্তৰ অসমীয়া মহাজাতিৰ কল্যাণ সাধন হ'ব আৰু আমাৰ বাবে ৰহণীয়া সংস্কৃতিৰ বিজয় ধ্বজা আকাশত উৰিব।❑

# বিশ্বৰ প্ৰেক্ষাপটত জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ

[illegible]

শ্ৰীমন্ত শঙ্কৰদেৱ ভৱিষ্যদ্ৰষ্টা, মানৱ প্ৰেমিক, সৰ্বগুণাকৰ কালজয়ী মহামানৱ আছিল। তাৰাই সময়তকৈ বহু আগতে বিশেষকৈ অসম মুলুকত জন্মগ্ৰহণ কৰা কাৰণে বহিৰ্জগতত একেবাৰেই প্ৰচাৰ নাপালে। তাৰা কেৱল ধৰ্ম প্ৰচাৰতেই নাছিল, তাৰা একাধাৰে কবি, সাহিত্যিক, পণ্ডিত, নাট্যকাৰ, নৃত্য-বিশাৰদ, বাদ্য-বিশাৰদ, সমাজসেৱক, সমাজসংগঠক আৰু সংস্কাৰক, সংস্কৃতিৰ শ্ৰষ্টা ইত্যাদি ইত্যাদি। তাৰা নাছিল কি ! মুঠতে তাৰা আছিল সৰ্বগুণাকৰ। তেৰাৰ প্ৰপন্ন শিষ্য আৰু সোঁহাতস্বৰূপ মাধৱ পুৰুষে সঠিকভাৱেই এই অভিক্ষাৰে তাৰাক অলঙ্কৃত কৰি থৈ গৈছে। পৃথিৱীৰ ধৰ্মপ্ৰচাৰকসকলৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেৱেই একমাত্ৰ পুৰুষ, যিজনৰ জীৱনত বহু গুণৰ সমাহাৰ ঘটিছিল। পৃথিৱীত শ্বেক্সপীয়েৰক বোধকৰো নজনা মানুহ নাই। তেখেত এজন পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ। সেই শ্বেক্সপীয়েৰতকৈয়ো বহু আগতে শঙ্কৰদেৱে নাট ৰচনা কৰি কাললৈ খ্যাতি ৰাখি থৈ গৈছে। তাৰাই ১৯ বছৰ বয়সতে ১৪৬৮ চনত 'চিহ্নযাত্ৰা' শীৰ্ষক এখনি চিত্ৰনাট্য ৰচনা কৰি তাত বৈকুণ্ঠৰ পট ফাঁকি 'ভাওনা' প্ৰদৰ্শন কৰি এক নাট্য আন্দোলনৰ সূচনা কৰিলে। এনে নাট্য প্ৰদৰ্শন পৃথিৱীতে বিৰল আছিল। ১৫৬৪ চনৰ ২৩ এপ্ৰিলত জন্ম গ্ৰহণ কৰা শ্বেক্সপীয়েৰ শঙ্কৰদেৱতকৈ প্ৰায় ১১৫ বছৰ সৰু আছিল। এনে এজন শঙ্কৰদেৱক পোনপ্ৰথম ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই মণিকূটৰ পৰা বাহিৰলৈ উলিয়াই আনিছিল। ইয়াৰদ্বাৰাই অসমীয়া জাতীয় জীৱন বিশেষকৈ সংস্কৃতিক জীৱন চহকী হ'ল।

অসমীয়া মানুহ যে জাতীয় ঐতিহ্য, সংস্কৃতিৰ প্ৰতি সচেতন বা জ্ঞাত নহয়। এই কথা বেজবৰুৱাই তাহানিতে ক্ষোভেৰে কৈ গৈছে— "আমি অসমীয়া / নহও দুখীয়া / কিহৰ দুখীয়া হ'ম / সকলো আছিল / সকলো আছে / নুবুজো নলওঁ গম।" এতিয়া অৱশ্যে সময়ৰ বোকোচাত উটি অসমীয়া মানুহ সচেতন হ'বলৈ ধৰিছে আৰু শঙ্কৰদেৱক জগত সভালৈ লৈ যোৱাৰ প্ৰচেষ্টা চলিছে। এই ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ সঞ্জই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ নিচিনা জগতগুৰু থাকোতে আমাৰ বহুতো বাহিৰত গুৰু বিচাৰি হাবাথুৰি খায় আৰু বাহিৰৰ গুৰুকহে বেছি পচন্দ কৰে। আমি নিজে নিজক চিনি নোপোৱাৰ বাবেই এনেবোৰ ঘটনা ঘটিবলৈ পাইছে। এইক্ষেত্ৰতো বেজবৰুৱাই ব্যঙ্গ কৰি খেদ প্ৰকাশ কৰি গৈছে। — "গুৰু লাগে মোক / শিক্ষিত শিষ্য / জগতত জাননী দিলো / জগতৰ গুৰু / শঙ্কৰ ঘৰতেই / অন্ধ নাই নিচিনিলো।"

শ্ৰীমন্ত শঙ্কৰদেৱে 'একশৰণ হৰিনাম ধৰ্ম' প্ৰৱৰ্তন কৰি শান্তি-সম্প্ৰীতি মানৱ প্ৰেমৰ যোগেদি জগতত এখন সুস্থ-সৰল সমাজ গঢ়াৰ সপোন দেখিছিল। য'ত নাথাকিব হিংসা-দ্বেষ, অসূয়া-অপ্ৰীতি, অনাচাৰ-ব্যভিচাৰ, উচ্চ-নীচচ, জাত-পাতৰ বিচাৰ। তাৰাই সমাজত সমতা স্থাপন কৰি এখন সুষম সমাজ সঢ়াৰ চেষ্টা কৰিছিল। প্ৰথম পদক্ষেপ হিচাপে তাৰাৰ জন্মস্থান নগাঁৱৰ বৰদোৱাত নামঘৰ প্ৰতিষ্ঠা কৰি 'একশৰণ হৰিনাম ধৰ্ম'ৰ প্ৰচাৰ-প্ৰসাৰ আৰম্ভ কৰিছিল। তাৰ পিছত বিভিন্ন জনগোষ্ঠীৰ লোকক শৰণ দি তেৰাৰ ধৰ্মত দীক্ষিত কৰিছিল। যাৰ ফলত সমাজত একতা আৰু ভাতৃত্ববোধ জাগ্ৰত হৈছিল। তেৰাৰ ধৰ্ম গ্ৰহণ কৰা সকলৰ ভিতৰত গাৰোৰ গোবিন্দ, মিচিঙৰ পৰমানন্দ, ভোটৰ দামোদৰ, নগাৰ নৰোত্তম, কৈৱৰ্তৰ পূৰ্ণানন্দ, বণিয়াৰ হৰিদাস, কাৰ্বিৰ জয়হৰি, মুছলমানৰ চান্দসাঁই আদিয়েই প্ৰধান আছিল। তাৰাই হৰিনাম ধৰ্মৰ যি বীজ ৰোপণ কৰিছিল, সি এতিয়া বটবৃক্ষত পৰিণত হ'ব ধৰিছে।

হিন্দু ধৰ্মত অসংখ্য দেৱ-দেৱী আছে। শঙ্কৰদেৱে দেখিলে যে নানা দেৱ-দেৱীক পূজা-পাতল কৰি মানুহবোৰ বহুধা-বিভক্ত আৰু ভোগবাদী হৈ পৰিছে আৰু কিছু কিছু ক্ষেত্ৰত সমাজত ব্যভিচাৰো ঘটিছে। স্বৰ্গসুখ আশা কৰি মানুহবোৰে দেৱ-দেৱীলৈ বলি আগবঢ়াই অসংখ্য জীৱজন্তু হত্যা কৰি সুখ ভোগৰ আশাত মতলীয়া হৈ পৰিছে আৰু পাপত লিপ্ত হৈ পৰিছে। কিন্তু তেওঁলোকে নিজৰ হৃদয়ত থকা পশুবোৰক বলিদান দিব পৰা নাই তাৰ ফলত তেওঁলোক সাত্বিক গুণৰ অধিকাৰী হোৱাতকৈ তামসিক আৰু ৰাজসিক গুণতহে বেছি প্ৰবল হৈছে যি সমাজত বিশৃংখলাৰ সৃষ্টি কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত শঙ্কৰদেৱে জগতৰ জীৱবোৰৰ মঙ্গল কামনা কৰি 'একশৰণ হৰিনাম ধৰ্ম' প্ৰৱৰ্তন কৰিলে আৰু দৈৱকী নন্দন শ্ৰীকৃষ্ণক ভগৱানৰূপে ঘোষণা কৰিলে যিহেতু কৃষ্ণস্তো ভগৱান স্বয়ং।' "ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দ বিগ্ৰহঃ। অনাদিৰাদি গোবিন্দঃ সৰ্বকাৰণ কাৰুণম।।" (ব্ৰহ্ম সংহিতা)। অৰ্থাৎ গোবিন্দ কৃষ্ণই পৰম ঈশ্বৰ, সৎ চিৎ আৰু আনন্দময় মূৰ্তিৰ ৰূপ। আদি-অন্ত কাৰণ তেৱেঁই, সকলো কাৰণৰো কাৰণ তেৱেই কলিৰ ধৰ্ম হৰিনাম। নাম বিনে গতি নাই।

শঙ্কৰদেৱে এক বিজ্ঞানসন্মত অথচ মহৎ তাৎপৰ্যপূৰ্ণ আৰু শাস্ত্ৰবিহিত এক অকাট্য যুক্তিৰে সমাজক বুজাই দিলে যে—

"যথা তৰোমূৰ্ল নিষেচনেন।
তৃপ্যন্তি তৎস্কন্ধ ভূজোপশাখাঃ ।।
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়ানাং।
তথাচ সৰ্বাচনমুচ্যতেভ্যঃ।।" — ভাগৱত

অৰ্থাৎ গছৰ গুৰিত পানী দিলে ডাল-পাত আৰু ফল-মূলেও তৃপ্তি পায়; মূলত নিদি ডালে-পাতে দিলে এনে নহয়, ক্ৰমে নিস্তেজ হৈহে পৰে। ক্ষুধাতুৰ লোকে ভোজন কৰিলে সকলো ইন্দ্ৰিয় তৃপ্ত হয়। কিন্তু ভোজন নকৰি যদি কেৱল বসনভূষণহে পিন্ধে তাত ইন্দ্ৰিয়ৰ তৃপ্তি নহয়। গতিকে কৃষ্ণক পূজা বা ভজিলেই সকলো দেৱ-দেৱীৰ তৃপ্তি হয়। প্ৰবৃত্তি মাৰ্গতকৈ যে নিবৃত্তি মাৰ্গ শ্ৰেষ্ঠ আৰু সুগম এই কথা শঙ্কৰদেৱে ভাগৱতৰ উক্ত শ্লোকটোৰ দ্বাৰা প্ৰমাণ কৰি দেখুৱালে। উল্লেখনীয় যে তাৰাৰ এই যুক্তিৰ আগত তৰ্কযুদ্ধত মাধৱদেৱে হাৰ মানিছিল আৰু লগে লগে গুৰুজনাৰ শৰণাপন্ন হৈছিল। শঙ্কৰ-মাধৱৰ সেই মিলনকে 'মণিকাঞ্চন' সংযোগ বুলি কোৱা হয়।

শ্ৰীমন্ত শঙ্কৰ গুৰুজনাই হৰিনাম ধৰ্ম প্ৰচাৰৰ যোগেদি আমাৰ যিবোৰ মহৎ বাণী দি গ'ল, সেইবোৰ দেশ-বিদেশত প্ৰচাৰৰ ব্যৱস্থা কৰিব পাৰিলে নিশ্চয় গুৰুজনাক বিশ্ব সভাত যোগ্য স্থানত প্ৰতিষ্ঠা কৰিব পৰা যাব। তেৰাই প্ৰচাৰ কৰা বাণীবোৰ আচলতে বিশ্বজনীন ভ্ৰাতৃত্ববোধ-প্ৰেম-কৰুণাৰে ভৰপূৰ। বিশ্ব মানৱৰ বাবেই কল্যাণকৰ, উপযোগী। মহৎ বাণীবোৰৰ কিছু তলত উদ্ধৃত কৰা হ'ল—

(১) কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।
(২) বিষ্ণুময় দেখৈ যিটো সমস্তে জগত।
জীৱন্তে মুকুত হোৱৈ অচিৰ কালত।।
(৩) সমস্ত ভূততে দেখিবেক নাৰায়ণ।
আতপৰে আন ধৰ্ম সবে বিড়ম্বন।।
(৪) শত্ৰু-মিত্ৰ সব কৰিও সম।
এহিসে কৃষ্ণৰ ভক্তি উত্তম।।
(৫) সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।
(৬) ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাঁতত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেহে পণ্ডিত বুলিয় সৰ্বজন।।
(৭) বিশেষত মনুষ্যগণত যিটো নৰে।
বিষ্ণুবুদ্ধিভাৱে সৰ্বদায়ে মান কৰে।।
ঈৰিয়া অসূয়া তিৰস্কাৰ অহঙ্কাৰ।
সৱে নষ্ট হোৱৈ তেৱে তাৰক্ষণে তাৰ।
(৮) নামেসে পৰম ধৰ্ম কলিত।
নামেসে মৰণ সম্বল বিত।।
(৯) সিবা নিহিং কদাচিতো পৰ ধৰ্মক।।

ইমানদিনে গুৰুজনাৰ এই মহৎ বাণীবোৰ আমাৰ মাজতে সীমাবদ্ধ হৈ থকাৰ হেতু তেৰাই প্ৰচাৰ পোৱা নাই। এই বাণীবোৰ ইংৰাজী বা দেশী-বিদেশী বিভিন্ন ভাষালৈ অনুবাদ কৰি বিশ্বত প্ৰচাৰৰ ব্যৱস্থা কৰিব পাৰিলে নিশ্চয় বিশ্ববাসীয়ে শ্ৰীমন্ত শঙ্কৰদেৱক জানিবলৈ সক্ষম হ'ব আৰু যদি সদ্যহতে কীৰ্তন-ঘোষা আৰু নাম-ঘোষা ইংৰাজীকে প্ৰমুখ্য কৰি বিদেশী ভাষালৈ অনুবাদ কৰা যায়। ইয়াৰ ৰস আস্বাদন কৰি বিভিন্ন দেশৰ ৰসিকসকল নিশ্চয় উপকৃত হ'ব। এইক্ষেত্ৰত আমাৰ বুদ্ধিজীৱী, সাহিত্যিক, পণ্ডিতসকলে মুখ্য ভূমিকা ল'ব লাগিব। তেখেতসকলে গুৰুজনাৰ মহৎ বাণীবোৰ আৰু তাৰাৰ বচা বচা সৃষ্টিসমূহ বিভিন্ন ভাষালৈ অনূদিত কৰাৰ ব্যৱস্থা কৰিব লাগিব। আজি-কালি 'ইণ্টাৰনেট'ৰ যুগত এনেবোৰ কাম সহজ হৈ পৰিছে।

জগতৰ সমগ্ৰ মানৱৰ কল্যাণ চিন্তা কৰিয়ে তাৰাই কৈ গৈছে— 'ওবা নৰলোক হৰি ভজিয়োক।' গতিকে আমি যদি উপৰোক্ত মিছন কাৰ্যকৰী কৰিব পাৰো, শ্ৰীমন্ত শঙ্কৰদেৱক 'জগতগুৰু' হিচাপে বিশ্বত দাঙি ধৰিব পাৰিম।❑

# শিশুৰ চৰিত্ৰ গঠনত অভিভাৱকৰ ভূমিকা

**নৰেন্দ্ৰনাথ ডেকা**

জগতৰ সকলো প্ৰাণীয়ে সদায় অনুকৰণ কৰিয়েই শিক্ষা লাভ কৰে। বিশেষকৈ মানৱ শিশুৱে নিজৰ পৰিয়ালৰ লোক আৰু লগৰ সংগৰ পৰা অনুকৰণ কৰে আৰু শিকে। কাৰণ ঘৰখনেই হ'ল শিশুৰ শিক্ষাৰ মূল ঠাই বুলি কথা এটা আছে, ইয়াৰ অৰ্থ— শিশুৱে পঢ়াশালিত যি শিক্ষা পায় তাৰে অনুষ্ঠান হ'ব লাগে ঘৰত কাৰণ সি দিন-ৰাতিৰ ভিতৰত অধিক সময় ঘৰততে কটায়। আন কথাত ক'ব লাগিলে ঘৰৰ কাজ-কৰ্ম, ব্যৱস্থাৰ আদি সকলো বিদ্যালয়ৰ আদৰ্শ হ'ব লাগে, ল'ৰাই যি শিকে তাক সি ঘৰত দেখিবলৈ পাব লাগে। তাৰ সামান্য লৰচৰ হ'লেও সেয়ে শিশু মনৰ ধাৰণা বিকাশত জটিলতা আৰু অসৎ ভাৱৰ সৃষ্টি হয়। সেয়ে গছৰ পুলিটোক সজাল কৰি তুলিবলৈ হ'লে উপযুক্তভাৱে সাৰ-পানী দিলে সি নিশ্চয় ভৱিষ্যতলৈ সুফল দিব। গতিকে পিতৃ-মাতৃ তথা অভিভাৱকৰ দায়িত্ব ও কৰ্তব্য অপৰিসীম। কাৰণ এজন ব্যক্তিৰ সফলতাৰ মূলমন্ত্ৰই হ'ল ব্যক্তিত্ব। শিশু আৰু কৈশোৰ অৱস্থাত তথা ব্যক্তিত্ব গঠনৰ সময় ছোৱাত যদি পিতৃ-মাতৃ তথা অভিভাৱকসকলে চকু নিদিয়ে তেনেহ'লে ব্যক্তিত্ব বা চৰিত্ৰ গঠনত নেতিবাচক প্ৰভাৱ পুৰামাত্ৰাই পৰিব।

চৰিত্ৰ মানুহৰ অমূল্য ধন। ইয়াক যত্ন কৰি গঢ়িব লাগে আৰু সাৱধানে ৰক্ষা কৰিব লাগে। ধন-সম্পত্তি আৰু আহে আৰু যায়, কিন্তু চৰিত্ৰ এবাৰ বেয়া পথলৈ গলে তাক পুনৰ ফিৰাই অনাটো বৰ টান হৈ পৰে। ধনত যিজনে দুখীয়া দৰাচলতে তেওঁ দুখীয়া নহয়। কিন্তু যিজন চৰিত্ৰহীন সেইজনহে প্ৰকৃততে দৰিদ্ৰ আৰু দুৰ্ভগীয়া। ইংৰাজীত এষাৰ কথা আছে— "If wealth is lost, nothing is lost, if health is lost something is lost, if character is lost everything is lost."

স্বভাৱ আৰু সৎ বাতাৱৰণে মানুহৰ চৰিত্ৰ গঠনত বিশেষকৈ কোমল মতীয়া লৰা-ছোৱালীৰ চৰিত্ৰ গঠনত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে, সেয়েহে সামাজিক আৰু পাৰিবাৰিক বাতাবৰণ ভালদৰে গঢ় দিয়াৰ পিতৃ-মাতৃ-শিক্ষক-ধৰ্মৰ জ্ঞান দিওঁতা আৰু দেশৰ মুখিয়ালসকলোৰে প্ৰধান কৰ্তব্য। ভাল পৰিবেশত উঠি অহা ল'ৰা-ছোৱালীবিলাকৰ সজ চৰিত্ৰ গঠন হয় আৰু অপসংস্কৃতি লোপ পায় আৰু দেশত শান্তি বিৰাজ কৰে। কিন্তু এই ক্ষেত্ৰত অভিভাৱকসকলে দোষ-গুণ যিহেতু সংগীৰ পৰা আহে, সেই ক্ষেত্ৰত সংগী বিচাৰোতে বা বন্ধুত্ব কৰোতে সাৱধানে বিচৰা উচিত। তদুপৰি মনত ৰাখিব লাগে লেখকৰ গ্ৰন্থবোৰো লৰা-ছোৱালীৰ সংগীৰ ভিতৰত পৰে, এতেকে সৎ গ্ৰন্থহে পাঠ কৰিব লাগে।

(১২ পৃষ্ঠাত চাওক)

## মিছাতে পাইলন্ত কৃষ্ণে

(৩ পৃষ্ঠাৰ পৰা)

সকাম কৰ্মৰ যোগেদি পোৱা লব্ধৰ বস্তুও সদায়েই ক্ষণস্থায়ী। ইয়াৰ শক্তি বা মহিমা লোপ পায়। সত্ৰাজিতৰ ইয়াত লেখমানো ঈশ্বৰ জ্ঞান নাই।

"সু-মঙ্গলে অমঙ্গল হৰে কৃষ্ণ বিনে।
অমঙ্গলে সু-মঙ্গল কৃষ্ণৰ কীৰ্ত্তনে।।
সৰ্ব্ব বিঘ্নি চুৰ কৰে কৃষ্ণৰ কীৰ্ত্তনে।
তাক নমনিয়া দুখ ভুঞ্জে মূঢ় লৰে।।"-ভাগৱত

সত্ৰাজিতে দিয়া মণিটো ভ্ৰাতৃ প্ৰসেণে ডিঙিত পিন্ধি চিকাৰ কৰিবলৈ বনত সোমাল। ঘোঁৰাত উঠি বনত ঘূৰি ফুৰোতে এটা প্ৰকাণ্ড সিংহৰ সন্মুখীন হ'ল। সিংহটোৱে মণিটোৰ লোভত প্ৰসেন ও ঘোঁৰা দুয়োকে মাৰি মণিটো লৈ গ'ল। যাওঁতে সন্মুখত লগ পালে ঋক্ষৰাজ জাম্বৱন্তক। সূৰ্যৰ দৰে উজ্বল মণিটো দেখি সিংহটো মাৰি জাম্বৱন্তে মণিটো নি বাসগৃহত থকা সুকুমাৰক খেলিবলৈ দিলে। এতিয়া দেখা গ'ল যে কণ্ঠত স্যমন্তক মণি পিন্ধি ফুৰা প্ৰসেন ও মৰিল, ঘোঁৰা ও মৰিল আনকি বনৰ ৰজা সিংহও মৰিল। তেন্তে ইমান মহিমা থকা স্যমন্তক মণিয়ে কাম নকৰিলে কিয়? ক'ত গ'ল দেৱতাৰ আৰাধনা কৰি পোৱা স্যমন্তক মণিৰ মহিমা? উত্তৰত ক'ব পাৰি যে পৱিত্ৰভাৱে স্যমন্তক মণি কণ্ঠত ধাৰণ কৰিলেহে উত্তম ফল পোৱা যায়। অন্যথা অশুদ্ধভাৱে ইয়াক ধাৰণ কৰিলে সেই মণিয়ে ধাৰণ কৰোতা জনৰ মৃত্যুৰহে কাৰণ হয়। প্ৰসেনৰ মনত আছিল অহংকাৰ ভাৰ। তেওঁ ভাৱিছিল স্যমন্তক মণি তেওঁ ধাৰণ কৰিছে যেতিয়া কাৰ সাধ্য আছে তেওঁক মাৰিবলৈ। অহংকাৰৰ কাৰণেই ৰাৱণৰ সোণৰ লঙ্কা চাৰখাৰ হৈছিল। সিংহটো মৰিল স্যমন্তক মণিৰ লোভত। লোভেই পাপ, পাপেই মৃত্যু। কাম, ক্ৰোধ ও লোভৰ কাৰণেই আজি পৃথিৱীত দুৰ্নীতি, ধৰ্ষণ ও অপহৰণৰ নিচিনা জঘণ্য কামবোৰ হ'ব ধৰিছে।

ইফালে বনলৈ চিকাৰ কৰিবলৈ যোৱা ভায়েক প্ৰসেন ঘৰলৈ উভটি নোযোৱাত সত্ৰাজিতৰ সন্দেহ হ'ল। প্ৰসেন বনলৈ যোৱা বহুদিন হ'ল। নিশ্চয় কৃষ্ণই বনৰ মাজত প্ৰসেনক অকলে পাই বধ কৰি স্যমন্তক মণিটো কাটি লৈ গ'ল। এদিন কৃষ্ণই মোৰপৰা মণিটো খুজি ৰজা উগ্ৰসেনক দিবলৈ কৈছিল। মই নিদিলো। সেই আক্ৰোশতে মোৰ ভাই প্ৰসেনক মাৰি কৃষ্ণই স্যমন্তক মণিটো লৈ গ'ল। কথাটো চাৰিওপিনে বিয়পি পৰিল আৰু ইকাণে-সিকাণে গৈ এদিন কৃষ্ণৰ কাণতো পৰিলগৈ। কৃষ্ণই মনত বৰ দুঃখ পালে আৰু ভাবিলে—"মিছাতে মই এই দাৰুণ কলঙ্ক পালোঁ।" সত্যৰ উদ্‌ঘাটন কৰিবলৈ কৃষ্ণ বনৰ মাজত প্ৰৱেশ কৰিলে। কিছু দূৰ যোৱাৰ পিছত কৃষ্ণই দেখা পালে বনৰ মাজত প্ৰসেন আৰু ঘোঁৰা দুয়ো মৰি আছে। কিন্তু স্যমন্তক মণিটো তাত নাই। সিংহৰ খোজ দেখি সন্দেহ হ'ল, প্ৰসেন আৰু ঘোঁৰাক মাৰি সিংহই মণিটো লৈ গ'ল। সিংহৰ খোজে খোজে কিছু দূৰ গৈ দেখা পালে ভালুকৰ খোজ। ভাবিলে ভালুকে নিশ্চয় সিংহটো মাৰি মণিটো লৈ গৈছে। এইবাৰ ভালুকৰ খোজে খোজে গৈ পালে পৰ্বতত এটা প্ৰকাণ্ড গাঁত। লগত যোৱা সৈনিকসকলক তাতে ৰাখি গাঁতৰ ভিতৰলৈ কৃষ্ণ সোমাই গ'ল। ই এটা প্ৰকাণ্ড গুহা (cave), অন্ধকাৰময়। অলপ যোৱাৰ পিছত দেখা পালে সূৰ্যৰ দৰে এটা পোহৰ। এই পোহৰ বিকিৰণ হৈছে সেই স্যমন্তক মণিৰ পৰা। মণিটোলৈ এটি শিশুৱে খেলি আছে। লগত আছে এগৰাকী ধাই। কৃষ্ণক দেখি ধাই গৰাকীয়ে মণিটো কাঢ়ি নিয়ে বুলি চিঞৰ মাৰি দিলে। কিবা অথন্তৰ ঘটিল বুলি ঋক্ষৰাজ জাম্বৱন্তই ওলাই আহি কৃষ্ণৰ লগত যুদ্ধ দিলে। ভীষণ যুঁজ। ৰাম ভক্ত জাম্বৱন্ত আৰু ভগৱত কৃষ্ণৰ যুঁজ এইখন। সম্পূৰ্ণ আঁঠাইশ দিন চলিল এই যুদ্ধ। কোনো জয়-পৰাজয় হোৱা নাই।

"দুইকো দুইৰ নাহি তুষ্টি।
সানে বজ্ৰসম মুষ্টি।।
মাংসৰ কাৰণে যেন।
যুজন্ত দুই গোটা শেন।।"—কীৰ্ত্তন

জাম্বৱন্ত প্ৰকৃততে এগৰাকী ৰাম-ভক্ত। ত্ৰেতা যুগত সীতা হৰণৰ কামত তেৱেঁই লঙ্কাৰ ৰজা ৰাৱণৰ বিৰুদ্ধে যুদ্ধ কৰি ৰামক সহায় কৰিছিল। সেই ৰামেই এতিয়া দ্বাপৰৰ শেষত, কলি যুগৰ প্ৰাৰম্ভণিত পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণ। মনুষ্যৰ ৰূপত থকাৰ কাৰণে জাম্বৱন্তই কৃষ্ণক ভগৱন্ত বুলি চিনি পোৱা নাই। সাংসাৰিক জাম্বৱন্তক কাম, ক্ৰোধ, লোভ, মোহে হৃদয়ত প্ৰৱেশ কৰি জাম্বৱন্তৰ পৰমাৰ্থিক পথ অৱৰোধ কৰি ৰাখিছে। কিন্তু ভগৱন্তৰ ভকতক লোভে, মোহে, কামে, ক্ৰোধে একো কৰিব নোৱাৰে। যথা—

"লোভে, মোহে, ক্ৰোধে বিষয় আক্ৰোশে।
নোছোৱয় মোৰ ভকতক একো দোষে।।"
— ভাগৱত

ভগৱন্ত ও ভকতৰ পিছে পিছেহে থাকে। ভকতক ভগৱন্তই কাহানিও এৰা নিদিয়ে।

আঠাইশ দিন যুদ্ধ কৰাৰ পাছত কৃষ্ণৰ হাতত জাম্বৱন্ত পৰাস্ত হ'ল। তেওঁৰ মনত কোনো গৰ্ব্ব, অহংকাৰ বা হিংসাৰ ভাব নাই। তেওঁ এজন পৰম ঈশ্বৰ ভক্ত। সৎ গুণ সম্পন্ন সাত্বিক গুণে তেওঁক ভাবিবলৈ বাধ্য কৰালে যে ব্ৰহ্মা, ইন্দ্ৰ, যক্ষ ও গন্ধৰ্ব্ব আদি কোনেও তেওঁক পৰাস্ত কৰিব নোৱাৰে। প্ৰভু ভগৱন্তৰ সমান শক্তিবান কোনেও হ'ব নোৱাৰে। সেয়ে জাম্বৱন্তই ভাবিলে যে মোৰ লগত যুদ্ধ কৰা এইজন সামান্য মানুহ হ'বই নোৱাৰে। এওঁ নিশ্চয় ত্ৰেতা যুগৰ তেওঁৰ সেব্য 'ৰাম'। সেই যুগৰ ৰামেই এতিয়া এই মানুহজন শ্ৰীকৃষ্ণ। সেয়ে জাম্বৱন্তই এই কৃষ্ণ নামৰ মানুহজনকেই 'ৰাম' বুলি জ্ঞান কৰি কৃষ্ণৰ চৰণত প্ৰণাম জনাই কৈছিল—হে প্ৰভু কৃষ্ণক তুমি মোক ক্ষমা কৰা। মই মহা পাপী। মই নাজানিহে তোমাৰ লগত যুদ্ধ কৰিলো। তুমি মোক এবাৰ দৰ্শন দিয়া।

"আগে নিচিনিলো এবেসে জানিলো
তেন্তে তুমি শ্ৰীৰাম।
অজ্ঞানীক মোক প্ৰভু ক্ষমিয়োক
চৰণে কৰো প্ৰণাম।।"
—কীৰ্ত্তন

কৃষ্ণই এটি মৃদু হাঁহিৰে কলে—"হয়, ময়েই ত্ৰেতা যুগৰ ৰাম। তেতিয়া সীতা হৰণত তুমি মোক সহায় কৰিছিলা। এতিয়া মই এই যুগত পূৰ্ণ অৱতাৰ কৃষ্ণ হৈ তোমাৰ ওচৰলৈ আহিছো। মোক এই স্যমন্তক মণিটো দি মোক দাৰুণ কলঙ্কৰ পৰা ৰক্ষা কৰা।" সত্ৰাজিতে মই তেওঁৰ ভাতৃ প্ৰসেনক বধ কৰি তেওঁৰ ডিঙিৰ এই স্যমন্তক মণিটো চুৰি কৰি আনিছো বুলি এটা মিছা অপবাদ দিছে। এই কথাত জাম্বৱন্তৰ হৃদয় বিগলিত হ'ল আৰু মৰমৰ চিন স্বৰূপে নিজ কন্যা জাম্বৱতীক ভাৰ্য্যা হিচাবে কৃষ্ণৰ হাতত অৰ্পণ কৰিলে আৰু লগত স্যমন্ত মণিটোও যৌতুক হিচাবে দিলে।

জাম্বৱতী আৰু মণিটো লৈ কৃষ্ণ দ্বাৰকা পালেগৈ পিতৃ-মাতৃও দ্বাৰকাবাসীয়ে ইমান দিনৰ মূৰত কৃষ্ণক পাই মহা আনন্দ পালে। ঋক্ষৰাজ জাম্বৱন্তৰ গৃহত কেনেকৈ স্যমন্তক মণিটো বিচাৰি পালে আৰু জাম্বৱকীৰ কেনেকৈ বিবাহ কৰিলে সকলো কথা দ্বাৰকাবাসীক জনালে। সত্ৰাজিতে কৃষ্ণক মিছা অপবাদ দিয়াত লাজ-অপমান পালে। দ্বাৰকাবাসীয়ে সত্ৰাজিতক নিন্দা কৰিলেও কৃষ্ণক প্ৰসংসা কৰিলে। সকলোকে দেখুৱাই কৃষ্ণই স্যমন্তক মণিটো সত্ৰাজিতৰ হাতত অৰ্পণ কৰিলে। সত্ৰাজিতে লাজ-অপমান পাই ভয় খালে, কৃষ্ণক সন্তুষ্ট লগাবলৈ উপায় অৱলম্বনৰ কথা চিন্তা কৰিলে।

কৃষ্ণ বিমুখৰ জানো কাহানিবা সুখ আছে? লাজ-অপমানৰ পৰা লাঘব হ'বৰ কাৰণে সত্ৰাজিতে তেওঁৰ কন্যা সত্যভামাক কৃষ্ণলৈ বিবাহ দিলে। সত্যভামাক 'শতধনা নামৰ এজন দুষ্ট লোক, কৃতবৰ্মা, অক্ৰুৰে আৰু বিয়া কৰিবলৈ মন মেলিছিল। সত্ৰাজিতেও তেওঁলোকৰ কোনোবা এজনক বিয়া দিয়াৰ কথা ভাবিছিল। সত্যভামাক নেপাই শতধন্বা জ্বলিপকি উঠিল। কৃতবৰ্মা আৰু অক্ৰুৰৰ উচতনিত শতধন্বাই এদিন ৰাতি মনে মনে গৈ শোৱা পাটীতে সত্ৰাজিতক বধ কৰি স্যমন্তক মণিটো চুৰ কৰি লৈ গ'ল। পিতৃক বধ কৰা সত্যভামাই কান্দি কান্দি কৃষ্ণক জনালে। কৃষ্ণই শতধন্বাক বিচাৰি গ'ল। ভয়তে শতধন্বা পলাল। তেওঁ কৃতবৰ্মা আৰু অক্ৰুৰৰ সহায় বিচাৰিলে। কিন্তু ভগৱন্ত কৃষ্ণৰ বিৰুদ্ধে শতধন্বাক সহায় কৰিবলৈ তেওঁলোক অমান্তি হ'ল। উপায়হীন হৈ শতধন্বাই অক্ৰুৰৰ হাততে মণিটো ৰাখি পলাল। কৃষ্ণই পাছে পাছে খেদি গৈ চক্ৰেৰে শতধন্বাক শিৰচ্ছেদ কৰিলে। কিন্তু মণিটো শতধন্বাৰ লগত নাপালে। দাদাক বলোৱে এবাৰ এই মণিটো চাব খুজিছিল। শতধন্বাক বধ কৰিলে যদিও মণিটো নাপালো বুলি বলোক ক'লে। বলোৱে কথাটো বিশ্বাস নকৰে। কৃষ্ণই বলোক মিছা কথা কৈছে বুলি ভাবিলে। সেয়ে কৃষ্ণই পুনৰবাৰ বলোৰ পৰা মিছা অপবাদ পালে। পিছত মণিটো কৃষ্ণভক্ত অক্ৰুৰৰ ওচৰত আছে বুলি কৃষ্ণই জানিব পাৰিলে। বাৰানসীৰপৰা কৃষ্ণই অক্ৰুৰক মাতি পথালে। অক্ৰুৰ আহিল কৃষ্ণৰ ওচৰলৈ। বলোক বিশ্বাস জন্মাবৰ কাৰণে আৰু কৃষ্ণৰ কলঙ্ক মোচনৰ কাৰণে কৃষ্ণই মণিটো সকলোকে দেখুৱাই কৃষ্ণৰ হাতত অৰ্পণ কৰিলে। কৃষ্ণই মণিটো কাকো নিদি ভক্ত অক্ৰুৰৰ হাততে পুনৰ অৰ্পণ কৰিলে। এতিয়া পৰম ভক্ত অক্ৰুৰৰ হাতত মণিটো পৰাত প্ৰতিদিনে পোৱা সোণখিনি কৃষ্ণৰ হাতত অৰ্পণ কৰিলে। সেইদিনা ধৰি সোণখিনি কৃষ্ণৰ হাতত অৰ্পণ কৰিলে। সেইদিন ধৰি দ্বাৰকাত দুঃখ-তাপ, মাৰি-মৰক আঁতৰিবলৈ ধৰিলে। ভক্তৰ হাতত পৰি মণিৰ মহিমা প্ৰকাশ পালে।

"হেন ভগৱন্ত ঈশ্বৰ কৃষ্ণৰ
মহিমা ইটো প্ৰধান।
সৰ্ব্ব সু-মঙ্গল পাপৰ অনল
স্যমন্তক উপাখ্যান।।
যিবাজনে আক শুনে ভক্তি ভাবে
মনে স্মৰে যিটোজন।
কলঙ্কত দুষ্কৃতি তৰিয়া দুৰ্গতি
চলয় বিষ্ণু ভুৱন।।"
—ভাগৱত ❑

## ইয়াত এটা পুখুৰী আছিল

(৬ পৃষ্ঠাৰ পৰা)

আন্তৰিকতাৰে গ্ৰহণ কৰিলে। পুখুৰীটো পুতি তাৰ ওপতৰত এটা নামঘৰ প্ৰতিষ্ঠাৰ দৃঢ় সংকল্প লৈ প্ৰাথমিক শাখাৰ সংগীসকল আগবাঢ়িল। সকলোৰে সদিচ্ছাৰ ফলত আৰু গুৰুজনাৰ কৃপাত পুখুৰী পোতাৰ কাম আৰম্ভ হ'ল। এদিন মাছে জপিয়াই থকা পুখুৰীটো মাটিৰে ভৰ্ত্তি হ'ল। নামঘৰ এটা নিৰ্মাণ কৰিব পৰাকৈ মাটি ওলাল। প্ৰাথমিক শাখাৰ সংগী তথা বিষয়ববীয়াসকলৰ আশাসুধীয়া প্ৰচেষ্টাৰে নেৰানেপেৰাকৈ লাগি পোতা পুখুৰীটোৰ ওপৰত এটা নামঘৰ প্ৰতিষ্ঠাৰ সিদ্ধান্ত হ'ল। যেনে চিন্তা তেনে কাম। প্ৰথমে নামঘৰৰ মণিকূট ভাগৰ আধাৰশিলা স্থাপন কৰা হ'ল স্থায়ীভাৱে নিৰ্মাণৰ চিন্ত-চৰ্চা কৰি।

বনমালী প্ৰাথমিক শাখাৰ নামঘৰৰ মণিকূটৰ আধাৰশিলা স্থাপন হোৱাৰ পদত অস্থায়ীভাৱে হ'লেও নামঘৰ ভাগি নিৰ্মাণৰ চিন্তা কৰিলে প্ৰাথমিক শাখাৰ সংগীসকলে সকলোৱে হাতেকামে লাগিল। বিভিন্ন ব্যক্তিয়ে অতি আন্তৰিকতাৰে বনমালী প্ৰাথমিক শাখাৰ নামঘৰ নিৰ্মাণৰ কাৰণে সহায়ৰ হাত আগবঢ়ালে। ফলত এদিন পুখুৰী থকা ঠাইডোখৰত নামঘৰৰ খুটা পোতা হ'ল। ক্ৰমে ক্ৰমে বাঁহৰ খুটা আৰু টিনপাতেৰে এটা আটক ধুনীয়া নামঘৰ হ'ল মণিকূটসহ। যোৱা ১৭ আগষ্ট ২০১৩ ত অতি উৎসৱ মুখৰ পৰিৱেশত বনমালী প্ৰাথমিক শাখাৰ নিজা নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা হ'ল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন শৰণ সদস্য নবীন বৰা বাপে গুৰু আসন প্ৰতিষ্ঠা কৰাৰ পাছতে আৰম্ভ হয় নাম প্ৰসংগৰ বনমালী প্ৰাথমিক শাখাৰ নামঘৰ নিৰ্মাণৰ কাৰণে মাটি দান দিয়া লোকজনৰ নাম হ'ল ৰবীণ পূজাৰী। এটা সংস্কৃতিবান পৰিয়ালত জন্ম গ্ৰহণ কৰা ৰবীন পূজাৰী পেচাত এগৰাকী কনিষ্ঠ অধিবক্তা, এগৰাকী অনাসংঘৰ লোক হৈয়ো সংঘৰ প্ৰাথমিক শাখাৰ এটা নামঘৰ নিৰ্মাণৰ কাৰণে মাটি দান দি যি মহৎ কাম কৰিলে তাৰ কাৰণে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সদায় কৃতজ্ঞ হৈ থাকিব।

বনমালী প্ৰাথমিক শাখাৰ নামঘৰ ভাগি নিৰ্মাণ হোৱাৰ কথা জানিব পাৰি অনেক লোকে নামঘৰ ভাগিলৈ সাধ্যানুসৰি দান আগবঢ়াইছে। সেইসকলৰ প্ৰতিও প্ৰাথমিক শাখা কৃতজ্ঞা হৈ থাকিব। গোলাঘাট চহৰৰ তিনি নং ৱাৰ্ডৰ বিপিন ফুকন নগৰত প্ৰতিষ্ঠা হোৱা বনমালী প্ৰাথমিক শাখাৰ নামঘৰটোৱে অঞ্চলটোলৈ এক আধ্যাত্মিক পৰিৱেশ কঢ়িয়াই আনিব বুলি স্থানীয় লোকসকলে মত প্ৰকাশ কৰিছে। মহৎ হৃদয়ৰ লোক ৰবীন পূজাৰীয়ে তেওঁৰ পিতৃ বেণুধৰ পূজাৰীৰ সোঁৱৰণত দান দি একঠা সাতলেচা মাটিত এতিয়া এটা নামঘৰ প্ৰতিষ্ঠা হ'ল। নামঘৰটোৰ কাষত থিয় হৈ এসময়ত ইয়াত এটা পুখুৰী আছিল বুলি নষ্টালজিক হৈ পৰিব অনেক লোকে। পুখুৰীত নামি গা ধোৱা, মাছ ধৰাৰ কথা ভাবিও থমকি ৰ'ব বহুজন। 'মন কৰিলেই ছন বকৰানিতে ধন' বোলা আপ্ত বাক্যশাৰীয়ে বনমালী প্ৰাথমিক শাখাৰ সংগীসকলৰ মন উদ্বুদ্ধ কৰি তোলাৰ ফলশ্ৰুতিতেই প্ৰাথমিক শাখাই নিজাববীয়াকৈ এটা নামঘৰ নিৰ্মাণ কৰিব পাৰিলে বুলি কোৱাৰ অৱকাশ আছে।❑

# ধৰ্ম আৰু সংসাৰ

**প্ৰেমেশ্বৰ লস্কৰ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই শ্ৰীমদ্ভাগৱদ, গীতা শাস্ত্ৰ সমুদ্ৰ মন্থন কৰি এক দেৱ, এক সেৱ নিশ্চয় কৰি 'এক শৰণ', শ্ৰীমদ্ভাগৱত শাস্ত্ৰ সমুদ্ৰ মন্থন কৰি 'সৎসঙ্গ' আৰু পদ্ম পুৰাণত বিষ্ণু সহস্ৰ নামৰ পৰা 'নাম' বিচাৰি আনি সৰ্ব্বলোকৰ কল্যাণ আৰু মঙ্গলৰ কাৰণে প্ৰৱৰ্ত্তন কৰা নামধৰ্ম বা ভাগৱতী ধৰ্ম বা মহাপুৰুষীয়া ধৰ্ম ভাগৰ প্ৰভৃত নাম 'একশৰণ হৰি নাম ধৰ্ম' বুলি গুৰুজনাৰ প্ৰপন্ন শিষ্য, বঢ়াৰ পো, অভিন্ন আত্মা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে যথাৰ্থভাৱে অভিহিত কৰি 'গুৰু ভটিমা'ত ঘোষণা দিছে—

"ভকতি ভাণ্ডাৰ দ্বাৰসৱ ছোড়ি
মুকুতি কয়লি উদাস।
এক শৰণ হৰি নাম ধৰমকহু
ৰাজা কৰু পৰকাশ।।"

শৰণ শব্দৰ অৰ্থ আশ্ৰয়, ঐকান্তিক ভাৰষা, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্ত্তিত 'এক শৰণ হৰি নাম ধৰ্ম'ত শ্ৰীমদ্ভাগৱত শাস্ত্ৰ ভাগৰ ১ম স্কন্ধৰ ৩য় অধ্যায়ৰ ২৮ সংখ্যক শ্লোকত "কৃষ্ণস্তু ভগৱান স্বয়" বুলি ঘোষণা দিয়া ভগৱন্ত কৃষ্ণ দেৱেই একমাত্ৰ ভজনীয় দেৱ। এই ভগৱন্ত কৃষ্ণদেৱৰ চৰণত আশ্ৰয় লোৱাই শৰণ। অন্য দেৱ-দেৱী এৰি একমাত্ৰ ভগৱন্ত কৃষ্ণদেৱৰ চৰণত আশ্ৰয় লোৱা কাৰ্যকে এক শৰণ বোলে। এই এক শৰণেই গুৰুজনাৰ ধৰ্মৰ আত্মা। সেয়েহে তাৰাৰ আদৰ্শত শৰণ অনুষ্ঠানেৰেই ধৰ্মীয় জীৱনৰ পাতনি মোলা হয়। এই আদৰ্শত এক মহত্ত্বম, কল্যাণতম আৰু মঙ্গলতম উদ্দেশ্য নিহিত হৈ আছে।

মানৱাদি সমস্ত জীৱই এই সংসাৰত নানা দুঃখ-কষ্ট, তাপ ভোগ কৰিব লগা হয়। গুণী-জ্ঞানী সকলে এই তাপবিলাকক তিনিটা ভাগত ভাগ কৰিছে। আমাৰ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱ দেৱেয়ো তাৰাৰ কালজয়ী অমৰ গ্ৰন্থ 'নাম ঘোষা'ত কৈছে—

"হে কৃষ্ণ যত জীৱনিত্য/ তিনি তাপে হুয়া সন্তাপিত/ দুৰ্ঘোৰ সংসাৰ তাপত পৰি আছয়। তযু পদশ্বেত ছত্ৰ প্ৰায়/ অমৃত বৰিষে সৰ্ব্বদায়/ তাৰ ছাঁয়া বিনে নেদেখো আৰ আশ্ৰয়।।"

বিষ্ণুপুৰাণ মতে এই তিনিটা তাপ হ'ল— আধিভৌতিক, আধিদৈবিক আৰু আধ্যাত্মিক। পশু-পক্ষী, মানুহ, পিশাচ, ৰাক্ষস, সাপ, সৰীসৃপ, মহ-দাহ, পোক-পৰুৱা আদি বিভিন্ন প্ৰাণীবোৰৰপৰা যি দুখ-কষ্ট পোৱা যায় তাকে আধিভৌতিক তাপ বোলে।

গৰম, ঠাণ্ডা, ধুমুহা, বানপানী, খৰাং, ভূমিকম্প, বজ্ৰপাত, শিলাবৃষ্টি আদি অলৌকিক বিপদৰ পৰা পোৱা দুঃখ-কষ্টকে আধিদৈৱিক তাপ বোলে।

আধ্যাত্মিক তাপ আকৌ দুই প্ৰকাৰৰ— শাৰীৰিক আৰুৰু মানসিক। শৰীৰত উৎপন্ন হোৱা ৰোগ জনিত দুঃখ-কষ্টবোৰক শাৰীৰিক তাপ বোলে। মনত উৎপন্ন হোৱা কাম, ক্ৰোধ, লোভ , মোহ, দম্ভ, দ্বেষ, হিংসা, ঘৃণা, কপট-কুচ্ছুঁট, ঈৰিষা, অসূয়া, তিৰস্কাৰ, অহংকাৰ, ভয়, শোক, বিষাদ, অপমান আদি দুঃখ-কষ্টবোৰক মানসিক তাপ বোলে।

এই তিনিটা তাপে মানুহক কেতিয়াবা এনে পৰ্যায় পোৱাই গৈ যে তাৰপৰা নিষ্কৃতি পাবলৈ আত্মহত্যা পৰ্যন্ত কৰিব লগা হয় আৰু কৰেও। কিন্তু শাস্ত্ৰমতে আত্মহত্যা মহাপাপ। গতিকে এনেদৰে মহাপাপ কৰি তিনি তাপৰ পৰা নিষ্কৃতি পাবলৈ বিচৰাটো এক জঘন্য মহাপাপ। সেইদৰে পতনশীল দেহজনিত ব্যৱস্থাবোৰৰো কোনো স্থায়ীত্ব নাই। বহুক্ষেত্ৰত এইবোৰ ব্যৱস্থাই প্ৰতাৰণাহে কৰে। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে তাৰাৰ বাঙ্ময়ী মূৰ্ত্তিস্বৰূপ 'ভক্তিৰত্নাৱলী'ত কৈছে—

"পিতৃত মাতৃত লৱে বালকে শৰণ।
তাক প্ৰতিপাল আতি কৰে দুয়োজন।।
তথাপিতো তাৰ দুঃখ দেখিয়ো লোকত।
কদাচিতো পিতৃ-মাতৃ হন্তে হোৱে হত।।
ৰোগী সৱে ঔষধত লৱয় শৰণ।
ঔষধ সহিতে তাৰ দেখিয়ো মৰণ।।
নৌকাত শৰণ লৱে মজন্তে সাগৰে।
নাৱে সমে দেখি সাগৰত মজিমৰে।।"

স্মৰ্তব্য যে ভগৱন্ত কৃষ্ণদেৱৰ বাহিৰে যিসকল দেৱতা আছে, তেওঁলোকো কাল মায়াদিৰ অধীন। যথা—

"ব্ৰহ্মা আদি কৰি জীৱ মত/ ৰাম ৰাম ৰাম ৰাম ৰাম/ মায়া শয্যা মাজে আছয় ঘূমটি যায়। তুমিসে চৈতন্য সনাতন/ ৰাম ৰাম ৰাম ৰাম ৰাম। আমি অচেতন নিয়োক নাথ জগাই।।"
—নামঘোষা

আৰু—

"হৰি বিনে দেখন্ত যতেক আনদেৱ।
আপোনাক ৰাখিবাক ক্ষম নোহে কেৱ।।
নাহি আপোনাৰ পুৰি কালৰ ভয়ত।
তাৰা সৱে আনক ৰাখিবে কেন মত।।"

— ভাগৱত

গতিকে কাল-মায়াদিৰ অধীন দেৱ-দেৱতা জনিত ব্যৱস্থাবোৰো উত্তম ব্যৱস্থা নহয়। তেন্তে উত্তম ব্যৱস্থা কি? ইয়াৰ স্পষ্ট উত্তৰ— উত্তম শাস্ত্ৰ গীতা-ভাগৱতৰ তিনিটা উত্তম দৃষ্টান্তই নিৰ্দ্দিষ্ট কৰি দিয়া ব্যৱস্থাটোৱেই হৈছে

(১৬ পৃষ্ঠাত চাওক)

# নেৰিবা যুগধৰ্ম

**দীননাথ ডেকা**

## পূৰ্বানুবৰ্তী

পিণ্ডাদিৰ ব্যৱস্থা কি? কাউৰী, কুকুৰৰ পিণ্ড আৰু পঞ্চ দেৱতাৰ পূজাৰ পিণ্ড একশৰণীয়া বৈষ্ণৱে নিদিয়ে। বৈষ্ণৱৰ পিতৃ-পিতামহেও পিণ্ড বিচাৰি নাহে।

"তাবদ্ ভ্ৰমন্তি সংসাৰে পিতৰঃ পিণ্ডতৎপৰাঃ।
যাবদ্ কুলে বিষ্ণু-ভক্ত পুত্ৰঃ নৈবোপজায়তে।।"

— স্কন্দ পুৰাণ

কিয় নিবিচাৰে?

"কৃষ্ণৰ নামক যিজনে সুমৰে
তাহান পুৰুষ মানে।
নৰকৰ পৰা তেখনে স্বৰ্গত
উঠয় দিব্য বিমানে।।
দধি দুগ্ধ মধু ধাৰায়ে বহৱৈ
পিতৃ পিৱৈ পেট ভৰি।
তৰিলো তৰিলো বুলিয়া নাচয়
অনেক আনন্দ কৰি।।
পুত্ৰ সমে পাছে বৈকুণ্ঠক চলে
চতুৰ্ভুজ ৰূপ ধৰি।
কৃষ্ণৰ কিঙ্কৰে কহে নিৰন্তৰে
ডাকি বোলা হৰি হৰি।।"

— ভক্তি-প্ৰদীপ

যাৰ পুত্ৰসৱে ঐত হৰিত শৰণ লৈয়া
হৰিগুণ গাৱে শুদ্ধ ভাৱে।
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃগণে তৃপিতিক পাৱে।।"

— নাম-ঘোষা

অবৈষ্ণৱ পুত্ৰই পিণ্ড দি পিতৃ-পিতামহক নিস্তাৰ কৰা দূৰৈৰ কথা নৰকতহে পেলায়, এই বিষয়ে ভাগৱতৰ মত—

"পুত্ৰেয়ো নিস্তাৰে যদি শুনি আছে শাস্ত্ৰ।
বৈষ্ণৱ পুত্ৰক প্ৰতি বুলি আছে মাত্ৰ।।
অবৈষ্ণৱ পুত্ৰ যদি ওপজে বংশত।
স্বৰ্গগত পিতৃক পেলাৱে নৰকত।।"

প্ৰজাসকললৈ পৃথু ৰজাৰ উপদেশ—

"মোৰ পিণ্ড হয় তোৰা ভজিলে ঈশ্বৰ।"

অৰ্থাৎ তোমালোকে ঈশ্বৰক ভজিলেই মোক পিণ্ড দিয়াৰ দৰে হ'ব। তাৰ মানে ঈশ্বৰ ভজনহে প্ৰকৃত পিণ্ডদান।

'উৰেষা বৰ্ণন'ত ইন্দ্ৰদ্যুম্ন সৰোবৰত পিণ্ড দি এৰৈকশ পুৰুষ উদ্ধাৰ কৰাৰ কথা লিখা আছে। কথাটো কেনেকুৱা?

সেইটো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নিজা মন নহয়। ব্ৰহ্মপুৰাণৰ পৰা অনুবাদহে। উৰেষা বৰ্ণনৰ আৰম্ভণিতে মহাপুৰুষে লিখিছে—

"উৰেষাৰ কীৰ্ত্তনক শুনিয়ো লোকাই।
শঙ্কৰে ৰচিলা ব্ৰহ্ম পুৰাণক চাই।।"

ইয়াৰ লগত ওপৰত লিখা মহাপুৰুষৰ বাণী আৰু কীৰ্ত্তনত থকা মহাপুৰুষৰ নিজ মত মিলাই চাওঁক। —হৰিকথা।

"অকপটে যিটো জনে শুনে ভনে এক মনে
শুনিয়োক চাৰ যেন ফল।
খন্দয় চৌষষ্ঠি ৰোগ মিলে আসি দিব্য ভোগ
মনোৰথ পূৰয় সকল।।
সমস্ত পাপক বাধি আপোনাৰ মোক্ষ সাধি
এক কোটি পুৰুষ উদ্ধাৰে।
কহিলোহো স্বৰূপত নাহি আন সংসাৰত
হৰি কথা শ্ৰৱণত পৰে।।"

— কীৰ্ত্তন-ঘোষা

"যিটো নাম নেৰে মুখে পাইলে মোক্ষ মহাসুখে
জানা কৃষ্ণ তুষ্ট ভৈল তাৰ।
গুৰু ভৈলা জগতৰে কৰিলেক সিটো নৰে
কোটি কোটি পুৰুষ উদ্ধাৰ।।"

— কীৰ্ত্তন-ঘোষা, ভাগৱত তাৎপৰ্য

উৰেষা বৰ্ণন আদ্যোপান্ত বিশেষ প্ৰণিধান কৰি পঢ়িলে বুজা যাব যে, শ্ৰীক্ষেত্ৰৰ জগন্নাথ মূৰ্তিৰ সেৱা-পূজাৰ ফল সীমাবদ্ধ দেখুৱাই হৰিনামৰ অসীম মাহাত্ম্য বৰ্ণনা কৰি প্ৰতিমা পূজাতকৈ নাম-কীৰ্তনৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰাইহে মহাপুৰুষৰ উদ্দেশ্য আছিল। সেয়েহে উপসংহাৰত লিখিছে—

"হৃদয়ত ৰূপ হৰিনাম যাৰ মুখে।
বিষ্ণুৰ নৈবেদ্য উদৰত ভৰে সুখে।।
পাদোদক নিৰ্মাল্য মস্তকে থাকে যাৰ।
বোলা হৰি হৰি সেই বিষ্ণু অৱতাৰ।।"

জগন্নাথ মূৰ্তি দৰ্শন কৰিবলৈ নোযোৱাকৈয়ে দূৰৈত থাকিয়েই কৃষ্ণৰ কীৰ্ত্তন কৰাজনে অপ্ৰয়াসে বিষ্ণুপুৰী পায় বুলি উৰেষা বৰ্ণনতে মহাপুৰুষে লিখিছে—

"বিদূৰতে থাকি যিটো প্ৰতিদিনে
কৃষ্ণৰ কীৰ্ত্তন কৰে।
আতি অপ্ৰয়াসে বিষ্ণুপুৰী পাৱে
শুদ্ধা হুয়া সিও নৰে।।"

(এই সম্বন্ধে ড° মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত কীৰ্ত্তন-ঘোষাৰ 'ভূমিকা' আৰু ডিম্বেশ্বৰ নেওগ ৰচিত 'যুগনায়ক শঙ্কৰদেৱ'ৰ ঐকৈশ অধ্যায় দ্ৰষ্টব্য)

ঘৰত থাকিয়েই হৰিনামৰ দ্বাৰা কোটি পুৰুষ উদ্ধাৰ কৰি নিজৰো মোক্ষ সাধিব পৰা ব্যৱস্থা থকাতো নামত বিশ্বাস নথকা অজ্ঞজনেহে বাটকুৰি বাই অনিশ্চিত বিঘিনিযুক্ত তুচ্ছ ফলপ্ৰদ কৰ্ম কৰিবলৈ যাব। নামত বিশ্বাস থকা বিজ্ঞজন নাযায়। ভাগৱততো লিখিছে—

"ৰাখিলন্ত কৰ্ম্মকাণ্ড অজ্ঞানীৰ পদে।
কৰ্ম্মীক নেৰিব ঘোৰ পৰম আপদে।।
উপজি মৰিহে মহা ভুঞ্জিয়া নিকাৰ।
কোটি কোটি কল্পে নাহি কৰ্মীৰ নিস্তাৰ।।"

— ভাগৱত, ৬ষ্ঠ স্কন্ধ

মহাপুৰুষে কৈছে— দেৱতা আৰু তীৰ্থতকৈ নাম আৰু ভকতহে শ্ৰেষ্ঠ।

"হৰি হেন ইটো দুই গুটি অক্ষৰ
জিহ্বা অগ্ৰে থাকে যাৰ।
গঙ্গা গয়া কাশী প্ৰয়াগ পুস্কৰ
যাইবাক নালাগে তাৰ।।"

— কীৰ্ত্তন-ঘোষা

"দেৱতো তীৰ্থতো কৰি ভকতেসে বৰ।
ভকতক ভজিলে গুচয় কৰ্ম্মজড়।।"

— ভাগৱত, একাদশ স্কন্ধ

"তীৰ্থ বুলি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি।।
বৈষ্ণৱত নাই ইসৱ মতি।
গৰুতো অধম কৃষ্ণ বদতি।।"

— কীৰ্ত্তন-ঘোষা

"কোটি শত তীৰ্থস্নান কোটি যজ্ঞ কোটি দান
নামৰ ৰেণুকো নোহে সম।।

— ভাগৱত (মহাপুৰুষৰ বাণী

"মহেশে বোলন্ত পাৰ্ব্বতীৰ বিদ্যমান।
বাৰাণসী প্ৰয়াগাদি কৰে তীৰ্থস্নান।।
গয়াত শ্ৰাদ্ধাদি কৰে পিতৃ সমস্তৰ।
অশ্বমেধ আদি যজ্ঞ কৰে পিতৃ নিৰন্তৰ।।
কৰে তুলা পুৰুষাদি দান সমস্তক।
ইটো সৱ ধৰ্ম্মে নপায় মহাশ্ৰেয়সক।।
কিন্তু এক বিষ্ণুৰ নামক মাত্ৰ গাৱে।
অতি অনায়াসে সিটো যিটো গতি পাৱে।।
সকলো ধৰ্মীয়ে দুখে নপাৱয় তাত।
কি কহিবো নাম-কীৰ্ত্তনৰ মহিমাক।।"

— ভক্তি-ৰত্নাকৰ

তেনেহ'লে মহাপুৰুষে কিয় তীৰ্থ ভ্ৰমণ কৰিছিল? ইয়াৰ উত্তৰ ভাগৱততে আছে—

"পৱিত্ৰ কৰিবে লাগি মহা তীৰ্থ জল।
তীৰ্থে তীৰ্থে ফুৰে তযু ভকতসকল।।"

— ভাগৱত, ৪ৰ্থ স্কন্ধ

বিদূৰৰ প্ৰতি যুধিষ্ঠিৰৰ বচন—

"ভবদ্বিধা ভাগৱতীস্তীৰ্থভূতাঃ স্বয়ং বিভো।
তীৰ্থী কুৰ্ব্বন্তি তীৰ্থানি স্বান্তস্থেন গদাভৃতা।।"

— ভাগৱত, ১/১৩/১০

(১২ পৃষ্ঠাত চাওক)

# অৰ্ধ আকাশ

(৭ পৃষ্ঠাৰ পৰা)

পোৰা নাছিল। ওৰে বাটটো কোনো কথা নহ'ল ধৰ্মকাই লগত অদৃশ্য হৈ পৰিছিল চিন্তা মায়াজালত। কোনে কি ভাবিলে তাৰো গম নাপালে, জানিবলে চেষ্টাও নকৰিলে দুয়ো।

ঃ অ যাওঁক ধৰ্মকাই।

চাইকেলৰপৰা নামিলে সি এখন হাতে চাইকেল ধৰি এখন হাতে নঙলা খুলি সোমায় গল ঘৰলৈ। নীলাই দুৱাৰ মুখতে টিপ চাকিটো লৈ ৰৈ আছিল। আগতে যতনাই থৈ দিয়া বাল্টিটো আগবঢ়াই চাইকেলখন ধৰি সুধিলে। ঃ পালিহি। হাত-ভৰিখিনি তিয়াই লওক। চাহ-তাহ খাই পিছত গাটো ধুব। মই চাহ গৰম কৰি ৰাখিছোৱেই। এইদৰে কৈ নীলাই চাইকেলৰ হেন্দেলত ওলমি থকা মোনাকিটা নমালে। দুখন হাতত দুটা মোনালৈ ভিতৰলে সোমায় গ'ল। ল'ৰা-ছোৱালীকেইটা দেউতাক অহা গম পায় কিতাপ পঢ়াৰপৰা উঠি আহিলে। মাকে লৈ ভিতৰলে অহা ঘূৰি অহা পাচলি ভৰ্তি মোনা দুটা চায় আকৌ উভতিলে পঢ়া ঠাইলে। সৰু ল'ৰা-ছোৱালী দুটীৰ মনত আশাতীত বস্তু নাপালে ফুটি উঠা কৰুণ মুখ সচাকে বেদনাদায়ক। মোনাকেইটা ঘৰৰ এচুকত সামৰি নীলাই চাহৰ কেটলিৰ ওচৰলৈ গ'ল।

ঃ আন হাতে গামোচাখন আছে লৈ লওঁকচোন। মই চাহ টোপা বাকো। ভিতৰলে সোমায় অহা কিৰণক নীলাই ক'লে। কিৰণে হাত-ভৰি ধুই মোহাৰি নীলাই আগবঢ়াই থোৱা পিৰাখনত বহি পৰে। ক্লান্ত সৈনিকৰ নিচিনাকে একান্ত মনে চাহ বাকি থকা নীলালে সি চায় লয়। চাহ খাওঁক ! ফিকা চাহহে। একো নাই খাবলে চাহৰ লগত চেনি অলপ আছিলে পোনাকিটাই ভাতৰ লগত খাবলে বিচৰাত দি দিলো।

ঃ ভালেই হ'ল দিয়া। আজি একদম বজাৰ বেয়া। ঘৰলে একো এটা অনা নহ'ল।

ঃ হ'ব দিয়কচোন সদায় ক'ত বজাৰ ভাল হ'ব। বজাৰ-হাট কণাৰ হাত বুলি এনেয়ে নকয় নহয়।

ঃ কিন্তু ! এটা কথা নহয়, কিৰণে আধাকোৰাকে ৰৈ দিলে।

ঃ কি হ'লনো? আপুনি নকলেওঁ মই গম পালো বেজাৰ নকৰিব।

ঃ বেজাৰ নহয় জানানে। অনুশোচনাত গলিত হৃদয় পুৰুষ হৈও পুৰুষত্ব পালনত ব্যৰ্থ হৈছো মই। এই ব্যৰ্থতা লুকুৱাব বিচাৰিছো তোমাৰপৰা তেনে লাগে।

ঃ ব্যৰ্থতা অকল পুৰুষৰ তেনেকৈ নাভাবিব। সাংসাৰিক জীৱনত নাৰী-পুৰুষৰ মিলনতহে সৃষ্টি পাতনি উভয়ে উভয়ক বুজি অনাহুত ব্যৰ্থতা আঁতৰাব লাগিব। আমি দুয়ো কাম কৰিম। আজি নাৰী সৱলী, নাৰী যুগ। ঘৰতে আৱদ্ধ নাথাকো। আপুনি চিন্তা নকৰিব।

ঃ চিন্তা কিয়? নহয় মোৰ কোৱাচোন ঘৰত আজি চাউল নাই মই জানো। বজাৰ বেয়া দীপহঁত কিনি নিয়া শাক-পাচলি মূলধনৰ পইচাটোহে কোনোৰকমে বাচিলে। সেই মূলধনৰ পইচা খৰচ কৰিবলে মন নগ'ল। কাৰণ ধৰুৱা হ'বহে লাগিব। ধাৰ হ'লে কেতিয়া দিব পাৰিম বহুত দিন লাগিব। দীপৰ মাক যিজনীহে গুৰি-গোষ্ঠীৰ জাৰিব।

ঃ ভালে কৰিলে। আনৰ পইচা লোভ কৰাটো বেয়া। আপুনি চাহ খাওঁকচোন চেঁচা হ'ল কিজানি, বেলেগকৈ দিও নেকি।

ঃ হ'ব দিয়া নালাগে।

ঃ মই চাউল-তেল-নিমখ লগতে ল'ৰাকিটালে এক পেকেট বিস্কুত আনিলো নহয়।

ঃ কৰ পৰানো আনিলা তুমি।

ঃ আজি সোনমাই লগত ৰুবলে গ'লো। হৰি মাষ্টৰৰ ঘৰত। এয়েয়ে থকা হয় ঘৰত কাম বন নাই তাঁত সূতা ব'বলে সুতাও নাই।

ঃ কি? তুমি হাজিৰাত ৰুবলে গ'লা।

ঃ কি কৰিম কোৱা তোমাৰ সুখে মোৰ সুখী মোৰ সুখত তুমি সুখি আৰু কি জানা তেওঁটো এজন সংঘৰ ভকত। অহা বছৰ সিহঁতৰ মাটিবোৰ আমাক কৰিব কৈছে আৰু হালো দিব। তিনি আধিয়াকে কৰিবানে। মাষ্টৰে আগতীয়াকে খবৰটো দিব কৈছে যদি খেতিটো কৰা। নহ'লে বেলেগক দিব হেনো।

ঃ আ-হা শুনি নিশ্বাস পেলালে কিৰণে। যি নাৰীক যুগে যুগে পুৰুষে অৱলা বুলি হেয় জ্ঞান কৰি আহিছে, পুৰুষে কিন্তু ভবা নাছিল সুবিধা দিয়া নাছিল নাৰীক। চাৰি বেৰাত আৱদ্ধ হৈওঁ নাৰী এতিয়া সৱল। যুক্তিবাদী কিমান মহীয়ান প্ৰেৰণাময় নিৰ্ভিক বুদ্ধিদীপ্ত। নাৰী তুমি সচাকে অৰ্ধ আকাশ কৰিব সি খেতিটো নিজাকে এমুঠি ধান পাব মনত ভাবি নীলালে চাই ক'লে।

ঃ কৰিম অহা বছৰ খেতিটো। তিনি আধিকে হ'লেও মই মাষ্টৰৰ লগত কথা পাতিম। সি চাহৰ বাতিটো দাঙি ঢোক মাৰিলে। চাহটোপা চেঁচা হ'ল। হওঁক আজি তাৰ চেঁচা চাহকণ অৱলীলাক্ৰমে গৰম যেন পালে। ফিকা চাহৰো সোৱাদ আছে পত্নীৰ সযত্মতে।❑❑

# চৰিত্ৰ গঠনত অভিভাৱকৰ

(৯ পৃষ্ঠাৰ পৰা)

গৃহশিক্ষক নিয়োগৰ কু-প্ৰথা আৰু নানাধৰণৰ অৰ্থপুস্তক প্ৰচাৰৰ ফলত জ্ঞান লাভৰ কাৰণে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ শিক্ষকৰ ওপৰত নিৰ্ভৰ কৰিবলৈ এৰিছে। আনফালে অভিভাৱকসকলৰ এটা দোষ হৈছে বিদ্যালয়ৰ শিক্ষক শ্ৰেণীৰ লগত প্ৰায় অসহযোগ আৰু বহুক্ষেত্ৰত শিক্ষক শ্ৰেণীৰ প্ৰতি তাচ্ছিল্য ভাব। এই দুয়োটাই ল'ৰা-ছোৱালীৰ উন্নতি আৰু সমাজৰ উন্নতিৰ ডাঙৰ কুলক্ষণ হৈ পৰিছে। কাৰণ সংস্কৃতত এষাৰ কথা আছে— "শ্ৰদ্ধাৱান লাভতে জ্ঞানম্।" গতিকে শিক্ষকসকলক ভাল পাবলৈ, শ্ৰদ্ধা-ভক্তিৰ লগতে দেশৰ গণ্যমান্য ব্যক্তিসকলক ভাল পাবলৈ শিকোৱা কৰ্তব্য ও মূল দায়িত্ব, সেইদৰে শিক্ষক সকলেও মাক-দেউতাকৰ লগতে মহাপুৰুষসকলৰ নীতি-আদৰ্শ, শ্ৰদ্ধা-ভক্তি কৰিবলৈ ল'ৰা-ছোৱালীক জ্ঞান দি নৈতিক আদৰ্শ দেখুওৱা আৰু শিকোৱাটো উচিত। কাৰণ শিক্ষক আৰু অভিভাৱকসকলৰ এই প্ৰীতিময় সম্বন্ধৰ ফলতেই এই শিশুসকলে নামঘৰ ধৰ্মানুষ্ঠান, সভা-সমিতি আদিত অংশগ্ৰহণ কৰি প্ৰকৃততে সজ চৰিত্ৰ গঢ়ি তুলিব পাৰিব। শিশুৰ জ্ঞানাৰ্জন, কৰ্ম কুশলতা আৰু সৎ চৰিত্ৰৰ ওপৰতহে সদায় মূল্য দিব লাগিব। সেই কাৰণে পিতৃ-মাতৃ, শিক্ষকসকল হ'ল সমাজৰ, দেশৰ আদৰ্শৰ প্ৰতীক, গতিকে পিতৃ-মাতৃ বা শিক্ষকে বা বয়োজ্যেষ্ঠসকলে যদি ল'ৰা-ছোৱালীক দেখুৱাই ৰাগিয়াল বস্তু সেৱন কৰে তেনেহ'লে সেইখন ঘৰৰ ল'ৰা-ছোৱালীয়েও নিচাযুক্ত মাদক দ্ৰব্য সেৱন কৰিব। যাৰ কাৰণে কম বয়সতে মৃত্যুক সাবটি ল'বলগীয়া হয়।

ৰং-ধেমালীয়ে আৰু আমোদ-প্ৰমোদে আমাৰ শৰীৰৰ ক্লান্তি আৰু অৱসাদ দূৰ কৰি আমাৰ স্বাস্থ্য ৰক্ষাত যথেষ্ট পৰিমাণে সহায় কৰে। মানুহ আমোদ-প্ৰমোদ প্ৰিয়। শিশুক ৰং-ধেমালি কৰিবলৈ ক'ব নালাগে সিহঁতে নিজে নিজে ৰং-ধেমালিত যোগ দিয়ে মাথো অভিভাৱক তথা শিক্ষকসকলে উৎসাহ-উদ্দীপনা যোগাব লাগে। আজি-কালি চৰকাৰে শিশুৰ মনৰ উৎকৰ্ষ বৃদ্ধিৰ কাৰণে নানাধৰণৰ খেলৰ আঁচনি যুগুত কৰি সহায় কৰিছে। গীত, বাদ্য আৰু নৃত্যই মানুহৰ মনৰ অৱসাদ দূৰ কৰে আৰু নিৰস কৰ্মময় জীৱন সৰল আৰু মধুৰ কৰে। তাৰোপৰি প্ৰতিদিনে ৰাতিপুৱা আৰু সন্ধিয়া কীৰ্তন-ঘোষা আৰু নাম-ঘোষা পুথিৰ পৰা ভগৱানৰ ওচৰত সদায় প্ৰাৰ্থনা গোৱাৰ অভ্যাস কৰিবলৈ শিকাব লাগে। ব্যায়াম স্বাস্থ্য ৰক্ষাৰ এটা প্ৰধান উপায়। ব্যায়ামে শৰীৰ পাতল কৰে, কাম কৰাৰ শক্তি বঢ়ায় আৰু শৰীৰ নিৰোগী কৰি ৰাখে। গতিকে এই ক্ষেত্ৰত অভিভাৱক তথা পিতৃ-মাতৃসকল সজাগ থাকিলে শিশুসকলৰ নৈতিক চৰিত্ৰ গঢ় লৈ উঠাত সহায়ক হ'ব বুলি ভাবিবৰ থল আছে।

মানুহৰ জীৱনৰ চৰম লক্ষ্য হৈছে মনুষ্যত্বৰ পূৰ্ণ বিকাশ বা মোক্ষ লাভ। উপযুক্ত শিক্ষাৰ দ্বাৰাহে আধ্যাত্মিক জ্ঞান লাভ কৰা সম্ভৱ হ'ব। উপাসনা অৰ্থাৎ ঈশ্বৰ আৰাধনা আমাৰ শৰীৰ আৰু মন পবিত্ৰ কৰি ৰখাৰ এটা প্ৰধান উপায়। কাৰণ ঈশ্বৰ বিশ্বাস সৎ শিক্ষাৰ প্ৰাণশক্তি। গতিকে ধৰ্মানুশীলন আৰু আধ্যাত্মিক বিদ্যা বা জ্ঞানৰ দ্বাৰাহে শিশুসকলৰ মন শুদ্ধ কৰি ৰাখিব পৰা যায়। আহাৰ, নিদ্ৰা, মৈথুন, ভয় সকলো জীৱৰে আছে। আহাৰ শুদ্ধ হ'লে দেহ শুদ্ধ হ'ব আৰু দেহ শুদ্ধ হ'লেহে মন শুদ্ধ হ'ব, সকলোবিলাক দিশ চাই-চিতি শিশুৰ বিকাশ সাধনত অভিভাৱকে অতি গুৰুত্ব দিব লাগে। কিয়নো আহাৰৰ পৰিমাণ নিয়মীয়া আৰু নিৰ্দিষ্ট সময়ত আহাৰ গ্ৰহণ কৰিব লাগে। অৰ্থাৎ সদায় শাস্ত্ৰত উল্লেখ থকা মতে নিৰামিষ সাত্বিক আহাৰেই শিশুসকলৰ তথা মানুহৰ উত্তম খাদ্য হোৱাটো উচিত।

বৰ্তমান চৰকাৰে নতুন প্ৰজন্মক অৰ্থাৎ অধ্যয়নত নিম্ন শ্ৰেণীৰপৰা আৰম্ভ কৰি উচ্চ পৰ্যায়লৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে ধঁপাত বা আন কোনো নিচাযুক্ত দ্ৰব্য সেৱন কৰিব নোৱাৰে তাৰ কাৰণে ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ আঁচনি যুগুত কৰি শিক্ষক-অভিভাৱকসকলক প্ৰশিক্ষণ দি কাকতে-পত্ৰই বহুল প্ৰচাৰ কৰিছে। ধঁপাত বা চিগাৰেট বা আন কোনো নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত ব্ৰংকাইটিছ, এমফিচিমা হৃদ ৰোগ, ৰক্তনলীত হোৱা পুৰুষত্বহীনতা, চকুৰ সমস্যা নিমনিয়া, হাপানী ৰোগ, কৰ্কট ৰোগ ইত্যাদিৰ কাৰণে মৃত্যুক সাবটি লবলগীয়া হয়। গতিকে পিতৃ-মাতৃ, শিক্ষক বা জ্যেষ্ঠ নাগৰিকসকল হ'ল শিশুৰ চৰিত্ৰ গঠনত প্ৰথম আদৰ্শবাদী ব্যক্তি বুলি গণ্য কৰি আমাৰ হিতোপদেশ বাণী ইমানতে সামৰণি মাৰিলোঁ।❑❑

# নেৰিবা যুগধৰ্ম

(১১ পৃষ্ঠাৰ পৰা)

অনুবাদ—

"অনেক তীৰ্থত তুমি কৰিলা ভ্ৰমণ।
তীৰ্থত তোমাৰ কিছু নাহি প্ৰয়োজন।।
কিন্তু অনুগ্ৰহ মাত্ৰ কৰিলা তীৰ্থক।
তীৰ্থো শুদ্ধি হোৱে লাগ পাইলে মহন্তক।।
গুচে পাপ তেহে শুদ্ধ হোৱে তীৰ্থ গণ।
এহিমানে থৈলো যুধিষ্ঠিৰৰ বচন।।"

— ভক্তি-ৰত্নাকৰ

ৰামচৰণ ঠাকুৰ ৰচিত গুৰু চৰিততো কৈছে—

"আপুনি ঈশ্বৰ তেন্তে শ্ৰীমন্ত শঙ্কৰ।
তান্ত কৰি শ্ৰেষ্ঠ আছে কোন তীৰ্থবৰ।।
গৈলন্ত তীৰ্থক তেন্তে কৰিতে মুকুত।
নেদেখিয়ো কেহো কিছু আত অদভূত।।"

— গুৰুচৰিত, ২-৩৯

ইয়াৰ উপৰি নিজ ধৰ্মমত প্ৰচাৰ কৰাটোও মহাপুৰুষৰ তীৰ্থ ভ্ৰমণৰ এটা উদ্দেশ্য আছিল। ভাৰতৰ বিভিন্ন ঠাইত তেওঁ ভালেমান লোকক শৰণ দিছিল।

মহাপুৰষসকলে কি কৰিছিল নকৰিছিল তাতোকৈও তেওঁলোকে আমাৰ প্ৰতি কি উপদেশ দি গৈছে তাৰহে গুৰুত্ব বেছি। ভাগৱতত কৈছে—

"ঈশ্বৰাণাং বচঃ সত্যং তথৈবাচৰিতং ক্কচিৎ।
তেষাং যৎ স্ববচোযুক্তং বুদ্ধিমাংস্তৎ সমাচৰেৎ।।"— ভাগৱত, ১০/৩৩/৩২

অনুবাদ—

"ঈশ্বৰ সকলে যিটো কৰ্ম্ম কৰে
মনেয়ো তাক নকৰি।
তেসম্বে যি সৱ ধৰ্ম্ম বিহৈ বাক্যে
তাকেসে সৱ আচৰি।।"— ভাগৱত

মহাপুৰুষে আমাক উপদেশ দিছে—

"দেৱ তীৰ্থ ধৰ্ম্ম কৰ্ম্ম সৱে দূৰ কৰি।
ভজিয়ো একান্তমনে শুদ্ধভাৱে হৰি।।"

মহাপুৰুষসকলৰ যিবোৰ আৰ্হি বা কাৰ্য তেওঁলোকৰ উপদেশৰ লগত মিলে সেইবোৰহে অনুগামীসকলৰ পালনীয় আৰু কৰণীয়া যিবোৰ নিমিলে বা যিবোৰ অলৌকিক সেইবোৰ নহয়। ভগৱান শ্ৰীকৃষ্ণই ৰাসলীলা কৰিছিল গোৱৰ্দ্ধন ধাৰণ কৰিছিল, কালীয় দমন কৰিছিল, অসুৰ সংহাৰ কৰিছিল। সেইবোৰ কৃষ্ণ ভকতৰ অনুকৰণীয় নহয়। শ্ৰৱণীয় আৰু কীৰ্ত্তনীয়হে। মহাপুৰুষ শঙ্কৰদেৱে বাৰিষা ব্ৰহ্মপুত্ৰ থিয় সাঁতোৰ দি পাৰ হৈছিল, যাঁজড দৰ্মন কৰিছিল। আগৰ বয়সত যোগাভ্যাসো কৰিছিল। সেইবোৰ মহাপুৰুষীয়া ভকতৰ অনুকৰণীয় নহয় নিশ্চয়; কিন্তু গুৰুলীলা হিচাপে শ্ৰৱণীয় আৰু কীৰ্তনীয়হে। উপদেশৰ ক্ষেত্ৰতো আঁসোৱাহ ওলালে সমুদায় উপদেশৰ সমন্বয়ত যি পোৱা যায় সেইমতেহে আচৰণ কৰিব লাগিব। শেষত মহাপুৰুষ মাধৱদেৱৰ বাক্যৰে সামৰা হ'ল—

"মিনতি বচন বোলো সৰ্ব্বজন
শুনিয়ো শাস্ত্ৰৰ মৰ্ম্ম।
আপোন কুশল চাৱা যেবে তেবে
নেৰিবাহা যুগ ধৰ্ম্ম।।
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আউৰ নাহিকে দুজা।।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
অন্যত্ৰ ধৰ্ম আচৰে।
মিছাতে কেৱল শ্ৰম মাত্ৰ পাৱে
একোকে ফল নধৰে।।"❑❑

# কবিতা

## গুৰু শঙ্কৰদেৱ

হে গুৰু শঙ্কৰদেৱ
তুমি কল্পতৰু
তোমাৰ গুণৰ মহিমা
যিমানে বখানি থকা হয়
সিমানে ওলাই থাকে।
কলিৰ মানৱক সৎপথেৰে নিবলৈ
তুমি মহানায়ক,
তোমাৰ ক্ষয় নাই? তুমি অক্ষয়
সেয়ে আজি জনস্ৰোতৰ পৰা জনসমুদ্ৰলৈ
তোমাৰ উপদেশত মানৱে গতি কৰিছে।
তুমিসে কেৱল সত্য, মিছা সবে আন
বুলি প্ৰভু ভগৱন্তক
তুমিয়েই চিনাকি কৰি দিছা
তোমাৰ পথৰে পাই বৈকুণ্ঠৰ ধাম
মোক্ষতকৈ ভকতি শ্ৰেষ্ঠ পৰমাৰ্থে বাণীৰে
তুমিয়েই ভকতক চিনাকি কৰি দিলা
সেয়ে তোমাৰ বাণীকে সৰোগত কৰি
তোমাক নমস্কাৰ,
"নবাঞ্চোহো সুখ-ভোগ নলাগে মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি।।" কীৰ্ত্তন
বহু জন্মৰ ভাগ্যৰ বলত তোমাক
গুৰুৰূপে পাই ধন্য মানিছোঁ
তোমাৰ বাণীৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সিঁচি দিয়া
উপদেশে আজিৰ মানৱে গতি কৰিছে।
নিজক জ্ঞানী বোলাই এচাম অসাধুলোকে
তোমাৰ গৰিমাক বিকৃত কৰিব বিচাৰে
পাৰিছে জানো?
তোমাক সময়ে কৰিছে নিৰ্মল
পাৰিব জানো সূৰ্যক ডাৱৰে ঢাকিব?
ৰেণু মাত্ৰও ক্ষতি নাই তোমাৰ
তোমাৰ লক্ষ্য সমগ্ৰ বিশ্ব
তুমি মাত্ৰ আগুৱাই গৈ আছা
এই যাত্ৰা শেষ নাই
নাই লেশমাত্ৰও বিৰাম
সেয়ে তুমি সূৰ্য সদা সত্য
তুমি আগুৱাই গৈ থাকা
জন্মৰ পৰা প্ৰজন্মলৈ।◆

**দধিৰাম বৰা**

## আহে বৈকুণ্ঠৰ পৰা

দোপাল-পিতা বৰষুণত তিনি
বিচাৰি গাওঁ প্ৰতীক্ষাৰ
সোণালী ৰ'দ এজাক
বুটলি ল'বলৈ ফুলৰ সুৱাস

প্ৰতিকুলতাক তুচ্ছ কৰি
নিজক পাওঁ নিজৰ দৰে
প্ৰাৰ্থনাৰ মৰমী সুৰত
বুকুত অক্ষয় স্বপ্নবোৰ

সেউজীয়া শইচৰ আলাপত
বুকু উবৰি খাই পৰে
স্বৰবোৰৰ উচ্চাৰিত অমলিন শব্দত
লহ্‌পহীয়াকৈ প্ৰাণে প্ৰাণে-গানে গানে
আকাংক্ষিত উচৰৰ মান

তাণ্ডৱ নৃত্যৰ ভয়ংকৰ অসুৰৰ
বীভৎস সন্ত্ৰাসক দমন কৰি
হৃদয়ে হৃদয়ে গুণগুণাই উঠে
স্পৰ্ধাত সুৰীয়া মানৱৰ গান

প্ৰেম অমৃতৰ নদী সোঁতত
হৃত হৃদয়ৰ ঘণীভূত বিশ্বাস
আহে বৈকুণ্ঠৰ পৰা।◆

**প্ৰদীপ্তি ডেকা**

## মহাগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ

শ্ৰীমন্ত শঙ্কৰ গুৰু    হৰি ভকতৰ কল্পতৰু
নিজ অংশে অৱতাৰ।
ভাগৱত শাস্ত্ৰ মথি    এক দেৱ এক সেৱ
নামধৰ্ম কৰিলা প্ৰচাৰ।।
গুৰু দেৱ নাম ভকত    চাৰিটি খুটি পুতি
বান্ধিলা নামৰ সেতু।
মূৰ্তিকো নাচাইবা    প্ৰসাদো নাখাইবা
তাৰণ কাৰণ হেতু।।
কৃষ্ণৰ পৰম বল    ভকতি নিৰ্মল জল
এহিসে ধৰ্মৰ সাৰ।
হৰিনামৰ মাজে    পাইবা মহাৰত্ন
ৰাম বোলা বাৰেবাৰ।।
গীত পদ ৰচিলা    নামঘৰ সাজিলা
সাহিত্যৰ বান্ধিলা ভেঁটি।
ভাওনা সবাহে    নিতাল খোলে তালে
উজ্বলিল অসমীয়া জাতি।।
প্ৰাণৰ বান্ধৱ    মাধৱো আহি
গুৰুৰ সাৰথি হ'ল।
শঙ্কৰদেৱ সূৰ্য    মাধৱদেৱ চন্দ্ৰ
জগতত জিলিকি ৰ'ল।।
তাৰাসৱৰ বাণীকে    শিৰে ধৰি আঁহা
ৰাখো অসমীয়া জাতি।
বিশ্বৰ দৰবাৰত    উজ্বলি উঠক
অসমৰ কৃষ্টি সংস্কৃতি।।◆

**কণিকা লহকৰ তালুকদাৰ**

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

বৰ অসমৰ বৰলুইতত
সজালা বৰনাওখনি
বৰ গুৰীয়াল বৰ সাহসী
শ্ৰীমন্ত শঙ্কৰ তুমি।
গাঁৱে গাঁৱে বৰ ডবা বাজিছে
বৰ সভা, বৰগীত বৰমেল বহিছে
জিলিকাই অসমৰ গৌৰৱৰাজি।
পূৰ্ব ভাৰতৰ অসমদেশৰ
যুগৰ প্ৰহৰী তুমি
সাহিত্যৰ ভঁৰাল চহকী কৰি
উজলাই তুলিলা অসমভূমি।
সৰু জুৰিটি নাচি উলাহত
সাগৰ বিচাৰি যায়।
ভেদাভেদ ভাব জাতি বৰ্ণৰ
তোমাৰ ধৰ্মত নাই।
দিলা সমাজ গঢ়াৰ মহান মন্ত্ৰ
"কুক্কুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম..।"
সেয়ে নানা জাতি-উপজাতি সকলোকে সাৱটি
বান্ধিলা ধৰ্মৰ ভেটি
কেৱল ভাৰতত নহয় জগতৰ বুকুত
সজালা অসম মাতৃক।
নৃত্য গীত বাদ্য কলা সংস্কৃতি
আৰু নানা জাতীয় চেতনা
তোমাৰেই মহান দান
বিশ্বজগতত বাঢ়িছে গৌৰৱ
অসম মাতৃৰ সন্মান।
সাহিত্য সংস্কৃতিৰ বৰপীৰা পাৰি
সজালা বৰ অসম
তোমাৰ কৃপাতে গুৰু জ্বলিছে সহস্ৰ বন্তি
উজলাই জাতীয় জীৱন।◆

**বিন্দুপ্ৰভা হাজৰিকা**

## জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ

হে জগতগুৰু শ্ৰীমন্ত শঙ্কৰ,
কলিৰ ঈশ্বৰ তুমি সৰ্বগুণাকৰ
অতুলনীয় মহিমা তোমাৰ
জনাওঁ তোমাক শতকোটি নমস্কাৰ।
হে অদ্বিতীয় গুৰু, তুমি নামধৰ্মৰ মহাৰথী
চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ মথি
ভকতক দিলা দান একশৰণ হৰিনাম
জনাওঁ তোমাক কোটি কোটি প্ৰণাম।
কলা-কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যৰ কাণ্ডাৰী তুমি
তোমাৰ পদ স্পৰ্শত ধন্য হ'ল অসমভূমি।
কাব্য-নাট, টুটয়-চপয়, বৰগীত
ভাগৱত, কীৰ্ত্তন, দশম, গুণমালা, সংগীত
ভাস্কৰ্য-শিল্পকলা তোমাৰ মহান অৱদান
তোমাৰ সৃষ্টিতে নিহিত হৈ আছে অসমীয়াৰ প্ৰাণ।
খোল-তাল, ডবা-কাঁহ, মণিকূট নামঘৰ
অতি আদৰৰ বস্তু অসমীয়া জাতি আৰু বিষ্ণু ভকতৰ
অমূল্য সম্পদ স্বৰূপ অসমীয়া কৃষ্টি
ভাষা-সাহিত্য-সংস্কৃতি, ছন্দ-অলংকাৰ
তোমাৰেই মহান সৃষ্টি
ভাষাৰে ছন্দেৰে গীতেৰে মাতেৰে কৰিলা প্ৰচাৰ
নিৰ্গুণ হৰি ভকতি
হে মহাগুৰু, জনাওঁ তোমাক সহস্ৰ প্ৰণতি।
স্বভাৱত ধীৰ-স্থিৰ, গহীন-গম্ভীৰ তুমি অনন্ত শকতি
নৰলোক তৰণৰ হেতু প্ৰচাৰ কৰিলা কৃষ্ণ ভকতি
সমস্ত ধৰ্মৰ সাৰৰো সাৰ
শুদ্ধ-সত্য হৰিনাম ধৰ্ম কৰিলা প্ৰচাৰ।
হে মহাপুৰুষ, নৰৰূপে তুমি কৃষ্ণৰেই অৱতাৰ
ভৱসিন্ধু নাওখনিৰ তুমি সুদৃঢ় কৰ্ণধাৰ
বন্দো কৰি ছন্দেৰে গুৰু, তোমাৰ দুখনি চৰণ
কৰিছোঁ কাকুতি দিয়া মোক তোমাতে শৰণ।◆

**অনিল চন্দ্ৰ বৰ্মন**

## গুৰু আৱিৰ্ভাৱ

আৱিৰ্ভাৱ
এক নক্ষত্ৰৰ...
এন্ধাৰৰ ডাঠ কুঁৱলী ফালি
কুচি-মুচি খোৱা শিলৰ ফাঁকেৰে
বিৰিঙি উঠিছে ভৱিষ্যত দ্ৰষ্টা।
বাগৰি পৰা, ভাগি যোৱা
চাকিৰ শলিতা পুনৰ
জ্বলিছে নৱ উন্মেষেৰে
এন্ধাৰ আঁতৰাই
ধৰাত আৱিৰ্ভাৱ মহাপুৰুষৰ।◆

**কৌশিক কলিতা**

## যুগৰ অৱতাৰ

বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰকৰ্তা
তুমি হে শঙ্কৰদেৱ
তোমাৰ মহিমাৰে মহিমামণ্ডিত
আজিও এই অসম দেশ
আৰু তোমাৰ গুণ গৰিমাৰেই
চিৰসেউজ হৈ ৰ'ব
প্ৰতি অসমীয়াৰ বেশ।
হে গুৰু শঙ্কৰ,
তোমাৰ মহিমা অনন্ত অপাৰ
তোমাৰ গুণ গানেৰেই বিস্তৃত আজি
লুইতৰ দুয়োপাৰ।
হে জগত গুৰু, তোমাৰ যি শক্তি
আমি নতশিৰে জনাই যাওঁ ভক্তি
যি ভক্তি অবিহনে
নাই যে কাৰো মুক্তি।
তোমাৰ কলা-কৃষ্টিৰেই ৰসাল
আজিও অসমীৰ ভঁৰাল
সেই ৰস কৰিছে পাণ যিজনে
ঈশ্বৰৰ শ্ৰীচৰণত পাইছে স্থান।
নামধৰ্মৰ কঠিয়া সিঁচিলা তুমি
সেই কঠিয়াৰেই গজালি আজি
বটবৃক্ষৰ ৰূপ ল'লে
যাৰ ছাঁয়াতেই অসমবাসীয়ে
আজি নৱজীৱন পালে।
জাতি, জনজাতি আৰু সম্প্ৰদায়ৰ
মহামিলনৰ থলি।
হে জগত গুৰু শ্ৰীমন্ত শঙ্কৰ
অসমবাসীৰ হৃদয়ত
তুমিয়ে হৈ ৰ'বা
যুগে যুগে প্ৰভাকৰ।
চৌপাশে শুনিবলৈ পাওঁ
কেৱল তোমাৰ নামৰ ধ্বনি
সেই নামৰ ধ্বনিৰেই মুখৰিত
আজি সমগ্ৰ অসম ভূমি।
ধন্য হ'লো ময়ো আজি
ইয়াতে জনম পায়।
যুগ যুগ ধৰি
গুৰুজনাই য'ত
বাট দেখুৱাই যায়।
হে সৰ্বগুণাকৰ
তুমিয়েই পুত্ৰ কুসুম্বৰৰ
আৰু দুলাল আই সত্যসন্ধাৰ
তুমি এটা যুগৰ অৱতাৰ।
আজি তোমাৰ ৫৬৫তম জয়ন্তী উপলক্ষে
এগচি বন্তি প্ৰজ্বলন কৰি
নতশিৰে আশীষ মগিলো
যাচিলো তোমাৰ চৰণত
শ্ৰদ্ধা একাঁজলি◆

**নাজু হাতিকাকতি**

## ডক্টৰেট উপাধি লাভ

**লখিমপুৰ ঃ** অসম কৃষি বিদ্যালয়ৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খানাপাৰা গুৱাহাটীৰ ৰোগ নিৰূপণ বিভাগৰ ছাত্ৰ ডাঃ ৰাজীৱ বণিয়াই মুৰব্বী অধ্যাপক ড° গৌতম কুমাৰ বৰুৱাৰ তত্ত্বাৱধানত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে। তেওঁৰ গৱেষণাৰ বিষয় আছিল 'Prevalence and Pathology of Flourosis in cattle in Assam.' তেওঁৰ CGPA আছিল 8.52 m 10.00 scale. ডাঃ ৰাজীৱ বণিয়া লখিমপুৰ জিলাৰ নাৰায়ণপুৰ আঞ্চলিকৰ ১নং হাৰমতি ফাকুৱা প্ৰাথমিক শাখাৰ সঙ্গী তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন প্ৰচাৰ সম্পাদক শ্ৰীজগত চন্দ্ৰ বণিয়া আৰু শ্ৰীৰেণু বণিয়াৰ সৰু পুত্ৰ।◆



## কৃতিত্ব

**লখিমপুৰ ঃ** যোৱা ইং ৫/৯/২০১৩ তাৰিখে লখিমপুৰ জিলা ভিত্তিত উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ৫২তম শিক্ষক দিৱস অনুষ্ঠানত মাধৱৰাম গগৈ প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী শ্ৰীসবিতা দাসে উপাযুক্ত শ্ৰীগৌৰৱ বোথাদেৱৰ পৰা কৃতী শিক্ষয়িত্ৰীৰ সম্বৰ্দ্ধনা বঁটাৰ লগতে মানপত্ৰ গ্ৰহণ কৰে। শ্ৰীসবিতা দাস শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উত্তৰ লখিমপুৰ নগৰ প্ৰাথমিক শাখাৰ এগৰাকী সঙ্গী হোৱাৰ লগতে লখিমপুৰ জিলা শাখাৰ শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সহকাৰী সম্পাদিকা।◆



**মৰিগাঁও ঃ** শ্ৰীউৰ্মিমালা বৰাই মৰিগাঁও মজলীয়া বিদ্যালয়ৰ পৰা ২০১২-১৩ বৰ্ষৰ নিম্ন বুনিয়াদী বৃত্তি পৰীক্ষাত মৰিগাঁও জিলাৰ ভিতৰত তৃতীয় স্থান আৰু অসমৰ ভিতৰত ত্ৰয়োদশ স্থান লাভ কৰি বিদ্যালয়ৰ লগতে প্ৰাথমিক শাখাটিলৈ সুনাম কঢ়িয়াই আনে। এওঁ লঠাবড়ী প্ৰাথমিক শাকাৰ সঙ্গী পাত্ৰবড়ী নিবাসী শ্ৰীপদ্মকান্ত বৰা আৰু শ্ৰীআৰতী বৰাৰ একমাত্ৰ কন্যা।◆



## জাগৰণ সভা

**ডিব্ৰুগড় ঃ** আগন্তুক ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহৰ ৬, ৭, ৮ আৰু ৯ তাৰিখে, তিনিচুকীয়া জিলাৰ মাকুমৰ শ্ৰীশ্ৰী অনিৰুদ্ধৰে সমন্বয় ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৮৩ সংখ্যক মূলৰ অধিৱেশনৰ সন্দৰ্ভত তিনিচুকীয়া জিলাৰ শিশু, আই-মাতৃ কল্যাণ সমিতিৰ উদ্যোগত পূৰ্বাঞ্চল আঞ্চলিক শাখাৰ আতিথ্যত শ্ৰীমন্তজ্যোতি প্ৰাথমিক শাখাৰ নামঘৰত যোৱা ইং ৮/৯/২০১৩ তাৰিখ দেওবাৰে দিনৰ ১১ বজাত এভাগি জাগৰণ সভা হয়। সভাত আঞ্চলিক শাখাৰ অন্তৰ্বৰ্তী অতি পিছপৰা বাট-পথৰ সুবিধা নথকা প্ৰাথমিক শাখাসমূহৰ পৰা বাটকুৰি বাই আই-মাতৃ, সেৱাবাহিনী সেৱক-সেৱিকা আৰু বাপসকল প্ৰায় দুই শতাধিকাৰ উপস্থিতিত হয়। জিলা শিক্ষা সমিতিৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ দাস বাপে মহাপুৰুষ মাধৱদেৱৰ এফাকি ঘোষাৰে সভাভাগ শুভাৰম্ভ কৰে। জিলা সাহিত্য শাখাৰ সম্পাদক শ্ৰীলোহিত দাস বাপে উদ্বোধন কৰা সভাভাগ শিশু, আই-মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী শ্ৰীকুন্তী বুঢ়াগোহাঁই আয়ে সঞ্চালনা কৰে। শ্ৰীচিত্ৰলেখা দাস আইৰ নেতৃত্বত কেইগৰাকীমানে গুৰুজনাৰ এটি বৰগীত পৰিৱেশন কৰে। কেন্দ্ৰীয় সমিতিৰ সম্পাদিকা শ্ৰীৰূপা চুতীয়া আইৰ উপৰি ডিব্ৰুগড় মণ্ডলৰ উপদেষ্টা শ্ৰীজিনা বৰা আয়ে অধিৱেশনৰ সন্দৰ্ভত বিশেষ সাৰুৱা বক্তব্যৰ উপস্থিত সকলোকে আপ্যায়িত কৰে। জিলা সমিতিৰ উপদেষ্টা শ্ৰীনীলিমা নেওগ, জিলা সভাপতি, সম্পাদক, জিলাধিনায়ক সৰ্বশ্ৰী চেনীৰাম বৰা, লোকেশ্বৰ নাথ আৰু বদন গগৈ বাপেও বক্তব্য ৰাখে। সদৌ শেষত সভানেত্ৰী আয়ে গুৰু বন্দনাৰে সভাভাগ সামৰণি কৰে।◆

# বিভিন্ন বা-বাতৰি

## শিশু কল্যাণ দিৱস পালন

**বৰপেটা ঃ** যোৱা ২৮/৮/২০১৩ তাৰিখ বুধবাৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বৰপেটা জিলা শাখাৰ কাৰ্যালয় প্ৰাঙ্গন হাউলীত জিলা শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ উদ্যোগত আৰু হাউলী আঞ্চলিক শাখাৰ ব্যৱস্থাপনাত আৰু আতিথ্যত দিনজোৰা কাৰ্যসূচীৰে শিশু কল্যাণ দিৱস উদ্যাপন কৰা হয়। উক্ত শিশু কল্যাণ দিৱসত ৰাতিপুৱা নাম-প্ৰসঙ্গ কৰা হয় জিলা সেৱাবাহিনীৰ দ্বাৰা। ৮ বজাত বৃক্ষৰোপণ হাউলী আঞ্চলিক শাখাৰ দ্বাৰা। ৯ বজতা শঙ্কৰী নৃত্য প্ৰদৰ্শন কৰে জিলা শাখাৰ সঙ্কৰী সঙ্গীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। ১০ বজাত গুৰু পৰিচয় শিশুসকলৰ মাজত। পৰিচয় জ্ঞাপন কৰে শ্ৰীঅক্ষয় উজিৰ (শৰণ সদস্য) বাপে। ১১ বজাত কাৰ্যালয় প্ৰাঙ্গনত শিশুৰ চিত্ৰাঙ্কণ, কুইজ, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰম্ভ হয়। পৰিচালনা কৰে শ্ৰীমহাদেৱ পাঠক আৰু শ্ৰীৰবীন দাস বাপে। আঁতধৰে প্ৰাক্তন মূলৰ সদস্য শ্ৰীহৰিহৰ বাপে। একে সময়তে নামঘৰ প্ৰাঙ্গনত আই-মাতৃসকলৰ এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে জিলা শাখাৰ শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী শ্ৰীক্ষীৰদাপ্ৰভা দাস আয়ে। সভাখন উদ্বোধন কৰে হাউলী আঞ্চলিক সম্পাদক শ্ৰীদীপেন বাপে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শ্ৰীভাৰতী ডেকাআয়ে। জিলা ভিত্তিত অনুষ্ঠিত কৰা সভাত যথেষ্ট সংখ্যক আই-মাতৃৰ উপস্থিতি সন্তোষজনক। শিশু-আই-মাতৃ কল্যাণ সমিতিৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংগঠনৰ বিষয়ে কেবাগৰাকী আয়ে গুৰুত্বপূৰ্ণ মতামত আগবঢ়ায়। সভাৰ শেষত সভানেত্ৰী আয়ে শিশু কল্যাণ দিৱসৰ তাৎপৰ্য সম্পৰ্কত মন্তব্য আৰু গুৰু বন্দনাৰে সভা ভঙ্গ হয়। আবেলি চাৰি বজাত হাউলী আঞ্চলিকৰ আইসকলৰ থিয়নাম প্ৰদৰ্শন কৰা হয়। সন্ধিয়া ৬.৩০ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীত প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰে শ্ৰীনৰেন্দ্ৰ নাথ (উপদেষ্টা, হাউলী আঞ্চলিক শাখা) বাপে।◆

## উপহাৰ কুপনৰ ফলাফল ঘোষণা

**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গোলাঘাট জিলাৰ শ্ৰীমন্ত আঞ্চলিক শাখাৰ নামঘৰ নিৰ্মাণৰ অৰ্থে জন্মাষ্টমী দিনটোক কেন্দ্ৰ কৰি খেলা উপহাৰ কুপনৰ খেলাখন গণকপুখুৰী চাৰিআলিস্থ নাট্যমন্দিৰত নিৰ্দিষ্ট তাৰিখ ২৮/৮/২০১৩ তাৰিখে বিয়লী ৩ বজাত ফলাফলসমূহ ঘোষণা কৰে।

১২ বজাত জিলা প্ৰাক্তন সভাপতি ৰত্নেশ্বৰ দত্ত বাপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন উদ্বোধন কৰে গণক পুখুৰীৰ সমাজ সেৱিকা চম্পা বৰা আইৰাকীয়ে। মূল তত্ত্বাৱধায়ক হিচাপে জিলা শাখাৰ সভাপতি থানেশ্বৰ হাজৰিকাৰ প্ৰমুখ্যে সম্পাদক শ্ৰীঅনিল বৰুৱা, প্ৰচাৰ সম্পাদক শ্ৰীতৰুণ কুমাৰ বৰা। শিক্ষা সমিতিৰ সভাপতি-সম্পাদক শ্ৰীসুৰেন হাজৰিকা, প্ৰদীপ বৰা, সহ সম্পাদক শ্ৰীখগেন বৰা, উক্ত আঞ্চলিক শাখাৰ সভাপতি শ্ৰীৰূপেশ্বৰ বৰা। মধ্য আঞ্চলিকৰ শ্ৰীবৰুণ বিভোৰ শইকীয়া আৰু জিলা সদস্য শ্ৰীপ্ৰদীপ বৰা আৰু শ্ৰীপদ্মেশ্বৰ শইকীয়া বাপসকল উপস্থিত থাকে। বিচাৰক হিচাপে শ্ৰীঅতুল বৰা, শ্ৰীকুশেশ্বৰ কলিতা আৰু শ্ৰীপ্ৰদীপ বৰা উপস্থিত থাকে। শ্ৰীমন্ত আঞ্চলিক শাখাৰ খেল পৰিচালনা সমিতিৰ সভাপতি শ্ৰীপূৰ্ণানন্দ বৰা, সম্পাদক শ্ৰীনগেন ৰাজখোৱাৰ প্ৰমুখ্যে আঞ্চলিক শাখাৰ বিষয়ববীয়া আৰু বাপ-আইসকল উপস্থিত থাকে। মূল পৰিচালক মঃ জাকিৰ হুছেইন ডাঙৰীয়াই হাউচিৰ পদ্ধতিৰে অতি নিখুঁটভাৱে খেলখন পৰিচালনা কৰি তলত উল্লেখ কৰাৰ দৰে বিজেতাসকলৰ নম্বৰসমূহ ঘোষণা কৰে—

প্ৰথম পুৰস্কাৰ ঃ মটৰ চাইকেল এখন (৫০৩৯), দ্বিতীয় পুৰস্কাৰ ঃ ৰেফ্ৰিজাৰেটৰ এটা (৭৫৮২), তৃতীয় পুৰস্কাৰ ঃ ষ্টিল আলমিৰা এটা (৭৬৮৫), চতুৰ্থ পুৰস্কাৰ ঃ পুৰুষৰ চাইকেল আঠখন (২৬৮২, ৬২৭৩, ৬৮৪৪, ৬৫০৭, ৬৭৭৩, ৩৩১৬, ২৬৭৪, ৪৪৮৩), পঞ্চম পুৰস্কাৰ ঃ মহিলা চাইকেল দুখন (৪০৮২, ৩৪৬৯), ষষ্ঠ পুৰস্কাৰ ঃ ফেন এখন (২৫৭২), সপ্তম পুৰস্কাৰ ঃ মিক্সি এটা (৪৯৩৬)। উক্ত পুৰস্কাসমূহ লাভ কৰা বিজেতাসকলক ৩০ দিনৰ ভিতৰত পৰিচালনা সমিতিৰ পৰা গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনোৱা হ'ল।

খেলখনৰ অগ্ৰগতিৰ বিষয়ত বুজ ল'বৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত, শিশু আৰু আই-মাতৃ কল্যাণ শাখাৰ সম্পাদিকা শ্ৰীৰূপা চুতীয়া, কেন্দ্ৰীয় সেৱাবাহিনীৰ উপ-মুখ্য অধিনায়ক শ্ৰীবিপ্লৱজ্যোতি বৰা বাপ আদি উপস্থিত হোৱাত জিলাখনৰ লগতে শ্ৰীমন্ত আঞ্চলিক শাখাৰ বাপ-আইসকলে পৰম সন্তোষ লাভ কৰে।◆

## অঙ্কীয়া ভাওনা প্ৰতিযোগিতা

**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গোলাঘাট জিলা শাখাই গুৰুজনাৰ সৃষ্টিৰাজি অঙ্কীয়া ভাওনাৰ প্ৰচাৰ-প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট জিলাৰ সংস্কৃতি শাখাই জিলাখনৰ ১৪খন আঞ্চলিকৰ ভিতৰত ৬খন আঞ্চলিকক নিৰ্বাচন কৰি প্ৰথম বৰ্ষ হিচাবে অঙ্কীয়া ভাওনাৰ নাট্য আন্দোলনৰ মাধ্যম হিচাপে প্ৰতিযোগিতাৰ আয়োজন কৰে।

ব্ৰহ্মপুত্ৰ আঞ্চলিক শাখাক— ৰাম-বিজয়, মধ্য আঞ্চলিক শাখাক— পাৰিজাত হৰণ, উত্তৰ আঞ্চলিক শাখাক— ৰাম-বিজয়) মণিকাঞ্চন আঞ্চলিক শাখাক— পাৰিজাত হৰণ, ঢেকীয়াল আদৰ্শ আঞ্চলিক শাখাক— ৰাম-বিজয়, শ্ৰীমন্ত আঞ্চলিক শাখাক— পাৰিজাত হৰণ ভাওনা মঞ্চায়ন কৰিব।

প্ৰতিযোগিতাভাগি অহা নবেম্বৰ মাহৰ পহিলা সপ্তাহৰ পৰা এটা তাৰিখত দুখনকৈ ভাওনা জিলাখনৰ ৩টা স্থানত অনুষ্ঠিত হ'ব। ইতিপূৰ্বে সংস্কৃতি শাখাই ওপৰত উল্লেখ কৰা ৬খন আঞ্চলিকলৈ প্ৰশিক্ষক প্ৰেৰণ কৰিছে। শ্ৰীজয়ন্তকমল বৰুৱা (ব্ৰহ্মপুত্ৰ আঞ্চলিক) শ্ৰীমিণ্টু বৰদলৈ (শ্ৰীমন্ত আৰু আদৰ্শ আঞ্চলিক) শ্ৰীধ্ৰুৱ বৰা (মণিকাঞ্চন আঞ্চলিক) শ্ৰীপৰাগজ্যোতি হাজৰিকা (মধ্য আঞ্চলিক) আদি প্ৰশিক্ষক বাপসকলে শিৰিৰসমূহত আখৰাৰ প্ৰস্তুতি আৰম্ভ কৰিছে।◆

## বাতৰি

**গোলাঘাট ঃ** ৫/৯/২০১৩ তাৰিখে গোলাঘাট জিলা প্ৰশাসনে বোকাখাট নাট্য মন্দিৰত শিক্ষক দিৱসৰ দিনা জিলাখনৰ কৃতিত্ব থকা শিক্ষকসকলক সম্বৰ্দ্ধনা জনোৱা শিক্ষকসকলৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গোলাঘাট জিলাৰ সঙ্গী বাপ-আইপ্ৰশানৰ পৰা প্ৰসংশা পত্ৰ আৰু সম্বৰ্দ্ধনা লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে। শ্ৰীবিৰেন বৰা (প্ৰাক্তন জিলা সভাপতি, দৈয়াং), শ্ৰীঅনিল বৰুৱা (জিলা সম্পাদক, খনিকৰ) শ্ৰীললিত নাথ (প্ৰাক্তন সম্পাদক, ফৰকাটিং), শ্ৰীলোহিত নাথ (ফৰকাটিং আঞ্চলিক) আৰু শ্ৰীপুৰবী শইকীয়া (গোলাঘাট আঞ্চলিক) শ্ৰীনন্দেশ্বৰ ভুঞা (পূব আঞ্চলিক শাখা) উক্ত শিক্ষক-শিক্ষয়িত্ৰীসকললৈ জিলা শাখাৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা নিবেদন কৰা হয়।◆

## কৰ্মশালা

**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গোলাঘাট জিলা শাখাই প্ৰতিখন আঞ্চলিকৰ জিলা সংস্কৃতি শাখাৰ জৰিয়তে গুৰুআসন প্ৰতিষ্ঠা, শৰাই গুৱাপাণ অৰ্চন, নাম-প্ৰসঙ্গ, পাঠ-প্ৰসঙ্গ, দেউৰি, বিলনীয়া আদিৰ জিলা সভাপতি শ্ৰীথানেশ্বৰ হাজৰিকা বাপৰ সঞ্চালনাত এলানি কৰ্মশালাৰ আয়োজন কৰি যোৱা ৭/৯/২০১৩ তাৰিখে দেৰগাঁও আঞ্চলিক শাখাই শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰ, চকিয়াল গাঁৱত সন্ধ্যা ৬ বজাৰ পৰা ২৫ জন বাপক প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাভাগি জিলা সম্পাদক শ্ৰীঅনিল বৰুৱা বাপে সাংবিধানিক ধাৰা অনুসৰি জিলাখনত গুৰু আসন প্ৰতিষ্ঠাৰ পৰা বিসৰ্জনলৈকে সমূহ অনুষ্ঠানৰ একত্ৰিকৰণ কৰাটোৱেই এই কৰ্মশালাৰ মুখ্য উদ্দেশ্য বুলি কৰ্মশালা শুভাৰম্ভ কৰা হ'ব বুলি মত পোষণ কৰে। পৰিচালক হিচাপে জিলাৰ প্ৰাক্তন সম্পাদক সংস্কৃতিৰ সাধক শ্ৰীপ্ৰফুল্ল শইকীয়া বাপে শঙ্কৰী সংস্কৃতিয়ে সংস্কৃতিৱান হে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নীতি আৰু আদৰ্শ ওপৰত ভক্তিৰ মাধ্যমেৰে একত্ৰিকৰণ হ'বলৈ হ'লে কৰ্মশালাৰ জৰিয়তে অনুশীলন গ্ৰহণ কৰি থাকিবৰ বাবে বাপ-আইসকলক আহ্বান জনায়।

প্ৰশিক্ষক শ্ৰীঅৰুণ বৰা (সম্পাদক, গোলাঘাট আঞ্চলিক শাখা) বাপজনাই গুৰু আসন প্ৰতিষ্ঠাৰ পৰা আৰম্ভ কৰি প্ৰতিটো বিষয়ৰ ওপৰত সুন্দৰভাৱে অনুশীলনসহ প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাভাগিত মূল আঁত ধৰে জিলাৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৰাগজ্যোতি হাজৰিকা বাপে জিলা প্ৰচাৰ শাখাৰ সম্পাদক শ্ৰীতৰুণ বৰা বাপো উপস্থিত থাকে।

(১৫ পৃষ্ঠাত চাওক)

# বিভিন্ন বা-বাতৰি

(১৪ পৃষ্ঠাৰ পৰা)

কৰ্মশালাসমূহৰ শেষৰ ফালে সঞ্চালক জিলা সভাপতি শ্ৰীথানেশ্বৰ হাজৰিকাবাপে সংবিধানত নতুনকৈ গ্ৰহণ কৰা দফাসমূহৰ ওপৰত বহুল ব্যাখ্যা প্ৰদানৰ উপৰি সংশোধিত চাৰি পুস্তিকাৰ ওপৰত বক্তব্য ৰাখি সাংবিধানিক ধাৰাৰে একত্ৰিত হৈ সাংগঠনিক দিশত জিলাখনত সবল কৰি তুলিবৰ বাবে সকলোকে আহ্বান জনায়।◆

## শঙ্কৰী সঙ্গীত বিদ্যালয় প্ৰতিষ্ঠা আৰু কৰ্মশালা

**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গোলাঘাট জিলাৰ ব্ৰহ্মপুত্ৰ আঞ্চলিক শাখাই জৰাগুৰিত (আঞ্চলিক কাৰ্যালয়) ২০১২ চনত জিলা সংস্কৃতি শাখাৰ সহযোগত বিদ্যালয়খনি প্ৰতিষ্ঠা কৰা হয়। বৰ্তমান আঞ্চলিক শাখাৰ তত্ত্বাৱধানত সংস্কৃতি শাখাৰ সভাপতি শ্ৰীজয়ন্তকমল বৰুৱা বাপে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত পাঠদান অব্যাহত ৰাখিছে।

জিলা সংস্কৃতি শাখাই জিলাখনত অঙ্কীয়া ভাওনাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱাৰ ফলস্বৰূপে যোৱা ২৭/৭/২০১৩ তাৰিখে ব্ৰহ্মপুত্ৰ আঞ্চলিকৰ জৰাগুৰি নামঘৰত সঙ্গী বাপ-আইসকলৰ উপস্থিতিত দুদিনীয়াকৈ অঙ্কীয়া নাটৰ ওপৰত এভাগি কৰ্মশালা অনুষ্ঠিত কৰে। কৰ্মশালাৰ অন্তত 'ৰাম-বিজয়' নাটভাগিৰ আখৰাৰ শুভাৰম্ভ কৰা হয়। বৰ্তমান জিলা সংস্কৃতি শাখাৰ সভাপতি শ্ৰীজয়ন্তকমল বৰুৱা বাপে নাটকভাগিৰ আখৰা অব্যাহত ৰাখি প্ৰায় সম্পূৰ্ণ কৰি তুলিবলৈ সক্ষম হৈছে।◆

## শিশু কল্যাণ দিৱস উদ্‌যাপন

**কাৰ্বিআংলং ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কাৰ্বি-আংলং জিলাৰ হাওৰাঘাট নগৰ প্ৰাথমিক শাখাত যোৱা ২৮/৮/২০১৩ তাৰিখে 'শিশু আই-মাতৃ কল্যাণ সমিতিৰ উদ্যোগত শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ লগত সংগতি ৰাখি 'শিশু-কল্যাণ' দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। প্ৰাতঃপ্ৰসঙ্গৰ আঁত ধৰে নামঘৰীয়া শ্ৰীৰিশেশ্বৰ বৰা বাপে। সম্পাদিকা শ্ৰীবিভা বৰা আইগৰাকীৰ তত্ত্বাৱধানত শিশুসকলৰ মাজত বৰগীত, কুইজ, বক্তৃতা, কবিতা, আবৃত্তি, নৃত্য, দিহানাম আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। জিলা শাখাৰ প্ৰাক্তন সভাপতি শ্ৰীজগন্নাথ বৰা বাপে উদ্বোধন কৰা ধৰ্মালোচনী সভাত সঞ্চালিকাৰ আসন গ্ৰহণ কৰে শ্ৰীকনমাই শইকীয়া আয়ে। বিশিষ্ট অতিথিৰ ভাষণত জিলা সম্পাদক শ্ৰীমাধৱ বৰা বাপজনাই জন্মাষ্টমীৰ তাৎপৰ্য আৰু শিশুসকলৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশত সহায় হোৱাকৈ নীতি শিক্ষা প্ৰদান কৰে। দুপৰীয়াৰ নাম-প্ৰসঙ্গৰ আঁতধৰে প্ৰাথমিকৰ সভাপতি শ্ৰীতিলক চন্দ্ৰ কাকতিবাপে।◆

## দ্বিতীয় বাৰ্ষিক অঙ্কীয়া নাট সমাৰোহ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, বিশ্বনাথ জিলা শাখাৰ সংস্কৃতি শাখাৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক অঙ্কীয়া নাট সমাৰোহবাগি চাৰিআলি আঞ্চলিক শাখাৰ সহযোগত গঢ়েহাগি চাৰি প্ৰাথমিকৰ আতিথ্যত অহা ৯, ১০ নবেম্বৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। ৯ নবেম্বৰ তাৰিখে পুৱা প্ৰাতঃপ্ৰসঙ্গৰে আৰম্ভ হ'বলগীয়া কাৰ্যসূচীভাগি ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব জিলা সংস্কৃতি শাখাৰ সভাপতি শ্ৰীভবেন বৰা বাপে লগে লগে বিশ্বনাথ জিলা শাখাৰ বিভিন্ন প্ৰাথমিকৰ পৰা অহা প্ৰায় ২০০ জন গায়ন-বায়ন এটি শোভাযাত্ৰা কৰা হয়। দুপৰীয়া ১২ বজাত অনুষ্ঠিত হ'ব 'বৰ্তমান অসমৰ ভাওনা ব্যৱস্থা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ' শীৰ্ষক এখনি আলোচনা-চক্ৰ। উক্ত আলোচনা-চক্ৰত আলোচক হিচাপে উপস্থিত থাকিব মূলৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰা আৰু মূলৰ অতিথি হিচাপে উপস্থিত থাকিব প্ৰধান সম্পাদক শ্ৰীবাবুল বৰাবাপ। সভাপতিত্ব কৰিব সংস্কৃতি শাখাৰ সভাপতি শ্ৰীভবেন বৰাবাপে আৰু উদ্বোধক হিচাপে অংশগ্ৰহণ কৰিব মূলৰ সদস্য ড° নগেন বৰুৱাবাপে। ৰাতিলৈ চাৰিআলি আঞ্চলিক শাখাৰ 'ৰাম-বিজয়' নাটভাগি মঞ্চায়ন কৰা হ'ব।

১০ নবেম্বৰ তাৰিখে পুৱা প্ৰাতঃপ্ৰসঙ্গৰে অনুষ্ঠিত হোৱা কাৰ্যসূচীত দুপৰীয়া ১ বজাৰ পৰা অনুষ্ঠিত হ'ব পুনৰ অনুষ্ঠিত হ'বলগা ভাওনা তিনিভাগৰ সন্দৰ্ভত আলোচনা-চক্ৰ। সঞ্চালক আসন অলঙ্কৃত কৰিব সংস্কৃতি শাখাৰ সভাপতি শ্ৰীভবেন বৰা আৰু আলোচক হিচাপে উপস্থিত থাকিব শ্ৰীধ্ৰুৱজ্যোতি ৰাজখোৱাবাপ।◆

## শান্তি সমদল

**যোৰহাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যোৰহাট জিলা শাখাৰ শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ উদ্যোগত গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি ২ অক্টোবৰ, ২০১৩ তাৰিখে জিলা শাখাৰ আইসকলৰ সহযোগত শান্তি সমদল শোভাযাত্ৰা কাৰ্যসূচী ৰূপায়ন কৰা হয়। উক্ত কাৰ্যসূচীভাগ শুভ উদ্বোধন কৰে যোৰহাট জিলা শাখাৰ আৰক্ষী অধীক্ষক শ্ৰীসংযুক্তা পৰাশৰেই। শোভাযাত্ৰাৰ অন্তত জিলা আৰু মূলৰ বিষয়ববীয়া আই-বাপসকলৰ সহযোগত এখনি আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হয়।◆

## বৰাক উপত্যকাত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ

১৪ অক্টোবৰ তাৰিখে দিনজোৰা কাৰ্যসূচীয়ে অবিভক্ত কাছাৰ জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু বৰগোল প্ৰাথমিক শাখাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱভাগি কৰিমগঞ্জ জিলাৰ বৰগোল নামঘৰ প্ৰাঙ্গনত অনুষ্ঠিত হয়। পুৱা প্ৰাতঃপ্ৰসঙ্গৰ পিছত উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীপ্ৰসেন চুটিয়াই ধৰ্মধ্বজা উত্তোলন কৰে। ইয়াৰ পিছত ৫ কিলোমিটাৰ বাট ভাগৱত শোভাযাত্ৰাৰে পৰিভ্ৰমণ কৰা হয়। ইপিনে শ্ৰীজয়ন্ত হাজৰিকা আৰু শ্ৰীবীণা হাজৰিকাৰ পৰিচালনাত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। মাহ-প্ৰসাদ আৰু মহাপ্ৰসাদ বিতৰণৰ পিছত 'বৰ্তমান সময়ত শঙ্কৰদেৱৰ প্ৰাসঙ্গিকতা' শীৰ্ষক এভাগি ধৰ্মালোচনী সভা আৰম্ভ হয়। সভাভাগি উদ্বোধন কৰে শৰণ সদস্য শ্ৰীসুহাগমণি বৰ্মনবাপে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শ আৰু জীৱনীৰ আলোচনা কৰে সৰ্বশ্ৰী মহেন্দ্ৰ চেতিয়া, নিৰঞ্জন হাজৰিকা, অশোক হাজৰিকা, বীৰেন চুটিয়া, দেৱকান্ত হাজৰিকা আদি বাপসকলে। উল্লেখ্য যে ৰাজ্য ৰাজ্যৰ শাৰদীয় উৎসৱৰ সময়ত বৈষ্ণৱ ধৰ্ম সম্পৰ্কে শঙ্কৰদেৱৰ অনুগামী ভক্ত-বৈষ্ণৱসকলে বৰাক উপত্যকাৰ প্ৰতিষ্ঠিত নামঘৰত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰি বুৰঞ্জী সৃষ্টি কৰিছে।◆

## গোহাৰি

উত্তৰ-পূব ভাৰতৰ ধৰ্মীয়, সাহিত্য, সংস্কৃতি আৰু আধ্যাত্মিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সংস্কৃতি শাখাৰ উদ্যোগত মাজুলী জিলা শাখা ত্ৰয়োদশ বাৰ্ষিক কেন্দ্ৰীয় অঙ্কীয়া নাট সমাৰোহভাগি এইবাৰ স্থগিত ৰখা হৈছে। অহা ৫/১/১৪ তাৰিখে দৰং জিলা শাখাৰ ব্যৱস্থাপনাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, দৈত্যাৰি ঠাকুৰ, গোপাল আতা আদি আত পুৰুষৰ অঙ্কীয়া ভাওনা (গীত, বাদ্য, নৃত্য আৰু নাট্য) বিশ্ব অভিলেখ প্ৰয়াস কৰা হৈছে। এই ভাওনা অনুষ্ঠানত ২৫খন ভাওনা মঞ্চস্থ কৰিব লাগিব। সেয়েহে সংশ্লিষ্ট জিলা শাখাৰ পৰা একোখনকৈ ভাওনা আগবঢ়াবলৈ জিলা শাখা প্ৰতি গোহাৰি জনালো।

১০০০ (এক হাজাৰ) ভোৰতাল এভাগ বিশ্ব অভিলেখ গঢ়া প্ৰয়াস কৰা হৈছে। সেয়ে দুয়োভাগি কাৰ্যসূচীত অংশগ্ৰহণ কৰি আমাৰ সংস্কৃতি প্ৰচাৰ-প্ৰসাৰত সহায়-সহযোগিতা আগবঢ়াই কৃতাৰ্থ কৰে যেন।

**নীতি-নিৰ্দেশাৱলী ঃ**

১. ভাওনাৰ প্ৰতিদল ৪০ গৰাকীকৈ শিল্পী অংশগ্ৰহণ কৰিব পাৰিব।
২. ভাওনাৰ শিল্পী, সাজপাৰ, ৰূপসজ্জা আদি সামগ্ৰী নিজাকৈ আনিব লাগিব।
৩. শিল্পীসকল যাতায়াতী দিয়া নহয়।
৪. ৪/১/১৪ তাৰিখে বিয়লি ২ বজাত আখৰা আৰম্ভ হ'ব। ৫/১/১৪ তাৰিখে পুৱা ৯ বজাত প্ৰদৰ্শনস্থলীত সাজপাৰ পৰিধান কৰি প্ৰৱেশ কৰিব লাগিব।
৫. শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু গোপাল আতা, দৈত্যাৰি ঠাকুৰ আদি আতাপুৰুষসকলৰ নাট/ ঝুমুৰা প্ৰদৰ্শন কৰিব পাৰিব। (মাতৃভাষাৰ নাট প্ৰদৰ্শন কৰিবলৈ দিয়া নহয়, ব্ৰজাৱলী ভাষাৰ নাটহে মঞ্চায়ন কৰা হ'ব।)
৬. ভাওনা প্ৰদৰ্শনৰ সময় ৩০ মিনিট হ'ব।
৭. তালৰ সময় ১৫ মিনিট বজাব লাগিব।
৮. ভাওনা আখৰাসমূহ দূৰদৰ্শন, বাতৰি কাকত যোগেদি প্ৰচাৰ চলাব পাৰিব।
৯. ভাওনাভাগি দিনত কৰা হ'ব।
১০. সংস্কৃতি শাখাৰ সম্পাদকৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ।◆

## ÖÁtá¤ßÁÅÁÖèÁÖÈ1n¸ ÁÕèÁ‡ÁÖÅÁÜ

**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গোলাঘাট আঞ্চলিক শাখাৰ সৌজন্যত আৰু গোলাঘাট চহৰৰ বনমালী প্ৰাথমিক শাখাৰ আতিথ্যত বনমালী প্ৰাথমিক শাখাৰ নৱনিৰ্মিত নামঘৰত যোৱা ২৯ ছেপ্টেম্বৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান সম্পন্ন হয়। আঞ্চলিক শাখাই প্ৰতি প্ৰাথমিক শাখাত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ লোৱা সিদ্ধান্তৰ অংশ হিচাপে বনমালী প্ৰাথমিক শাখাত উক্ত অনুষ্ঠান সম্পন্ন হয়। এক আধ্যাত্মিক পৰিৱেশত অনুষ্ঠিত হোৱা উক্ত ভাগৱত পাঠ অনুষ্ঠানত ভাগৱত পাঠ কৰে গোলাঘাট আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীঅৰুণ বৰাবাপে আৰু ভাগৱত ব্যাখ্যা আগবঢ়াই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচাৰক তথা প্ৰবক্তা শ্ৰীসঞ্জীৱ চুতীয়াবাপে। ভাগৱত পাঠ আৰু ব্যাখ্যাৰ অন্তত বনমালী প্ৰাথমিক শাখাৰ আইসকলে দিহানাম পৰিৱেশন কৰে।◆



অকণি হাতৰ পৰশত (শিল্পী ঃ শ্ৰীনিখিল বৈশ্য, গুৱাহাটী)



অকণি হাতৰ পৰশত (শিল্পী ঃ শ্ৰীহীৰকজ্যোতি মুছাহাৰী, গুৱাহাটী)

# ধৰ্ম আৰু সংসাৰ

(১১ পৃষ্ঠাৰ পৰা)

এই তিনিটা তাপৰ পৰা নিষ্কৃতি পোৱাৰ উত্তম ব্যৱস্থা। এই তিনিটা উত্তম দৃষ্টান্ত হ'ল— (ক) গ্ৰাহস্ত গজেন্দ্ৰই নিজৰ পৰাভৱ আৰু আত্মীয় স্বজনৰ অক্ষমতা দেখি ঈশ্বৰত শৰণ লৈ গ্ৰাহৰ গ্ৰাসৰ পৰা অৰ্থাৎ আধিভৌতিক তাপৰপৰা মুক্তি পাইছিল, (খ) কালীয় দমনৰ পাছত ৰাতি হৈ পৰাৰ কাৰণে যমুনাৰ তীৰতে খপা গোপ-গোপীসকলে ঈশ্বৰ কৃষ্ণত শৰণ লৈ বনাগ্নিৰপৰা অৰ্থাৎ আধি দৈৰিক তাপৰপৰা ৰক্ষা পৰিছিল, (গ) কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণিত শোক মোহৰ মহাপক্ষত ডুবগৈ কৰ্তব্যবিমুখ হোৱা অৰ্জুনে কৃষ্ণত শৰণ লৈ মানসিক মোহগ্ৰস্ততাৰ পৰা অৰ্থাৎ আধ্যাত্মিক তাপৰ পৰা উদ্ধাৰ পাইছিল।

সেয়েহে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে উপৰি উক্তি "হে কৃষ্ণ যত জীৱ নিত্য........"— ঘোষা জোকাৰ দ্বিতীয় চৰণটিত স্পষ্ট ভাষাত সুদৃঢ় কণ্ঠে কোৱা কথাখিনিৰ সাৰমৰ্ম হ'ল— এই তিনি তাপৰপৰা উদ্ধাৰ হোৱাৰ মানসেৰে সনাতন, নিত্য, চিৰশাশ্বত, চৈতন্য ভগৱন্ত কৃষ্ণদেৱৰ চৰণত সম্পূৰ্ণৰূপে আশ্ৰয় লোৱাৰ নিতান্ত প্ৰয়োজন আছে। এই শৰণৰ কথা আমি পৃথিৱীৰ উত্তম শাস্ত্ৰ গীতাত পাওঁ। উত্তম শাস্ত্ৰ গীতাৰ পৰাই এই শৰণ ধৰ্ম ক্ৰমে মানৱ সমাজত প্ৰচাৰিত হৈ আহিছে। এই শৰণৰ বাক্য উত্তম শাস্ত্ৰ গীতাৰ অষ্টাদশ অধ্যায়ৰ ছয়ষষ্ঠি (৬৬) সংখ্যক উত্তম শ্লোকৰূপে উত্তম দেৱতা ভগৱন্ত কৃষ্ণদেৱৰ শ্ৰীমুখেদি নিঃসৃত হৈছে—
"সৰ্ব্ব ধৰ্মান পৰিত্যেজ্যমামেকং শৰণং ব্ৰজ। অহং তাং সৰ্ব্ব পাপেভ্যো মোক্ষয়িষ্যামি মাশুচঃ।।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই এই শ্লোকটিক আক্ষৰিক অনুবাদ কৰিছে ভাগৱতৰ একাদশ স্কন্ধত—

"সৰ্ব্ব ধৰ্ম এৰি এক শৰণ সাক্ষাৎ।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰো অঙ্কীকাৰ।
সমস্ত পাপত মই কৰিবো নিস্তাৰ।।"

গুৰুজনাৰ প্ৰপন্ন শিষ্য, বড়াৰ পো, অভিন্ন আত্মা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱেও এই শ্লোকটিৰ ভাৱাৰ্থ অনুবাদ কৰিছে "ভক্তি ৰত্নাৱলী'ত—

"গীতাত মাধৱে কহিলন্ত অৰ্জুনত।
তেজিয়োক সখি ধৰ্ম কৰ্ম তীৰ্থব্ৰত।।
কেৱলে শৰণ মোত লৈয়ো ধননঞ্জয়।
সৱাতো ৰাখিবো মঞি নকৰিবা ভয়।।"

গীতাৰ এই শ্লোকটি ইমানেই গুৰুত্বপূৰ্ণ আৰু প্ৰসিদ্ধ যে গুৰুজনাই তাৰাৰ একমাত্ৰ সংস্কৃত গ্ৰন্থ 'ভক্তি ৰত্নাকৰ ঃ' নামৰ বিখ্যাত শাস্ত্ৰ ভাগতো ইয়াৰ ব্যাখা কৰিছে—

"মদ্ভক্তেৰ সৰ্বং ভৱিষ্যতাতি দৃঢ় বিশ্বাসেন বিধি কৈঙ্কৰ্য ত্যক্তা মদেক শৰণোভৱা এবং প্ৰৱৰ্তমানঃ কৰ্ম ত্যাগ নিমিত্তং পাপং সাদিতি মা শুচঃ মোকং মা কাৰ্ষীঃ অতঃ তং মাং শৰণং ব্ৰজ মাহী, মামেব শৰণং কুৰু। তামহং সৰ্ব্ব পাপেভ্যোঃ মোক্ষয়িষ্যামি।"

মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰৰ অসমীয়া 'ভক্তি ৰত্নাকৰ'ত এই ব্যাখ্যাৰ অনুবাদ পোৱা যায়—

"গীতাৰ সমস্ত মৰ্ম উদ্ধাৰিয়া আনি।
অৰ্জুনত কৃপায়ে কহিলা চক্ৰপাণি।।
বোলে অৰ্জুনত শুনা বান্ধৱ পৰম।
কহো গুহাতমতো পৰম গুহ্যতম।।
সিজয় সমস্ত ধৰ্ম মোৰ ভকতিত।
সুদৃঢ় বিশ্বাসে হেন কৰিয়া বুদ্ধিত।।
তেজি বিধি বিশ্বৰ যতেক ধৰ্মগণ।
মোতেসে কেৱলে এক হুয়োক শৰণ।।
কৰ্মত্যাগ নিমিত্তে সিজয় পাপ চয়।
ইটো শোক নকৰিবা তুমি ধনঞ্জয়।।
যিহেতু আমাত তুমি লৈলাহা শৰণ।
সৰ্ব্ব পাপ হন্তে মঞি কৰিবো ৰক্ষণ।।

সৰ্বমানৱৰ বাবে অমূল্য ৰত্নস্বৰূপ প্ৰভু ভগৱন্ত কৃষ্ণদেৱৰ এই মহান বাণীখিনিয়েই হৈছে— মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্তিত 'একশৰণ হৰি নাম ধৰ্ম'ৰ মূল মন্ত্ৰ। এই ধৰ্মত সুদৃঢ় বিশ্বাস, গভীৰ আস্থা আৰু নিৰ্ভীকতাৰ বাহিৰে একশৰণ গ্ৰহণত বিভ্ৰান্ত সৃষ্টি কৰা বা একশৰণ গ্ৰহণত বাধা প্ৰদান কৰা বা একশৰণ ভ্ৰষ্ট কৰা বা এনেদৰে মানৱৰ অকল্যাণ আৰু অমঙ্গল কৰা ভয়-শঙ্কা সন্দেহৰ কোনো স্থান নাই। এই ধৰ্মত— অপ্ৰিয়হলেও এইটো সত্য যে এচাম লোকে কেৱল নিজৰ ন্যস্ত স্বাৰ্থ সিদ্ধিৰ কাৰণেহে সাংসাৰিক গৃহস্থী লোকসকলৰ মাজত মিছা কথাৰে ভয়, শঙ্কা, সন্দেহ আদি সোমোৱাই দি গুৰুজনাৰ একশৰণ ধৰ্মাদৰ্শৰ বিৰোধী কৰাৰ ছলেৰে অপ প্ৰচাৰ কৰি ফুৰে। সংসাৰ ঈশ্বৰৰ সৃষ্টি, ঈশ্বৰৰ দান, ই অৱহেলিত হোৱা উচিত নহয়। এই কথাকে গুৰুজনাৰ একান্ত ব্ৰাহ্মণ সেৱক, সাহিত্যৰথী, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱে ১৮৪৩ শকৰ ১১ শ বছৰ ১ ম সংখ্যা বাঁহীত হৈছে— "স্ত্ৰী, পুত্ৰ, পৰিবাৰ আৰু সৰ্বসাধাৰণৰ প্ৰতি যি কৰ্তব্য সেই কৰ্তব্যৰ দায়িত্ব নোলোৱাৰ বাবে নিজৰ জীৱন সম্যকৰূপে পৰিস্ফুট নহয় আৰু ঈশ্বৰৰ অভিপ্ৰায়ৰ বিৰুদ্ধে চলা হয়।" সেয়েহে সংসাৰ ত্যাগ কৰা উচিত নহয়। গুৰুজনা নিজেই ইয়াৰ জ্বলন্ত প্ৰমাণ। আচলতে গুৰুজনাই একশৰণ হৰি নাম ধৰ্ম প্ৰকাশ আৰু প্ৰচাৰ কৰিছিল সৰ্বলোকৰ বাবে অৰ্থাৎ সাংসাৰিক গৃহস্থী লোকসকলৰ বাবেহে। এই সম্পৰ্কে গুৰুজনাই 'কীৰ্তন ঘোষা'ত কি কৈছে চাওঁক—

"কৃষ্ণ কথা শুনা সৰ্ব্বজনে।
উদ্ধাৰিও কৃষ্ণৰ কীৰ্তনে।।
মোক্ষ পাইবা গৃহপাশে থাকি।
জানি হৰি হৰি বোলা ডাকি।।"

গতিকে একশৰণ ধৰ্মাদৰ্শ গ্ৰহণ কৰি এই ধৰ্মৰ সুৰক্ষা আৰু শুদ্ধ আচৰণৰ বাবে অন্য দেৱ-দেৱীৰ পূজা-পাতল পৰিত্যাগ কৰিবলৈ জঁটাধাৰী, দিগম্বৰ, হোৱাৰ কোনো প্ৰয়োজন নাই। মহা দুৰাচাৰী জনেয়ো অন্য দেৱ-দেৱীৰ পূজা-পাতল বৰ্জন কৰি ভগৱন্ত কৃষ্ণদেৱৰ গুণ, নাম শ্ৰৱণ-কীৰ্তন কৰাৰ ব্যৱস্থা আছে। স্বয়ং ভগৱন্ত কৃষ্ণদেৱেই পৃথিৱীত মহান তথা উত্তম শাস্ত্ৰ গীতাত এই ব্যৱস্থাৰ বিষয়ে সুদৃঢ় কণ্ঠে কৈছে—
"অপি চেৎ সুদূৰাচাৰো ভজতে সামনন্য ডাক। সাধুৰেৱ স মন্তব্যঃ সম্যগ ব্যবসিতো হিসঃ।।" (৯-৩০)
মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে এই শ্লোকটিৰ অনুবাদ কৰি 'নামঘোষা'ত আনন্দেৰে গাইছে—

"মাধৱে বোলন্ত ধনঞ্জয়/ মহা দুৰাচাৰো আতিশয়/ আন দেৱ তেদি মোকেসে মাত্ৰ ভজয়। তাকেসে পৰম সাধু বুলি/ মানিবা মনত সৰ্বক্ষণে/যিহেতু সম্যকে কৰিলে মোক নিৰ্ণয়।।"

সেই কাৰণে জাতি-অজাতি, পাপ-পুণ্যৱান, জ্ঞানী-অজ্ঞানী, সদাচাৰী-দুৰাচাৰী, গৃহস্থী-সন্যাসী, নাৰী-পুৰুষ, যুৱক-যুৱতী, বৃদ্ধ-বৃদ্ধা, ধনী-দুখীয়া, ব্ৰাহ্মণ-চণ্ডাল আদি সকলোলোকে নিজৰ নিজৰ সদ্ গতিৰে কাৰণে, ভগৱন্ত কৃষ্ণদেৱৰ এই মহান বাণী ভাগৱ মহান তত্ত্বভাগ সম্যকভাৱে উপলব্ধি কৰি, নিশ্চিত হ'ব লাগে যে অন্য দেৱ-দেৱীৰ পূজা-পাতল এৰি গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ হৰি নামধৰ্ম, গ্ৰহণ কৰি, একমাত্ৰ ভগৱন্ত কৃষ্ণদেৱৰ ভজনা কৰিবৰ কাৰণে কোনো বিশেষণ মুক্ত হ'ব নালাগে। গুৰুজনাৰ কীৰ্তন ঘোষাৰ 'পাষণ্ড মৰ্দন' খণ্ডতো এই তত্ত্ব কথাকে পোৱা যায়—

"নালাগে দেৱ দ্বিজ ঋষি হুইবে।
নালাগে সম্ভৃত শাস্ত্ৰ জানিবে।।
মিছাতে মৰে আন কৰ্ম কৰি।
হোৱন্ত ভকতিতে তুষ্ট হৰি।।"

তদুপৰি মহাপাপী জনেয়ো যে কেৱল মাত্ৰ ভগৱন্ত কৃষ্ণ দেৱৰ গুণ-নাম শ্ৰৱণ-কীৰ্তন কৰিয়েইহে সংসাৰ তৰিব পাৰে, সেই মহান তত্ত্ব প্ৰকাশ কৰি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱেও তাৰাৰ কালজয়ী অমৰ গ্ৰন্থ 'নাম ঘোষা'ত স্পষ্ট ঘোষণা দিছে—

"নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।
শ্ৰৱণ-কীৰ্তন কৰি মহা সুখে
পাপীয়ো সংসাৰ তৰে।।"

সেই তত্ত্ব কথাকে 'সাত্বত তন্ত্ৰ'তো পোৱা যায়—

"মহাপাতকীয়ো যদি কীৰ্তন কৰয়।
বোলে সত্যে সত্যে তৰৈ নাহিকে সংশয়।।"

কিন্তু আনহাতে কৰ্মকাণ্ডত চলাসকলৰ যে কোটি-কোটি কল্পতো নিস্তাৰ নাই, সেই পৰম সত্য প্ৰকাশ কৰি ধৰ্মৰাজ যমে স্পষ্ট ভাষাত কৈছে—

"ৰাখিলন্ত কৰ্মকাণ্ড অজ্ঞানীৰ পদে।
কৰ্মীক নেৰিব ঘোৰ পৰম আপদে।।
ওপজি মৰিবে মহা ভূঞ্জিয়া নিকাৰ।
কোটি কোটি কল্পে নাহি কৰ্মীৰ নিস্তাৰ।।"

— ভাগৱত, ষষ্ঠ স্কন্ধ

উল্লেখযোগ্য কৰ্মকাণ্ডত প্ৰৱৰ্ত্তাসকলক কোটি কোটি কল্পতো নেৰা এনেধৰণৰ ঘোৰ পৰম আপদত পৰিবলৈ নিদিয়াৰ সৎ চিন্তা আৰু সৎ বাঞ্চা আগত ৰাখিহে বশিষ্ট সং হিতাইও বৈষ্ণৱ গৃহস্থীৰ আচৰণ সম্পৰ্কে ঘোষণা দিছে—
"নিতং নৈমিত্তিকং কাম্যং দানং সন্ধালপ মেৰচ। দৈবং কৰ্ম তথা পৈত্ৰং ন কুৰ্য্যাদ বৈষ্ণৱো গৃহী।।"

অৰ্থাৎ— নিত্য, নৈমিত্তিক সকাম কৰ্ম, দেৱ-দেৱী স্তৱ স্তুতিযুক্ত দৈৱ কৰ্ম, পিতৃগণ নামৰ বিশেষ দেৱতা (সুকালীন, সোমপা) আদিৰ তৰ্পণযুক্ত পৈত্ৰকৰ্ম, দান-সঞ্চলন কৰ্ম বৈষ্ণৱ গৃহস্থই কেতিয়াও নকৰিব।

তদুপৰি এইটো এটা জানিবলগীয়া ভক্তিমুলক তত্ত্বকথা যে কৃষ্ণ ব্যতিৰেকে অন্য দেৱ-দেৱীত ভকতি আৰু মুকুতি একোৱেই নহয়, সেই পৰম তত্ত্ব কথাকে প্ৰকাশ কৰি ভকতিৰ মহা পাত্ৰ স্বয়ং ভগৱন্ত কৃষ্ণদেৱেই জিজ্ঞাসু ভক্ত উদ্ধৱক কৈছে—

"নকৰিবা সেৱা সখি আন দেৱতাৰ।
নুহি জানা ভকতি আমাৰ ব্যভিচাৰ।।"

—ভাগৱত, একাদশ

ঈশ্বৰে আৰু কৈছে—

জ্ঞান, কৰ্ম ভকতি কহিলো কৰি ভেদ।
ভকতি পৰম পন্থ দিলো পৰিচ্ছেদ।।
নাহিকে উত্তম গতি ভকতিত পৰে।
নিস্তে কহো ভকতিসে মোক বশ্য কৰো।।

— ভাগৱত, একাদশ

ভগৱন্ত কৃষ্ণদেৱৰ এই তত্ত্ব কথাখিনিকে স্বামী বিবেকানন্দৰ 'বাংলা ভক্তি যোগ'তো পোৱা যায়—

"ঈশ্বরকে এবং কেবল ঈশ্বরকে উপাসনার নামেই ভক্তি। দেব, পিতৃ অথবা অন্য কোনো উপাসনা ভক্তি শব্দ বাচ্য ইহতে পারে না। ভিন্ন ভিন্ন উপাসনা কৰ্মকাণ্ডের অন্তর্ভূক্তি, উহা উপাসককে কেবল কোন প্রকার স্বৰ্গভোগ ৰূপ বিশেষ সুখ প্রদান করে। কিন্তু উহাতে ভক্তি উদায় হয়না। উহা মুক্তিও প্রসব করিতে পারেণ।"

আকৌ জ্ঞান কাণ্ডত চলাসকলৰো যে সমস্ত প্ৰয়াস নিষ্ফল হয়, আৰু সেই বাবেই যে কেৱলমাত্ৰ ক্লেশহে অৰ্থাৎ দুঃখ-কষ্টহে প্ৰাপ্তী হ'ব লগা হয়, সেই সত্যকো দেৱ শ্ৰেষ্ঠ ব্ৰাহ্মাই শিশু কৃষ্ণৰ ওচৰত স্বীকাৰ কৰি কৈছে—

"জ্ঞান পন্থ ত্ৰৰি প্ৰভূ তোমাৰ কথাক।
কায়-বাক্য মনে সেৱে যিটো সাধুজাক।।
মুকুতি ৰসকো স্ৰৱৈ তোমাৰ ভকতি।
তাহাক এৰি যিটো কৰে জ্ঞান পন্থে ৰতি।।
ক্লেশ মাত্ৰ পাৱে সিটো নিষ্ফল প্ৰয়াসে।
বাহানে পতান যেন তণ্ডুলক আশে।।"

—কীৰ্ত্তন-ঘোষা, শিশুলীলা

সেই তত্ত্ব কথাকে শ্ৰীমদ্ভাগৱত শাস্ত্ৰ ভাগৱ একাদশ স্কন্ধতো পোৱা যায়—

"জগতৰ ধৰ্ম কৰ্ম কৰোক সকলে।
মোক আত্মা বুলি যিটো জানে যোগবলে।।
তথাপি পৱিত্ৰ তাৰ নুহি তনু চিত্ত।
নেৱাই মৃত্যু ভয় জ্ঞানী কৰ্মী কদাচিত।।"

মুঠতে জ্ঞান কাণ্ড আৰু কৰ্ম কাণ্ডই যে কাকো কেতিয়াও তৰিব নোৱাৰে সেই পৰম তত্ত্বকে প্ৰকাশ কৰি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱেয়ো তাৰাৰ বাস্তৱী মূৰ্ত্তিস্বৰূপ 'নামঘোষা'ত সঠিক ভাৱেই ঘোষণা দিছে—

"কেৱল ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৰে।
জ্ঞান কৰ্মে তাৰিতে নপাৰে
ভকতি নপাৰে যাৱে।।"

গতিকে এই পৰম সত্যটো জল্-জল্, পট্-পট্কৈ ওলাই পৰিছে যে সাংসাৰিক গৃহস্থী লোক মাত্ৰকেই গৃহকৰ্মতে থাকিয়েই কাকো কেতিয়াও তাৰিব নোৱাৰা কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ড বৰ্জন কৰি সৰ্বলোককে তাৰিব পৰা 'একশৰণ হৰিনাম ধৰ্ম' গ্ৰহণ কৰি, বৈষ্ণৱ গৃহস্থী হৈ, হৰি ভক্তি কৰোতে বিষয়াসক্তি ক্ৰমাত লোপ পাব আৰু অৱশেষত সদ্গতিৰ পাত্ৰ হৈ দেৱৰো দুৰ্লভ মনুষ্য জন্ম যে সাৰ্থক কৰিব পাৰিব তাত বিন্দু মাত্ৰও ভয়, শঙ্কা, সন্দেহ নাই।

অইন কি স্বয়ং ভগৱন্ত কৃষ্ণ দেৱেয়ো সেই পৰম তত্ত্বকেই প্ৰকাশ কৰি জিজ্ঞাসু ভক্ত অৰ্জুনক সুদৃঢ় কণ্ঠে কৈছে—
"সাংহি পাৰ্থ ব্যপাশ্ৰিত্য সেহপি স্যুঃ পাপ যোনয়ঃ। স্ত্ৰিয়ো বৈশ্যাস্তথা শূদ্ৰাস্তেহপি যান্তি পৰাং গতিম।।"

—গীতা, ৯-৩২

পৰিশেষত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে কৰা উপৰি উক্ত শ্লোকটিৰ অনুবাদেৰে সামৰিছোঁ—

"আমাৰ নিৰ্মল ভকতিত/ দুৰাচাৰো তৰে কোন চিত্ৰ/ আমাক ভজিয়া চাণ্ডালো তৰে সংসাৰ। স্ত্ৰী শূদ্ৰ বৈশ্য আদি যত/ বিষয়ত মাত্ৰ সদাৰত/ মোক ভজি সুখে ইসৰো হোৱে উদ্ধাৰ।।

—নামঘোষা।❑

# নিৰ্গুণ ভকতি

ৰত্নেশ্বৰ শইকীয়া

ঘৰত থকা এজনী দাসীৰ পুত্ৰ আছিল। এবাৰ বাৰিষা কালত কৃষ্ণৰ পৰম ভক্ত চাৰিজন সন্যাসী ব্ৰাহ্মণৰ ঘৰত আলহী হৈ আছিল। নাৰদৰ বয়স তেতিয়া পাঁচ বছৰ। সন্যাসীসকলে কৃষ্ণ কথা আলোচনা কৰি থাকোতে নাৰদে একান্ত মনে শুনি থাকে। মাজে মাজে তেওঁ সন্যাসীসকলৰ আলাপৈচান ধৰে। তেওঁলোকৰ মুখৰপৰা কৃষ্ণ কথা শুনি শুনি নাৰদৰ মন কৃষ্ণ ভক্তিত নিমৰ্জ্জিত হৈ পৰিল। বাৰিষাৰ অন্তত সন্ন্যাসীসকল যাবলৈ ওলাল। নাৰদ তেওঁলোকৰ পাছে পাছে গৈ নানা কাবৌ মিনতি কৰি কৃষ্ণ কথা উপদেশ দিবৰ বাবে প্ৰাৰ্থনা জনালে। মুনিসকল সদয় হৈ নাৰদক পৰম ঈশ্বৰ তত্ত্ব ব্যক্ত কৰি ভকতিৰ মহাজ্ঞান দিলে। তেতিয়াৰপৰা নাৰদে হৃদয়ত কৃষ্ণমূৰ্ত্তি ধাৰণ কৰিলে আৰু আন দেৱতা উপসনা ধৰ্মক মায়াময় দেখি তাক অন্তৰৰপৰা ত্যাগ কৰিলে।

এনেতে নাৰদৰ বৃদ্ধ মাতৃৰ সৰ্প দংশনত মৃত্যু হ'ল। তেতিয়া নাৰদৰ মনলৈ উদাস ভাব আহিল আৰু মায়াৰ বন্ধন চিঙি উত্তৰ দিশে গতি কৰি ন না পৰ্বত-পাহাৰ, নদ-নদী পাৰ হৈ এখন সৰোবৰ পালে। তাতে স্নান কৰি অলপ সুস্থ হৈ এজোপা অশ্বথৰ তলত হৃদয়ত কৃষ্ণ মূৰ্ত্তি ধাৰণ কৰি ধ্যানত বহিল। এইদৰে ধ্যানত মগ্ন হৈ থাকোতে হঠাৎ ঈশ্বৰ কৃষ্ণৰ মূৰ্ত্তি দেখা পালে। কিন্তু ক্ষন্তেক পাছতে কৃষ্ণ মূৰ্ত্তি অন্তৰ্ধান হোৱাত শোকত বিহুল হৈ আকৌ ধ্যানত বহিল। এনেকৈ ধ্যান কৰি থকা অৱস্থাত হঠাৎ আকাশীবাণী শুনিলে, হে বালক ! তুমি ক্ৰন্দন পৰিত্যাগ কৰা। এই জন্মত তুমি মোক নেপাবা। সদায় মোৰ নাম গুণ কীৰ্তন কৰি ফুৰিবা। সিজন্মত মোক সদায় দৰ্শন পাবা। তেতিয়াৰপৰা নাৰদে কৃষ্ণ নাম কীৰ্তন কৰি ফুৰিব ধৰিলে।

এনেদৰে নাৰদৰ জীৱন চক্ৰ ঘূৰি থাকোতেই পৃথিৱীত প্ৰলয় হ'ল। এই প্ৰলয় চলি থাকোতেই নাৰদ গৈ ব্ৰহ্মাৰ হৃদয়ত প্ৰৱেশ কৰিলে। তাৰ পাছত ব্ৰহ্মাই নাৰদক মানস পুত্ৰ হিচাবে জন্ম দি পৃথিৱীলৈ কৃষ্ণ ভক্তি প্ৰচাৰৰ কাৰণে প্ৰেৰণ কৰিলে। তেতিয়াৰপৰা নাৰদে হাতত বীণা লৈ দেশে দেশে কৃষ্ণভক্তি প্ৰচাৰ কৰি ফুৰিব ধৰিলে।

গতিকে, নাৰদৰ জীৱন চৰিত্ৰই আমাক দেখুৱাই দিছে যে পৰম কৰুণাময় কৃষ্ণৰ কৃপা লাভ কৰিবলৈ হ'লে আন দেৱতাক মনৰপৰা সম্পূৰ্ণ বিসৰ্জন দিব লাগিব। গভীৰ আত্মবিশ্বাসেৰে কঠোৰ সাধনা কৰি একান্ত চিত্তে কৃষ্ণক ভজিব নোৱাৰিলে কেতিয়াও তেওঁৰ কৃপা লাভ কৰিব নোৱাৰি। নাৰদে একান্তভাৱে কৃষ্ণৰ চৰণ চিন্তা কৰি জনমে জনমে কৃষ্ণ গুণ গাই জগতত প্ৰচাৰ কৰিছিল। প্ৰলয়ৰ কাল ধুমুহাই তেওঁৰ কৃষ্ণৰ চৰণ চিন্তাৰপৰা বিছিন্ন কৰিব নোৱাৰিছিল। কৃষ্ণ ভক্তিৰ বলত ব্ৰহ্মাৰ হৃদয়ত প্ৰৱেশ কৰি পুনৰ জন্ম লাভ কৰি কৃষ্ণ গুণানু কীৰ্তন কৰি ফুৰিছিল। হৰি নামৰ মহিমাৰ বলত স্বৰ্গ, মৰ্ত্ত্য, পাতাল তিনিও লোকতে অবাধে বিচৰণ কৰি ফুৰিছিল। ভকতিৰ বলত তেওঁ পাৰিষদী তনু লাভ কৰি কৃষ্ণৰ একান্ত ভক্ত ৰূপে জগতত সুখ্যাতি অৰ্জন কৰিছিল।

"ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত জানা গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয়।।"

— নাম-ঘোষা

ভগৱন্তৰ সম্বন্ধ কেৱল ভকত আৰু ভকতিৰ লগত। ভকতি নেথাকিলে কেতিয়াও ভগৱন্তৰ কৃপা লাভ কৰিব নোৱাৰি। সংসাৰৰ যাতনাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে ভক্তই ভগৱন্তৰ কৃপা লাভ কৰিবই লাগিব। এইটোৱেই হ'ল গীতাৰ একশৰণ ভকতি তত্ত্ব।

কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জুনে যেতিয়া মায়া-মোহত নিমৰ্জিত হৈ যুদ্ধ নকৰোঁ বুলি গাণ্ডীৱ হাতৰপৰা নমাই ভূমিত নিক্ষেপ কৰিছিল, কৃষ্ণই নানা যুক্তি দৰ্শাই যুদ্ধত অৱতীৰ্ণ হ'বলৈ সয়মান কৰাব খুজিছিল। অৰ্জুনে তাক কোনো পধ্যেই মানি লোৱা নাছিল। অৱশেষত কৃষ্ণই বিশ্বৰূপ দেখুৱাই অৰ্জুনক মোহ ভঙ্গ কৰে। অৰ্জুনক বিশ্বৰূপ দেখুৱাৰ মূল কাৰণ হ'ল অৰ্জুনে কৃষ্ণৰ কৃপা লাভ কৰাতো। মূল কথা ভক্তৰ ভগৱন্তৰ প্ৰতি ভকতি আৰু ভগৱন্তৰ ভক্তৰ প্ৰতি কৃপা। অৰ্জুন মোহান্ধ হৈ থাকিলেও তেওঁৰ কৃষ্ণৰ প্ৰতি একান্ত ভক্তি আছিল সেই বাবেই কৃষ্ণৰ কৃপা লাভ কৰি সংসাৰ ভয়ৰ যাতনাৰ পৰা মুক্তি লাভ কৰিব পাৰিছিল। গীতাত কৃষ্ণই অৰ্জুনক কৈছিল—

"ৰহস্যক জানে যিটো লোক/সততে কীৰ্তন কৰে মোক/ ধৰি দৃঢ়ব্ৰত কৰি যত্ন বিপৰীত। মোৰ সৰ্বোত্তম দুয়োপাৰে/ কৰে নমস্কাৰ ভক্তি ভাবে/ তাৰ মোৰ এৰা এৰি নাহি কদাচিত।।"

হে অৰ্জুন, যিজনে মোৰ জীৱন ৰহস্য উপলব্ধি কৰি একান্ত মনে মোৰ চৰণ চিন্তা কৰে তেওঁৰ মোৰ মাজতে কেতিয়াও এৰা এৰি নহয়। সেই কাৰণেই আকৌ কৈছে—

"মোত মাত্ৰ দিয়া চিত্ত/ গায়ো মোৰ গুণ নামগীত/ মোকে ভজা মোকে কৰা নমস্কাৰ। কহিলো তোমাক সত্য বাণী/ পাইবা সুখে মোক মহামানী/ তুমি প্ৰিয়তম সুহৃদ সখী আমাৰ।।"

ভকতিৰ শক্তি অসীম, অনন্ত। ভকতিৰ বলত মানুহে সংসাৰ যাতনাৰ পৰা হাত সাৰিব পাৰে। এই ভকতিৰ ধাৰা দুটা সগুণ আৰু নিৰ্গুণ। সগুণ ভকতিৰ সীমা অতিক্ৰম কৰি যেতিয়া নিৰ্গুণত প্ৰৱেশ কৰে তেতিয়া ভক্তই নিৰ্গুণ নিৰাকাৰ ব্ৰহ্মত ডুব গৈ থাকে। সগুণ সাকাৰ ব্ৰহ্মৰ কথা পাহৰি যায়। কিন্তু নিৰ্গুণ ভকতি শ্ৰেষ্ঠ বুলি কোৱা হৈছে যদিও সগুণ ভকতি উপলব্ধিৰ মাজেদি গৈ নিৰ্গুণত প্ৰৱেশ কৰে। সগুণ সাকাৰ ব্ৰহ্মৰ জ্ঞান লাভ কৰিব নোৱাৰিলে নিগুণ নিৰাকাৰ ব্ৰহ্মৰ ৰূপ গভীৰ সাধনাৰ দ্বাৰা ভক্তই নিজৰ অৰ্ন্তদৃষ্টিত দেখা পায় খালি চৰ্ম চকুৰে দেখা নেপায়।

কৃষ্ণ সখা অৰ্জুনেও খালি চৰ্ম চকুৰে নিৰ্গুণ নিৰাকাৰ ব্ৰহ্ম কৃষ্ণক চিনি পোৱা নাছিল। তেওঁ সগুণ সাকাৰ মায়াত ডুবগৈ আছিল। কৃষ্ণৰ বিশ্বৰূপ দেখাৰ পাছত অৰ্জুনৰ মোহ ভঙ্গ হয় আৰু তেতিয়াহে নিৰ্গুণ নিৰাকাৰ ব্ৰহ্ম কৃষ্ণক চিনি পায়। এতিয়া তেওঁ নিৰ্গুণ ভকতি কৰি কৃষ্ণত একান্তভাৱে শৰণ ল'লে।❑

# প্ৰতিহিংসাক জয় কৰোঁ আহক

নৃপেন ভূঞা

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
...................................।"

মাধৱদেৱৰ গুৰুজনাৰ এই পৰম শান্তি প্ৰদানকাৰী বাক্যশাৰী আমি প্ৰায়েই আতৰাই থাকোঁ যদিও ইহ-সংসাৰত আমাৰ দৰে স্বাৰ্থবিলাসী জীৱাত্মাৰ বাবে মুক্তিৰ প্ৰতি নিস্পৃহতা আজি কোপতি সম্ভৱ হোৱা নাই। ফলত ইতৰ জীৱুলৰ চিৰশত্ৰু হিংসা-অসূয়া-অশান্তি দিনক দিনে অধিক সক্ৰিয় হৈ গৈ আছে আৰু মানুহৰ বাবে এইবোৰৰপৰা নিস্তাৰ পোৱাৰ বাট অধিক কণ্টকপূৰ্ণ হৈ গৈ আছে। লোভ মোহৰ প্ৰভাৱত আমি মানৱকুল দিনক দিনে অধিক হিংসুক হৈ গৈ আছোঁ আৰু ঈশ্বৰৰ সান্নিধ্যৰ পৰাও ক্ৰমে আতৰি গৈ আছো।

বৰ্তমানৰ এই কলিকালত আমাৰ মাজত সম্পত্তিৰ লালগা, ধনৰ প্ৰতি দুৰ্বলতা আদি এশ এবুৰি অজুহাতত ব্যক্তিগত আৰু সামাজিক জীৱনৰত বিভিন্নধৰণৰ সংঘাট বিভ্ৰাটৰ সৃষ্টি হয়। এইবোৰে ক্ৰোধ, প্ৰতিহংসা আদিৰ উদ্‌গিৰণ ঘটায় আৰু মানৱীয় প্ৰমূল্যবোধৰ অৱদমনত অৰিহণা যোগায়। বৰ্তমান সমাজত চলি থকা গোষ্ঠীগত সংঘৰ্ষবোৰেও প্ৰতিহিংসাৰ জন্ম দিয়ে আৰু সমাজত অশান্তিৰ বৃদ্ধি কৰে। এতিয়া প্ৰশ্ন হ'ল পৃথিৱীৰ অশান্তি বৃদ্ধিকাৰী এই প্ৰতিহিংসাৰপৰা মুক্তি পোৱাৰ কোনো উপাই নাই নেকি ? আছে যদি সেয়ানো কি ?

ভগৱন্তৰ অৱতাৰৰূপী মহাপুৰুষসকলৰ বাণীসমূহে যুগে যুগে এই প্ৰশ্নৰ উত্তৰ সমাজলৈ আগবঢ়াই আহিছে। যেতিয়াই মানৱ সমাজে ঈশ্বৰৰ সেই শান্তিৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ অমান্তি প্ৰকাশ কৰিছে তেতিয়াই পৃথিৱীৰ ইতিহাসত একোখন বিধ্বংসী মহাসমৰে ভুমুকি মাৰিছে। সত্য যুগৰ কথা নক'লেও আমি ত্ৰেতাযুগৰ পৰাই যদি বিশ্লেষণ আৰম্ভ কৰোঁহক তেন্তে আমি দেখিম কিদৰে লংকাৰাজ ৰাৱণৰ এটা ভুল সিদ্ধান্তৰ বাবে শান্তিদূত অঙ্গদক অপমান কৰাৰ পিছত সমগ্ৰ ৰাক্ষসকুলৰ বিনাশ হৈছিল। এই বিনাশৰপৰা বাছি যোৱা একমাত্ৰ ৰাক্ষস কুলৰ সদস্য আছিল ঈশ্বৰৰপৰা ভক্ত বিভীষণ। একেদৰে দ্বাপৰ যুগত শান্তিদুত শ্ৰীকৃষ্ণক অপমান কৰাৰ পছিত মহাভাৰতৰ মহাসমৰৰ সৃষ্টি হয়। সেই ভয়ানক কুৰুক্ষেত্ৰৰ মহাসমৰত কেনেধৰণৰ কুটিল ৰজাঘৰীয়া সমৰ কলাৰ আশ্ৰয় লৈ অৰ্জুনৰ মৰমৰ পুত্ৰ অভিমন্যুক চক্ৰবেহুৰ ভিতৰলৈ অকলশৰীয়াকৈ সুমুৱাই নি সপ্তৰথীয়ে হত্যা কৰিছিল সেয়া আমি কম বেছি পৰিমাণে সকলোৱেই জানোঁ। এই হত্যাৰ প্ৰতিহিংসাৰ অগণিত দহি মহাবীৰ অৰ্জুনে কেনেদৰে এটা ভয়ানক প্ৰতিজ্ঞা কৰি পিছদিনা প্ৰায় নিজৰ মৃত্যুকেই আহ্বান কৰিবলগীয়া পৰিস্থিতি হৈছিল সেয়াও দঢ়াই কোৱাৰ প্ৰয়োজন নাই। প্ৰাচীন মহাকাব্যিক ইতিহাসৰ পাত লুটিয়ালে এনেধৰণৰ আৰু বহুতো উদাহৰণ ওলাব য'ত পাৰ্থিৱ জীৱই জন্ম-জন্মান্তৰলৈ প্ৰতিহিংসাৰ স্ফুলিংগ কঢ়িয়াই লৈ ফুৰিছিল। ৰাজকুমাৰী অম্বাৰ প্ৰতিহিংসাই কেনেদৰে পৰ-জনমত শিখণ্ডীৰ ৰূপ লৈ মহা প্ৰতাপী ভীষ্মৰ মৃত্যুৰ কাৰক হৈছিল সেয়া পঢ়িলে প্ৰতিহংসাৰ ভয়াবহতা আৰু সৰ্বনাসী স্বৰূপ বুজিবলৈ বাকী নৰয়গৈ।

কালক্ৰমত সমসাময়িক পৃথিৱীৰ প্ৰায় সকলোবোৰ বীৰ পুৰুষৰ মহাবিনাশৰ পিছত অগণণ পুত্ৰহাৰা মাতৃ আৰু স্বামীহাৰা বিধৱাৰ চকুলোৰ বন্যা বোৱাই এক কৰুণ পৰিস্থিতিত কুৰুক্ষেত্ৰৰ সেই ভয়ানক মহাযুদ্ধৰ অৱসান হ'ল যদিও ৰাজনৈতিক তথা সামৰিকভাৱে দুৰ্বল অশ্বত্থামাৰ মানসিক অশান্তিৰ ৰূপত প্ৰতিহিংসাৰ বীজ পৰৱৰ্তী সময়লৈ এক অভিশাপ হিচাপে থাকি গ'ল। সময় বাগৰিল, যুগৰ পৰিৱৰ্তন হ'ল, ৰাজনৈতিক ব্যৱস্থা সমৰ কলা আদিও সলনি হ'ল; সলনি নহ'ল কেৱল আমাৰ চিৰশত্ৰু প্ৰতিহিংসা আৰু এই প্ৰতিহিংসাৰ ফলশ্ৰুতিৰ স্বৰূপ। তথাকথিত সভ্য পৃথিৱীত উপনিৱেশিক অধিকাৰ আৰু সম্পত্তিৰ লালসাৰ অজুহাতত বিংশ শতাব্দীৰ মাজভাগত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হ'ল। প্ৰতিহংসাৰ বিষবাষ্পই কেতিয়া কেনেদৰে সমগ্ৰ বিশ্বক মতলীয়া কৰিলে মানৱ সমাজে টলকিবই নোৱাৰিলে। এই বিশ্বযুদ্ধ যেন কুৰুক্ষেত্ৰৰ মহাসমৰৰ এক বিস্তাৰিত আধুনিক ৰূপ। সময়ৰ সোঁতত একেধৰণৰ পৰিস্থিতিত জাৰ্মাণ নেতা এডলফ্ হিটলাৰৰ আত্মসমৰ্পণৰ দ্বাৰা এই সমৰৰ ওৰ পৰিল যদিও প্ৰতিহিংসা যেন আকৌ থাকি গ'ল এইবাৰ থাকিল ই হিটলাৰৰ বুকুত বেদনা হৈ। কিন্তু হিটলাৰ অশ্বত্থামাৰ দৰে নিশকটীয়া নাছিল; গতিকে অতি কম সময়ৰ বিৰতিৰ পিছত এই প্ৰতিহিংসাৰ স্ফুলিংগই দ্বিতীয় বিশ্বযুদ্ধৰ ৰূপত আকৌ এবাৰ বিস্ফোৰণ ঘটালে। "প্ৰতিহিংসাৰ ফলত ধ্বংস অনিবাৰ্য" এই মহাসত্যক আকৌ এবাৰ প্ৰমাণ কৰিবলৈ যেন এই মহাসমৰ চলিয়েই থাকিল হিৰোচিমা-নাগাছাকিৰ মহাবিনাস নোহোৱা পৰ্যন্ত। এই মহাবিনাশৰ পিছত পাৰ্থিৱ মানৱ সমাজ যেন আৰু এবাৰ শান্তি বিচাৰি একত্ৰিত হ'ল ৰাষ্ট্ৰসংঘৰ ৰূপত। কিন্তু প্ৰতিহিংসা—? তাৰ কি হ'ল??— প্ৰতিহিংসা আজিও বৰ্তি আছে। আমি এই মহাশত্ৰুক আজিও বশ কৰিব পৰা নাই। সময়েহে ক'ব আগলৈ প্ৰতিহিংসা আৰু বিশ্বশান্তিৰ মাজৰ এই অৰিয়া অৰিৰ ফলাফল কি হয়। ঈশ্বৰ আদৰৰ সন্তান হিচাপে আমাৰ মানৱ সমাজৰ কৰণীয় কি- সেয়াহে বিচাৰ্য্য। মহাকাব্যসমূহে আৰু ঈশ্বৰৰ অৱতাৰসকলৰ জীৱন দৰ্শনে আমাক এই প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱাৰ ইংগিত দি থৈ গৈছে।

প্ৰতিহিংসাৰ পথ অনুসৰণৰ ফল কি হয় সেয়া আমি বাৰে বাৰে গৱেষণা কৰাৰ প্ৰয়োজন নাই। আমাৰ নিচেই আপোন ভাৰতবৰ্ষ আৰু ভ্ৰাতৃ সদৃশ চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানৰ মাজত স্বাধীনোত্তৰ কালত ঘটিত হোৱা হিংসা-প্ৰতিহিংসাৰ কথা বৰ্ণনা নকৰিলেও আমি সকলোৱে অনুধাৱন কৰিব পাৰোঁ। এইবোৰৰ পৰা বিগত যাঠী বছৰে দুয়োখন দেশৰ প্ৰগতিত যি স্থাবিৰতা আহি পৰিছে সেয়া সমগ্ৰ বিশ্বই দেখিছে। প্ৰায় একেই সময়ত স্বাধীন হোৱা জাপান আজি প্ৰগতিৰ ক্ষেত্ৰত বিশ্বৰ আৰ্দশ ৰাষ্ট্ৰ— অথচ ভাৰত আৰু পাকিস্তান আজিও তৃতীয় বিশ্বৰ অন্তৰ্গত। বৌদ্ধ ধৰ্মীয় জাপানীসকলৰ ঈশ্বৰৰ প্ৰতি একান্ত আনুগত্য আৰু প্ৰতিহিংসাৰ প্ৰতি উদাসীনতাৰ বাবেহে এনে প্ৰগতি সম্ভৱ হৈছে বুলি আমাৰ মনৰ বিশ্বাস। যি সময়ত জাপানীসকলে প্ৰগতিৰ দিশত দোপত দোপে উধাই গ'ল সেই সময়ত আমাৰ চুবুৰীয়া ৰাষ্ট্ৰখনে (১৮ পৃষ্ঠাত চাওক)

জয় গুৰু শঙ্কৰ

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## বোকাখাত জিলা শাখাৰ ব্যৱস্থাপনা আৰু আতিথ্যত

## বিংশতিতম কেন্দ্ৰীয় শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ

**স্থান ঃ ‘ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ক্ষেত্ৰ’ বোকাখাত নগৰ**

**দিনাংক ঃ ১৪, ১৫ আৰু ১৬ কাতি, ৫৬৫ শঙ্কৰাব্দ**

**(১, ২ আৰু ৩ নবেম্বৰ, ২০১৩ খ্ৰীষ্টাব্দ)**

**শুক্ৰ, শনি আৰু দেওবাৰ**

# -ঃ কাৰ্যসূচী ঃ-

**১৪ কাতি, ৫৬৫ শঙ্কৰাব্দ (১ নবেম্বৰ, ২০১৩ খ্ৰীষ্টাব্দ), শুক্ৰবাৰ ঃ**

পুৱা ৫.০০ বজাত : প্ৰাতঃ প্ৰসঙ্গ
” ৮.০০ বজাত : নাম- প্ৰসঙ্গ
পৰিচালনা : নাম-প্ৰসঙ্গ উপ-সমিতি
” ৯.৩০০বজাত : বৃক্ষৰোপণ
ৰোপকবৃন্দ : শ্ৰীযুত দেৱেন্দ্ৰনাথ বৰা, প্ৰাক্তন জিলা সভাপতি
: শ্ৰীযুত টংকেশ্বৰ হাজৰিকা, প্ৰাক্তন জিলা সভাপতি
: শ্ৰীযুত সৰ্বেশ্বৰ পাচনি, প্ৰাক্তন জিলা সভাপতি
: শ্ৰীযুত ধৰ্মেশ্বৰ হাজৰিকা, প্ৰাক্তন জিলা সভাপতি
: শ্ৰীযুত নন্দেশ্বৰ হাজৰিকা, প্ৰাক্তন জিলা সভাপতি
: শ্ৰীযুত বাপকণ দাস, উপদেষ্টা, বোকাখাত সাংবাদিক সন্থা
: শ্ৰীযুত দ্ৰোণকান্ত মৰাং, প্ৰাক্তন জিলা সভাপতি
: শ্ৰীযুত ঘনকান্ত গগৈ, বয়োজেষ্ঠ সঙ্গী, গোবিন্দ প্ৰাথমিক শাখা
” ১০.০০ বজাত : মূল তোৰণ উন্মোচন
উন্মোচন : শ্ৰীযুত মৃগেশ নাৰায়ণ বৰুৱা, মহকুমাধিপতি, বোকাখাত মহকুমা
” ১০.৩০ বজাত : প্ৰতিনিধি শিবিৰৰ দ্বাৰ উন্মোচন
উন্মোচক : শ্ৰীযুত জীতেন গগৈ, প্ৰাক্তন বিধায়ক আৰু সভাপতি নিৰ্মাণ গোট, বোকাখাত
দিনৰ ১১.০০ বজাত : মূল মঞ্চ উন্মোচন
উন্মোচক : শ্ৰীযুত অৰুণ ফুকন, বিধায়ক, বোকাখাত সমষ্টি
” ১১.৩০ বজাত : কেন্দ্ৰীয় সেৱাবাহিনী, আই-মাতৃ আৰু প্ৰতিযোগীসকলৰ নাম পঞ্জীয়ন
” ১২.০০ বজাত : গ্ৰন্থ উন্মোচন আৰু সাহিত্য-সংস্কৃতি প্ৰতিযোগতাৰ উদ্বোধনী সভা
সভাপতি : শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
উদ্বোধক : শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
মুখ্য অতিথি : মাননীয় মন্ত্ৰী ৰকিবুল হুছেইন, বন, গ্ৰামোন্নয়নৰ আৰু পৰিৱেশ মন্ত্ৰী, অসম চৰকাৰ
স্মৃতিগ্ৰন্থ উন্মোচক : শ্ৰীযুত বিমান বৰঠাকুৰ, প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, জে. ডি. এচ. জি. মহাবিদ্যালয়, বোকাখাত
‘শিশু-মঞ্জৰী’ উন্মোচক : শ্ৰীযুত কামিনী কুমাৰ দত্ত, সভাপতি, সাহিত্য শাখা, গোলাঘাট জিলা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
‘ডেকাগিৰি’ উন্মোচক : শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা, সভাপতি, শ্ৰীমন্ত শঙ্কৰদেৱ এডুকেচন এণ্ড চছিঅ’ইকনমিক ডেভলপমেণ্ট ট্ৰাষ্ট, (প্ৰাক্তন প্ৰধান সম্পাদক) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
‘মহীয়সী’ উন্মোচক : শ্ৰীযুতা অন্নদা শইকীয়া, উপদেষ্টা, সদৌ অসম লেখিকা সমাৰোহ সমিতি।
দিনৰ ২.০০ বজাত : সাহিত্য-সংস্কৃতিৰ প্ৰতিযোগিতা আৰম্ভ (পৃথক পৃথক মঞ্চত)
সন্ধিয়া ৬.০০ বজাত : বন্তি প্ৰজ্বলন
প্ৰজ্বলক : জিলা সেৱাবাহিনী
সন্ধিয়া ৭.০০ বজাত : কেন্দ্ৰীয় সেৱাবাহিনীৰ সাধাৰণ পৰিষদৰ সভা।
সঞ্চালক : শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
উদ্বোধক : শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
” ৭.৩০ বজাত : সাংস্কৃতিক প্ৰকিযোগিতা (মূল মঞ্চত)

**১৫ কাতি, ৫৬৫ শঙ্কৰাব্দ (২ নবেম্বৰ, ২০১৩ খ্ৰীষ্টাব্দ), শনিবাৰ ঃ**

পুৱা ৫.০০ বজাত : পৰিৱেশ নিকাকৰণ
পৰিচালনা : বোকাখাত জিলা সেৱাবাহিনী আৰু পৰিৱেশন নিকাকৰণ উপ-সমিতি
” ৭.৩০ বজাত : নাম-প্ৰসঙ্গ
পৰিচালনা : নাম-প্ৰসঙ্গ উপ-সমিতি
” ৯.০০বজাত : ধৰ্মধ্বজা উত্তোলন
উত্তোলক : শ্ৰীৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
” ৯.৩০ বজাত : ভাগবত শোভাযাত্ৰা
” ১০.৩০ বজাত : সাহিত্য-সংস্কৃতিৰ প্ৰতিযোগিতা (পৃথক পৃথক মঞ্চত)
দিনৰ ১.০০ বজাত : আলোচনা-চক্ৰ
বিষয় : ‘জাতীয় জীৱনৰ পুনৰ গঠনত মহাপুৰুষীয়া আদৰ্শ আৰু মহিলা সমাজ’
সঞ্চালক : শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
উদ্বোধক : শ্ৰীযুত ভবেন্দ্ৰনাথ ডেকা, উপ-পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
মুখ্য অতিথি : মাননীয় মন্ত্ৰী শ্ৰীযুত (ডাঃ) হিমন্ত বিশ্ব শৰ্মা, শিক্ষা আৰু স্বাস্থ্য বিভাগ, অসম চৰকাৰ
আলোচক : শ্ৰীযুতা দিপালী নেওগ, উপাধ্যক্ষা, বীৰ লাচিত বৰফুকন মহাবিদ্যালয়, শিৱসাগৰ
: শ্ৰীযুত আনন্দ কুমাৰ বৰা, যুটীয়া সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
বিয়লি ৪.০০ বজাত : কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতি, জিলা শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী-সম্পাদিকাৰ সন্মিলন আৰু সাধাৰণ পৰিষদৰ সভা
সঞ্চালিকা : শ্ৰীযুতা মামনি চলিহা, সভানেত্ৰী, কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যান শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
উদ্বোধক : শ্ৰীযুতা ৰূপা চুতীয়া, সম্পাদিকা, কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যান শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
আলোচক : শ্ৰীযুত ইলু ফুকন, সহ-সম্পাদিকা, কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যান শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
সন্ধিয়া ৬.০০ বজাত : নাম-প্ৰসঙ্গ
পৰিচালনা : নাম-প্ৰসঙ্গ উপ-সমিতি
” ৬.৩০ বজাত : জিলা শাখাসমূহৰ সভাপতি, সম্পাদকৰ সন্মিলন
” ৭.০০ বজাত : সাংস্কৃতিক প্ৰতিযোগিতা (মূল মঞ্চত)

**১৬ কাতি, ৫৬৫ শঙ্কৰাব্দ (৩ নবেম্বৰ, ২০১৩ খ্ৰীষ্টাব্দ), দেওবাৰ ঃ**

পুৱা ৫.০০ বজাত : পৰিৱেশ নিকাকৰণ
পৰিচালনা : বোকাখাত জিলা সেৱাবাহিনী আৰু পৰিৱেশন নিকাকৰণ উপ-সমিতি
” ৭.৩০ বজাত : নাম-প্ৰসঙ্গ
পৰিচালনা : নাম-প্ৰসঙ্গ উপ-সমিতি
” ৯.০০বজাত : শিশু, যুৱ আৰু আই-মাতৃসকলৰ অন্তৰঙ্গ আলাপ
পৰিচালক : শ্ৰীযুত কুশল ঠাকুৰীয়া, যুটীয়া সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
: শ্ৰীযুত অঞ্জন সাধনিদাৰ, মুখ্য অধিনায়ক, সেৱাবাহিনী, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
দিনৰ ১১.০০ বজাত : মুকলি সভা
সভাপতি : শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
উদ্বোধক : শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
মুখ্য অতিথি : মাননীয়া মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওগ, গড় কাপ্তানি বিভাগ, অসম চৰকাৰ
সন্মানীয় অতিথি : শ্ৰীযুতা জুলি সোণোৱাল, উপায়ুক্ত, গোলাঘাট জিলা
: শ্ৰীযুত অৰুণ ফুকন, বিধায়ক, বোকাখাত বিধান সভা সমষ্টি
: শ্ৰীযুত ভুপেন্দ্ৰনাথ ভুএগ্ৰা, প্ৰাক্তন বিধায়ক আৰু মুখ্য উপদেষ্টা, সদৌ অসম গাঁওৰক্ষী বাহিনী।
: শ্ৰীযুতা বিস্মিতা গগৈ, বিধায়িকা, খুমটাই সমষ্টি
নিৰ্দিষ্ট বক্তা : শ্ৰীযুত চন্দ্ৰ হাজৰিকা, সভাপতি, প্ৰচাৰ শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
বক্তা : প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত শিশু, যুৱ আৰু আই-মাতৃ
বিশিষ্ট অতিথি : শ্ৰীযুত ৰফিউল আলম লস্কৰ, আৰক্ষী অধীক্ষক, গোলাঘাট জিলা
: শ্ৰীযুত মৃগেন নাৰায়ণ বৰুৱা, মহকুমাধিপতি, বোকাখাত মহকুমা
: শ্ৰীযুত গায়িত্ৰী সোণোৱাল, মহকুমা আৰক্ষী বিষয়া, বোকাখাত
: শ্ৰীযুত জীতেন গগৈ, প্ৰাক্তন বিধায়ক, বোকাখাত সমষ্টি, সভাপতি, বোকাখাত নিৰ্মাণ গোট
: শ্ৰীযুত নিৰঞ্জন কুমাৰ বাসু, সঞ্চালক, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান
: শ্ৰীযুত স্বপন কুমাৰ শীলশৰ্মা, ডি. এফ. অ., বোকাখাত
: শ্ৰীযুত আনন্দ কুমাৰ দাস, চক্ৰ বিষয়া, বোকাখাত
: শ্ৰীযুত শৈলেন শইকীয়া, সভাপতি, বোকাখাত নগৰ সমিতি
: শ্ৰীযুত গৌৰৱ গগৈ, বিশিষ্ট যুৱ সমাজ কৰ্মী।
আমন্ত্ৰিত অতিথি : শ্ৰীযুত খগেশ্বৰ বৰা, সভাপতি, বোকাখাত মহকুমাৰ পালনাম সমিতি
: শ্ৰীযুত মহাবীৰ প্ৰসাদ আগৰৱালা, বিশিষ্ট ব্যৱসায়ী আৰু সমাজ কৰ্মী।
: শ্ৰীযুত জীৱন চন্দ্ৰ বৰা, প্ৰধান সম্পাদক, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী
: শ্ৰীযুত জিতু শৰ্মা ৰাজখোৱা, সভাপতি, সদৌ অসম সাংবাদিক সন্থা
: শ্ৰীযুত কমল দাস, সভাপতি, গোবিন্দ আঞ্চলিক শাখা, একশৰণ ভাগৱতী সমাজ
সন্ধিয়া ৬.০০ বজাত : বন্তি প্ৰজ্বলন
প্ৰজ্বলক : বোকাখাত জিলা সেৱাবাহিনী
সন্ধিয়া ৬.৩০ বজাত : নাম-প্ৰসঙ্গ
পৰিচালনা : নাম-প্ৰসঙ্গ উপ-সমিতি
নিশা ৭.০০ বজাত : সাংস্কৃতিক সমাৰোহ
উদ্বোধক : শ্ৰীযুত পৱিত্ৰপ্ৰাণ বৰা, সম্পাদক, সংস্কৃতি শাখা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## প্ৰতিহিংসাক জয় কৰোঁ

(১৭ পৃষ্ঠাৰ পৰা)

কেইবাবাৰো বিভিন্ন আজুহাতত ভাৰতবৰ্ষক সামৰিকভাৱে আক্ৰমণ কৰি প্ৰতিবাৰেই প্ৰতিহত হৈ আমাৰ প্ৰগতিতো হেঙাৰ সৃষ্টি কৰিছে আৰু অৱশেষত আশীৰ দশকত দেশখনেই দ্বিখণ্ডিত হৈ পৰিল।

শেহতীয়াভাৱে ঘনাই সংবাদ মাধ্যমৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰা সন্ত্ৰাসবাদক যদি আমি ফঁহিয়াই চাওঁ তেন্তে প্ৰতিহিংসাৰ তাতকৈ সুস্পষ্ট ব্যাখ্যা হয়তো নোলাব। সেহতীয়া গোপন সমৰকলা হিচাপে সন্ত্ৰাসবাদক উদগনি যোগোৱা কোনখন ৰাষ্ট্ৰ বা কোনখন সমাজ নিজে শান্তিত থাকিব পাৰিছে সুধিলে কোনেও উত্তৰ দিব নোৱাৰে। ফ্ৰান্সত আভ্যন্তৰীণ বিবাদৰ সুত্ৰপাত ঘটাই হিটলাৰ মৰিল; ইৰাক-ইৰাণৰ মাজত বিবাদ ঘটাই আমেৰিকাই নিজৰ বিপদ চপালে; বিশ্বত্ৰাস লাডেনৰ কি গতি হ'ল বিশ্বই দেখিছে। ভাৰতত আভ্যন্তৰীণ কলহ সৃষ্টি কৰাৰ প্ৰয়াস কৰি আজি পাকিস্তান নিজেই আভ্যন্তৰীণ বিশৃংখলতা তথা আন্তঃৰাষ্ট্ৰীয় চাপৰ মাজত কেনেদৰে জুৰুলা হৈছে সেয়া কোৱাৰ প্ৰয়োজন নাই।

অহংকাৰ, অপশক্তি, লোভ আৰু হিংসা প্ৰতিহিংসা য'ত থাকে তাত ঈশ্বৰৰ কৃপাদৃষ্টি নাথাকে; ফলত অশান্তিৰ জন্ম হয়, বিবাদৰ সুত্ৰপাত হয়। কিন্তু মুক্তিৰ পথ সকলোতে থাকে। ঈশ্বৰৰ এই বিচিত্ৰ পৃথিৱীত প্ৰতিস্থানত ঈশ্বৰে শান্তিৰ পথৰ সন্ধান সিচৰতি কৰি হৈছে। বিচাৰি লোৱাহে কথা।

দ্বাপৰৰ বিধ্বংসী মহাযুদ্ধৰ আগমুহূৰ্তত যেনেদৰে স্বয়ং শ্ৰীকৃষ্ণই শান্তিৰ প্ৰস্তাৱ পৃথিৱীলৈ আগবঢ়াইছিল তেনেদৰে প্ৰতিবাৰ দুৰ্যোগৰ আগে আগে ঈশ্বৰে মানৰ সমাজৰ কোনো প্ৰতিনিধিৰ দ্বাৰা একেধৰণৰ শান্তিবাৰ্তা বিভিন্ন ৰূপত আগবঢ়াই আহিছে। মগধৰ বিধ্বংসী মহাবিনাশকাৰী মহাযুদ্ধৰ পিছত কেনেদৰে মহাবীৰ অশোকে হিংসা পৰিহাৰ কৰি ঈশ্বৰত শৰণ লৈছিল তাক আমি ভাৰতীয় সমাজে পাহৰি গৈছোঁ। কিন্তু জাপানীসকলে পাহৰা নাই, সেয়েহে জাপানীসকল আজি প্ৰগতিৰ দিশত আমাতকৈ বহু ওপৰত স্থান ল'বলৈ সক্ষম হৈছে।

এই সকলোবোৰ প্ৰসঙ্গ একাষৰীয়াকৈ এৰি আমি যদি সৌ সিদিনাৰ আমাৰ নিচেই আপোন অসম মুলুকৰ ঘটনা ৰাজীলৈ লক্ষ্য কৰো তাতো দেখিম কিদৰে কছাৰী আৰু ভূঞাসকলৰ মাজত হোৱা ভূমি বিবাদৰ ধামখুমীয়া পৰিস্থিতিৰ মাজত মহাপুৰুষজনাই ঈশ্বৰৰ শৰণ লৈ সমগ্ৰ সৰু-বৰ জাতি জনজাতিক একত্ৰিত কৰি এক মহান সমৃদ্ধিশালী তথা বিশ্ববৰেণ্য বৃহৎ অসমীয়া বৈষ্ণৱ সমাজ প্ৰতিষ্ঠা কৰিছিল। সময়ৰ গতিত আজি আমি আকৌ এবাৰ ঈশ্বৰ প্ৰদত্ত এই শান্তিৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিবলৈ উদ্যত হৈছোহক। বৰ্তমান সমাজত চলি থকা নানধৰণৰ বাদ-বিবাদ, গোষ্ঠী সংঘৰ্ষসমূহে তাকে দেখুৱাইছে। ই যেন আগন্তুক সময়ত হ'বলগীয়া এক ভয়ংকৰ মহাযুদ্ধৰ ইংগিত।

আহক আমি সকলোৱে মিলি ঈশ্বৰৰ এই ইংগিত বুজি তাৰাই আগবঢ়োৱা শান্তৰ প্ৰস্তাৱ আঁকোৱালি লওঁ আৰু সকলো ধৰণৰ বাদ-বিবাদ পাহৰি মহাপুৰুষ জনাৰ আদৰ্শকে সৰোগত কৰি হৰিনামত আশ্ৰয় লওঁ। আজিৰ এনে কণ্টকপূৰ্ণ সময়ত আমাৰ দৰে অধৰ্মীকৰ দোমোজা দুৰ কৰিবৰ নিমিত্তে চাগে মহাপুৰুষ মাধৱদেৱে নামঘোষাত এনেদৰে লিখিছিল—

"মায়াৰ নিগ্ৰহে মঞি পৰম আতুৰ ভৈলা  
প্ৰাণ যদুপতি জীৱন যদুপতি।  
অনাথৰ নাথ হৰি তুমি কৃপাময় বিনে  
মোৰ আন নাই আন গতি।"

# সশ্ৰদ্ধ সোঁৱৰণ

# কৰ্ম-নিষ্ঠ, ধৰ্ম-প্ৰাণ সৰুল'ৰা বৰা

**ৰূপেশ্বৰ নেওগ**

মানুহৰ মাজৰ এজন হ'লেও শ্ৰদ্ধেয় সৰুল'ৰা বৰাদেৱ আছিল প্ৰকৃতাৰ্থত ব্যতিক্ৰমী ব্যক্তিত্বৰে এগৰাকী আদৰ্শ-পুৰুষ।



নিজৰ জীৱনক নিজে মূল্যায়ন কৰিব জনা এইগৰাকী সমাজৰ লব্ধ প্ৰতিষ্ঠ ব্যক্তিৰ পৰিশীলিত জীৱন শৈলীত আছে কৰ্ম-সংস্কৃতিৰ নিটোল প্ৰাচুৰ্য, মানুহৰ সৰুৰপৰা ডাঙৰ হোৱাৰ প্ৰবল ইচ্ছাশক্তি, লগতে পুৰুষাৰ্থ কাহানিও অনৰ্থ কিম্বা ব্যৰ্থ নোহোৱাৰ প্ৰতিশ্ৰুতি। আত্ম দৰ্শনেৰে 'জীৱন আৰু জগত' সম্বন্ধে গভীৰ উপলব্ধ হোৱা সেৱা-ধৰ্মানুৰাগী মানুহজনে সামাজিক উন্নয়নৰ স্বাৰ্থত যোৰহাট উত্তৰ-পশ্চিম অঞ্চলৰে নহয়, সমগ্ৰ জিলাখনৰ বিভিন্ন সংস্থা-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত দায়িত্ব সহকাৰে জড়িত হৈ নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই গৈছে। সেয়ে তেখেতৰ বিয়োগত বহু অনুষ্ঠান-প্ৰতিষ্ঠানে এজন উপযুক্ত অভিভাৱক হেৰুৱালে।

১৯৩৬ চনৰ ১৫ আগষ্ট তাৰিখে যোৰহাট বালিগাঁও ভাৱলী চুকত শ্ৰদ্ধেয় সৰুল'ৰাদেৱে জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃৰ নাম ঠানুৰাম বৰা আৰু মাতৃৰ নাম মলমাই বৰা। পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ হেতু বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ বাদেই মাধ্যমিক বিদ্যালয়ৰ দুৱাৰডলি গচকিবলৈও বৰাদেৱ সক্ষম নহ'ল। হাইস্কুলৰ নামভৰ্তি মাচুল এটকা চাৰিঅনা সেইদিনত যোগাৰ কৰিব নোৱাৰি বালিগাঁও প্ৰাথমিক বিদ্যালয়তে তেখেতে শৈক্ষিক জীৱনৰ সামৰণি মাৰে। তথাপি শিক্ষা আহৰণত অত্যন্ত স্পৃহা থকা এই মেধাসম্পন্ন ছাত্ৰজনে বালিগাঁৱৰে মোহন বৰা নামৰ ব্যক্তি এজনক মাতি আনি ঘৰতে কিছুদিন ইংৰাজী শিক্ষা চৰ্চা কৰে। ইয়াৰ লগে লগে পিতৃ-মাতৃৰ হতাশগ্ৰস্ত জীৱনৰ কেনেদৰে পৰিবৰ্তন সাধিব পাৰি সেই চিন্তাই বৰাদেৱক ব্যাকুল কৰি তোলে। ঘৰৰ পৰা ১০ কি.মি. ৰাস্তা খোজকাঢ়ি গৈ যোৰহাট নগৰৰ ৰজাবাৰীস্থিত এটি জুইশলা কাৰখানাত সামান্য পাৰিশ্ৰমিকৰ বিনিময়ত তেখেতে কিছুদিনৰ বাবে কৰ্ম জীৱন আৰম্ভ কৰে। ইয়াৰ পাছৰ অৱস্থাত এজন কাঠমিস্ত্ৰীৰ লগত যোগালী হিচাপে কাম শিকি এসময়ত নিজেই এজন সুদক্ষ কাঠমিস্ত্ৰী ৰূপে পৰিগণিত হ'ল। যোৰহাট নগৰৰ জগন্নাথ বৰুৱা পথত এটি ভাড়াঘৰ লৈ নিজাববীয়াকৈ এখন ফাৰ্নিচাৰ দোকান খুলিলে। 'লাগি থাকিলে মাগি নাখায়।' লাহে লাহে বৰাদেৱৰ ভাগ্যলৈ পৰিবৰ্তন আহিল। নিজৰ কৰ্মদক্ষতা, সততা, আত্মবিশ্বাস, একাগ্ৰতা, মনৰ উদ্যম লগতে উচ্চ অভিলাষী চিন্তা-চৰ্চা আদি গুণবোৰৰ জৰিয়তে ৰজা-ঘৰে, প্ৰজাঘৰে শ্ৰদ্ধেয় বৰাদেৱ অধিক জনপ্ৰিয় হৈ উঠিল। এনে সুযোগ গ্ৰহণ কৰিয়েই এদিন অসম চৰকাৰৰ গড়কাপ্তানী বিভাগত শ্ৰদ্ধেয় বৰাদেৱে প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ হিচাপে নিজৰ নাম পঞ্জীভুক্ত কৰিলে। ৰাজনৈতিকভাৱেই হওক বা বিভাগীয়ভাৱেই হওক বহু প্ৰভাৱশালী ব্যক্তিৰ লগত ঘনিষ্ঠতা ৰক্ষা কৰি চলা এই প্ৰথম শ্ৰেণীৰ ঠিকাদাৰজনে ৰাইজৰ উন্নয়নৰ স্বাৰ্থত অধিক গুৰুত্ব দিহে ঠিকাৰ কামত মনোনিবেশ কৰিছিল। দায়িত্ববোধ, ন্যায়পৰায়ণতা, নীতি-সদাচাৰ, ঈশ্বৰ ভক্তি, সমাজ সেৱাৰ মনোবৃত্তি, কঠোৰ পৰিশ্ৰম এইখিনিকে মূলধন হিচাপে লৈ পিছৰ দিনবোৰত আজীৱন পুহি ৰখা ৰঙীন সপোনবোৰ বাস্তৱত ৰূপ দিয়াত বৰাদেৱে আশাপ্ৰদ সাফল্য অৰ্জন কৰিলে। নামত সৰুল'ৰা হ'লেও কামত সৰু হৈ নাথাকিল,— ডাঙৰ হ'ল ... বহুত ডাঙৰ।

প্ৰয়াত বৰাদেৱৰ কৰ্মজীৱনৰ স্মৃতি সুঁৱৰি গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা শ্ৰীপদ্মধৰ গগৈদেৱে লেখিছে—"বৃত্তিগতভাৱে সৰুল'ৰা বৰা গড়কাপ্তানী বিভাগৰ প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ আছিল। বৰাক মই ব্যক্তিগতভাৱে চাৰিটা দশক ধৰি জানিছিলোঁ। মই যেতিয়া গৃহ নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা হিচাপে যোৰহাটত আছিলোঁ, তেখেতে গৃহ নিৰ্মাণৰ ঠিকাৰ কাম কৰিছিল। তেখেতে প্ৰতিটো কাম ইমান নিখুঁত কৈ কৰিছিল আজিও অকপটে স্বীকাৰ কৰোঁ যে সেই সময়ত সহকাৰী অভিযন্তা হিচাপে মই তেখেতৰপৰা বহু কাম শিকিছিলোঁ। তেখেতে বনুৱা পৰিচালনাৰ পৰা বিভাগীয় উচ্চ পদস্থ বিষয়ববীয়ালৈকে সকলোৰে লগত এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰিছিল। বৰাৰ মধুৰ আচৰণে আমাক মোহিত কৰাই নহয়, আজিও আচৰিত হওঁ যে উচ্চ শিক্ষা গ্ৰহণ নকৰাকৈ তেখেতে এক সৰল অথচ স্বকীয় মহিমাৰে আদৰ্শবান জীৱন-যাপন কৰিছিল। তেখেত এগৰাকী প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ হৈ ৰাস্তা নিৰ্মাণৰ কামত নিপুনতা দেখুৱাই নহয়, কিছুমান সমস্যাবহুল কাম বিচক্ষণতাৰে সম্পূৰ্ণ কৰিছিল। মোৰ ব্যক্তিগত ধাৰণা যে এনে কাম বহু ঠিকাদাৰৰ বাবে অসাধ্য আছিল। পৰিপাটি পোচাকযোৰে গোটেই দিনটো বনুৱাৰ মাজত থাকি কাম কৰি একেই পৰিপাটি চেহেৰাৰে কাম-কাজ সামৰি ঘৰলৈ উভতা গুণৰাজি সঁচাকৈয়ে প্ৰশংসনীয়। প্ৰকৃত অৰ্থত সৰুল'ৰা বৰা, উঠি অহা চামৰ বাবে আছিল পথ প্ৰদৰ্শক।" (সৰল জ্যোতি)

অৰ্থ থাকিলেও অভিমান নথকা সহজ-সৰল সৰুল'ৰা বদাদেৱৰ ভদ্ৰোচিত ব্যৱহাৰ আৰু বদান্যতাই সকলো শ্ৰেণীৰ লোকক আকৰ্ষণ কৰিব পাৰিছিল, লগতে সমাজৰ উন্নয়ন তথা সংগঠনতো প্ৰচুৰ অৰিহণা যোগাইছিল। যোৰহাট গড়কাপ্তানী বিভাগৰ ঠিকাদাৰ সন্থাৰ তেখেত এসময়ত সভাপতি আছিল। পিছত যোৰহাট জিলাৰ সকলো বিভাগ সামৰি গঠন হোৱা ঠিকাদাৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি হয়। যোৰহাট উত্তৰ-পশ্চিম অঞ্চলৰ ভালেকেইখন শিক্ষানুষ্ঠানৰ (প্ৰাথমিক বিদ্যালয়ৰপৰা মহাবিদ্যালয়লৈকে) পৰিচালনা সমিতিৰ দায়িত্বত থাকি তেখেতে পাৰ্যমানে সেৱা আগবঢ়াই গৈছে। শিক্ষা-সংস্কৃতিমূলক ভালেকেইটি স্বেচ্ছাসেৱী সংস্থাৰো তেখেত আজীৱন উপদেষ্টা আছিল। এসময়ত স্থানীয় গাঁও পঞ্চায়ত আৰু সমবায় সমিতিৰ দায়িত্বত থাকিও ৰাইজৰ সেৱাত ব্ৰতী হৈছিল। প্ৰত্যক্ষভাৱে ৰাজনীতিত জড়িত নাছিল যদিও এইগৰাকী সমাজ সেৱীৰ ৰাজনৈতিক স্থিতি আছিল যথেষ্ট পোতন থকা।

বৈষ্ণৱপ্ৰাণ বৰাদেৱৰ সৰুৰে পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত একশৰণ হৰি নাম-ধৰ্ম, দৰ্শন, ৰীতি-নীতি, সাহিত্য-সংস্কৃতিৰ প্ৰতি অনুৰক্ত আছিল। এটা সংস্কাৰমুখী মনেৰে সমাজত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰবোৰৰ বিৰুদ্ধে মাত মাতি আহিছিল। সমগ্ৰ অঞ্চলটিতে মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতিমূলক অনুষ্ঠানসমূহত পাৰ্যমানে সহায়-সহযোগিতা আগবঢ়াই আধ্যাত্মিক সৌহাদ্য বজাই ৰাখিছিল। গুৰুজনাৰ নামত প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ নীতি-আদৰ্শৰ প্ৰতি উদ্বোদ্ধ হৈ উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক শাখাৰ অধীনত 'কৃষ্ণ-সূৰ্য' নামৰ এখন প্ৰাথমিক শাখা গঢ় দি ইয়াৰ সঙ্গী হিচাপে বৃহৎ অনুষ্ঠানটিৰ অন্তৰ্ভুক্ত হয়। শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ, যোৰহাট জিলা শাখাৰ একেধাৰে চাৰিটি কাৰ্যকালৰ (আঠবছৰ) বাবে উপ-সভাপতিৰ দায়িত্বত থাকি শ্ৰদ্ধেয় বৰাদেৱে অধিক নিষ্ঠা, সততা আৰু উদাৰতাৰে অনুষ্ঠানৰ সেৱাত ব্ৰতী হৈ গৈছে। ইউনিচেফৰ সাহাৰ্য্যৰে জিলা শাখাৰ অধীনত মালো আলিত প্ৰতিষ্ঠিত অনাময় শৌচাগাৰ প্ৰকল্পৰ পৰিচালনাৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা শ্ৰদ্ধেয় বৰাদেৱ জিলা নিৰ্মাণ শাখাৰো সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতৰ কাৰ্যকালত যোৰহাট জিলা শাখাই আন্তঃগাঁথনি উন্নয়নত যথেষ্ট সাফল্য অৰ্জন কৰিছিল। প্ৰচাৰ-প্ৰসাৰ আৰু সাংগঠনিক দিশতো তেখেতৰ অৱদান কম নহয়। ১৯৯৮ চনত 'পীতাম্বৰ দেৱগোস্বামী ক্ষেত্ৰ', চেনি-আমগুৰিত অনুষ্ঠিত মূলৰ ৬৭ সংখ্যক অধিৱেশনৰ খাদ্য সমিতিৰ সভাপতিৰ দায়িত্ব বহন কৰি ভকত সেৱাৰ বাবে তেখেতে যিখিনি ত্যাগ আগবঢ়াইছিল, সেইকথা আজিও ৰাইজৰ মুখে মুখে। জিলাৰ মজিয়াত অনুষ্ঠিত যি কোনো অনুষ্ঠানতে বৰাদেৱৰ উৎসাহ-উদ্দীপনা, সহায়-সহযোগিতা আছিল সন্তোষজনক। অনুষ্ঠানৰ ভকতৰ প্ৰতি তেখেতৰ এনে শ্ৰদ্ধা-ভক্তি আছিল যে মৃত্যুৰ আগমুহূৰ্ততো আছিল সন্তোষজনক। অনুষ্ঠানৰ ভকতৰ প্ৰতি তেখেতৰ এনে শ্ৰদ্ধা-ভক্তি আছিল যে মৃত্যুৰ আগমুহূৰ্ততো তেখেতসকলৰ ভাৱলীচুক নামঘৰত অনুষ্ঠিত আঞ্চলিক শাখাৰ এখনি সভাত ভকতক মূৰ দোঁৱাই পুনৰ সঞ্জীৱনী হস্পিতাললৈ ঘূৰি গৈছিল। ভাৱলীচুকৰ নামঘৰটি তেখেতৰ বাবে প্ৰাণস্বৰূপ বুলি ক'লেও বঢ়াই কোৱা নহয়।

১৯৫৬ চনতে ব্ৰহ্মপুত্ৰ কাষৰীয়া চোলাধৰা চাপৰিৰ উমাৰাম বৰা আৰু বগী বৰাৰ কন্যা জুলীমাই বৰাৰ লগত বিবাহ পাশত আৱদ্ধ হোৱা বৰাদেৱ আছিল এজন সফল গৃহস্থী। তিনিজন পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ পিতৃ হিচাপে উপযুক্ত শিক্ষা-দীক্ষাৰে সন্তানক সম্পূৰ্ণ মানুহ কৰি গৈছে। উচ্চ শিক্ষাৰ গোন্ধ নোপোৱাকৈ জীৱনত কঠোৰ সংগ্ৰাম, অভিজ্ঞতা আৰু দীৰ্ঘদৰ্শী চিন্তা-চৰ্চাৰে প্ৰতিষ্ঠা লাভ কৰা এগৰাকী ঐশ্বৰ্যশালী ব্যক্তি হিচাপে পৰিচিত শ্ৰদ্ধেয় বৰাদেৱে যোৰহাট নগৰৰ মাজ মজিয়াৰ একাধিক স্থানত স্থায়ীভাৱে বসবাস কৰাৰ ব্যৱস্থা থকা স্বত্তেও গাঁৱলীয়া জীৱনৰ মোহ এৰিব নোৱাৰিলে। সেয়ে অন্তিম মুহূৰ্তলৈকে পো-বোৱাৰী, নাতি-নাতিনী প্ৰমুখ্যে পৰিয়ালবৰ্গ তথা ইষ্ট-মিত্ৰৰ অকৃত্ৰিম শ্ৰদ্ধা-ভক্তিৰ পৰা তেখেত কাহানিও বঞ্চিত নহ'ল। পাঠ্যপুথিৰ শিক্ষাতকৈ বিশ্বপুথি অধ্যয়নেৰে চহা-গাঁৱলীয়া জীৱন ধন্য কৰা দৈৱিক সম্পদৰ গৰাকী, গুৰুজনাৰ একনিষ্ঠ সেৱক শ্ৰদ্ধেয় সৰুল'ৰা বৰাদেৱে যোৱা ৩ জুলাই, ২০১৩ তাৰিখে আমাৰ মাজৰপৰা চিৰবিদায় ল'লে। এখেতৰ জীৱন সংগ্ৰাম নতুন পুৰুষৰ বাবে অনাগত কালত পাঠ আৰু পাথেয় হৈ ৰ'ব।❑

# সেৱাবাহিনীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

যোৱা ৮ অক্টোবৰ, ২০১৩ তাৰিখে ধুবুৰী দেৱীতোলাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুৱ সংগঠন সেৱাবাহিনীৰ সপ্তদশ বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসভাগি অনুষ্ঠিত হৈ যায়। ১৯৯৭ চনত দৰং জিলাৰ চিপাঝাৰত জন্ম হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰে পৰিপুষ্ট যুৱক-যুৱতীসকলক সমাজৰ বাবে জাতি তথা দেশখনৰ বাবে নিয়োজিত কৰিব পৰাকৈ সংগঠিত কৰি জন্ম দিয়া সেৱাবাহিনীয়ে বিগত ১৬টা বৰ্ষত নানান জন হিতকৰ কাম যেনে ৰাস্তা-ঘাট নিৰ্মাণ, দুৰ্গতসকলক সহায়ৰ হাত আগবঢ়োৱা, ৰক্তদান আদি কৰ্ম আঁচনি হাতত লৈ আহিছে। প্ৰতি বছৰে ৮ অক্টোবৰ তাৰিখটো সেৱাবাহিনীৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি আহিছে। এই বছৰ প্ৰতিষ্ঠা দিৱসভাগি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ধুবুৰী জিলা শাখাৰ ব্যৱস্থাপনাত দেৱীতোলাত অনুষ্ঠিত কৰা হয়। পুৱা ৯ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপে সঙ্ঘৰ ধৰ্মীয় পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰায় সহস্ৰাধিক যুৱক-যুৱতী ভকত-বৈষ্ণৱৰ উপস্থিতিত পতাকা উত্তোলন কৰি দিয়া ভাষণত যুৱক-যুৱতীসকলক আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰে শিক্ষিত হৈ সমাজ তথা জাতিটোৰ বাবে এক প্ৰয়োজনীয় অংগ স্বৰূপ হ'বলৈ আহ্বান জনায়। ইয়াৰ পাছতে এক আকৰ্ষণীয় ভাগৱত শোভাযাত্ৰাৰে সমগ্ৰ দেৱীতোলা অঞ্চল হৰিনামৰ ধ্বনিৰে বিটৌত কৰি তোলে।

দিনৰ ১২ বজাৰ পৰা পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপৰ সঞ্চালনাত অনুষ্ঠিত হয় 'সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বান, যুৱক-যুৱতীৰ দায়িত্ব আৰু কৰ্তব্য' শীৰ্ষক এক মনোজ্ঞ আলোচনা-চক্ৰ। কেন্দ্ৰীয় সেৱাবাহিনীৰ সচিব শ্ৰীদীপজ্যোতি চহৰীয়াবাপে উদ্বোধন কৰা আলোচনা-চক্ৰটিৰ মুখ্য আলোচক হিচাপে উপস্থিত থাকে সেৱাবাহিনীৰ প্ৰথমজন সৰ্বাধিনায়ক তথা শ্ৰীমন্ত মন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰাবাপে সাম্প্ৰতিক সময়ৰ যি প্ৰত্যাহ্বান আহিছে যুৱক-যুৱতীয়ে সমাজলৈ যি বিষবাষ্প কঢ়িয়াই আনিছে তাৰ বিপৰীতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সেৱাবাহিনীৰ সেৱক-সেৱিকাসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ কথা উল্লেখ কৰে। এক শৃঙ্খলিত জীৱন-যাপনৰ প্ৰয়োজনীয় উপাদানসমূহ ধৰ্মশাস্ত্ৰৰ পৰা গ্ৰহণ কৰিবৰ বাবে তেওঁ আহ্বান জনোৱাৰ লগতে সঙ্ঘই হাতত লোৱা আৰ্থিক বিকাশ সমিতিৰ পৰা বিশ্ববিদ্যালয়লৈকে সকলো কামতে অগ্ৰণী ভূমিকা ল'বৰ বাবে আহ্বান জনায়। আলোচনা-চক্ৰটিত কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক শ্ৰীঅঞ্জন সাধনিদাৰ আৰু উপ-মুখ্য অধিনায়ক শ্ৰীনিপণ বৈশ্যবাপে আলোচক হিচাপে বক্তব্য আগবঢ়ায়।

উল্লেখযোগ্য যে আলোচনা-চক্ৰভাগিত আমাৰ অসম কাকতৰ জেনেৰেল মেনেজাৰ শ্ৰীপ্ৰণৱ তালুকদাৰদেৱৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তুফানগঞ্জ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° হৰিকিষান মল্লিকদেৱে বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে। ৰাতিলৈ বঙাইগাঁও আৰু গোৱালপাৰা জিলা শাখাই এক সুন্দৰ সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰে।◆

*প্ৰতিবেদক— অঞ্জন সাধনিদাৰ*



[illegible]

# অঙ্কীয়া ভাওনাৰ অভিলেখৰ প্ৰস্তুতি

যোৱা ৬ জানুৱাৰী, ২০১৩ তাৰিখে তিতাবৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ১৪,৮৩৩ জন শিল্পীয়ে খোল বজাই বিশ্ব অভিলেখ কৰাৰ পাছত এইবেলি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই দৰং জিলা শাখাৰ ব্যৱস্থাপনাত অহা ২০১৪ চনৰ ৫ জানুৱাৰীত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মহাপুৰুষ মাধৱদেৱ, আতা পুৰুষসকলে ৰচনা কৰা ২৫খন নাট মধ্য মঙ্গলদৈ আঞ্চলিক শাখাৰ মহলীয়াপাৰাত প্ৰদৰ্শন কৰি অন্য এক বিশ্ব অভিলেখ সৃষ্টি কৰাৰ প্ৰস্তুতি চলাইছে। এই উদ্দেশ্যে যোৱা ৩০/৯/২০১৩ তাৰিখে দৰং জিলা শাখাৰ পদুমপুখুৰী প্ৰাথমিক শাখাৰ নামঘৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ মাননীয় শ্ৰীৰজনীকান্ত দত্তবাপে আৰু উদ্বোধন কৰে প্ৰধান সম্পাদক মাননীয় শ্ৰীবাবুল বৰাবাপে। উদ্বোধনি ভাষণত বৰাবাপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি সন্দৰ্ভত ভাষণত অৱগত কৰে। উপ-পদাধিকাৰ শ্ৰীভবেন্দ্ৰনাথ ডেকাবাপে ভাওনাৰ যোগেদি বিশ্ব অভিলেখ সৃষ্টি কৰিব পৰা যাব বুলি ভাষণত কয়। সভাত সংস্কৃতি শাখাৰ সভাপতি শ্ৰীবসুন্ধৰ ডেকাই ভাওনাৰ বিশ্ব অভিলেখ সৃষ্টিত সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰাবাপে গীত, নৃত্য, বাদ্য, নাট্য (অঙ্কীয়া ভাওনা) যোগেদি বিশ্ব অভিলেখ সৃষ্টি কৰিব পাৰিলে গুৰুজনাৰ বিশ্ব দৰবাৰক প্ৰতিষ্ঠা কৰা হ'ব বুলি কয়। পদাধিকাৰবাপে ভাওনাৰ আধ্যাত্মিক দিশবোৰ দেখুৱাই দি ভাওনাৰ বিশ্ব অভিলেখ আঁচনি সাফল্যমণ্ডিত কৰিবৰ কাৰণে আহ্বান জনায়। শেষত প্ৰাক্তন সাংসদ মাননীয় শ্ৰীমাধৱ ৰাজবংশী বাপক সভাপতি, শ্ৰীবসুন্ধৰ ডেকাক কাৰ্যকৰী সভাপতি আৰু শ্ৰীৰামচৰণ ডেকাক সম্পাদক হিচাপে লৈ এখনি ভাওনাৰ বিশ্ব অভিলেখৰ সুবিধা হোৱাকৈ এখনি আদৰণি সমিতি গঠন কৰা হয়। সকলো ৰাইজৰ সহায়-সহযোগিতা আৰু আশীৰ্বাদ কামনা কৰা হয়।◆

## গোহাৰি

উত্তৰ-পূৰ্ব ভাৰতৰ ধৰ্মীয়, সাহিত্য-সংস্কৃতি, সামাজিক আৰু আধ্যাত্মিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সংস্কৃতি শাখাৰ উদ্যোগত আৰু দৰং জিলা শাখাৰ ব্যৱস্থাপনাত মধ্য মঙলদৈ আঞ্চলিক শাখা মহলীয়াপাৰাবাসী ৰাইজৰ সহযোগত অসমীয়া জাতিৰ প্ৰাণপুৰুষ, সমাজ সংস্কাৰক, নাট্যকাৰ, গানয়-বায়ন, নৰ্ত্তন বিশাৰদ আদি বিৰল প্ৰতিভাৰ অধিকাৰী শ্ৰীমন্ত শঙ্কৰদেৱ, তাৰাৰ প্ৰপন্ন শিষ্য শ্ৰীশ্ৰীমাধৱদেৱ আৰু দৈত্যাৰি ঠাকুৰ, গোপাল আতা আদি আতা পুৰুষসকল অনবদ্য অৱদান হ'ল গীত-বাদ্য-নৃত্য আৰু নাট্য (অঙ্কীয়া নাট ভাওনা)। এই অঙ্কীয়া নাট সংৰক্ষণ, সংবৰ্দ্ধন আৰু প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে অহা ৫ জানুৱাৰী, ২০১৪ তাৰিখে ভাওনা প্ৰদৰ্শন কৰি বিশ্ব অভিলেখৰ লগত সঙ্গতি ৰাখি এভাগি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছে। সেয়ে লেখক-লেখিকাসকলৰ পৰা ভাওনা সম্পৰ্কীয় প্ৰবন্ধ, কবিতা আদি অহা ১৫ নবেম্বৰ, ২০১৩ তাৰিখৰ ভিতৰত তলৰ ঠিকনাত পঠাবলৈ অনুৰোধ জনালো।

ঃ ঠিকনা ঃ
শ্ৰীৰামচৰণ ডেকা, সম্পাদক, আদৰণী সমিতি
গাঁও ঃ বামগাঁও, ডাক ঃ বুঢ়ীনগৰ
জিলা ঃ দৰং (অসম), ফোন ঃ ৯৭০৭৫৭৪৭৩৮

## মণিকাঞ্চন

[illegible] 25 [illegible]

[illegible]


আপুনি পঢ়িলেনে...

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত

সততাই সৰ্বোত্তম ধৰ্ম

শংকৰজ্যোতি

এখন সম্পূৰ্ণ দৈনিক কাকত

e-paper: www.sankarjyoti.com

ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী
সম্পাদক
সৌতিক গোস্বামী
পৰিচালন সঞ্চালক

লগতে দেওবৰীয়া বিশেষ
মধুপুৰ

যোগেশ মজুমদাৰ
কাৰ্যবাহী সম্পাদক
নিৰেন চন্দন গোস্বামী
সহযোগী সম্পাদক


বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহেলা (ফোন নং- ৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, বীৰেশ হাজৰিকা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰ াদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, ৰামকৃষ্ণ পাটগিৰি ঃ সম্পাদক —ভবেন দুৱৰী (ফোন নং— ৯৪৩৫৪০৩০১১), সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৭০৬৮৫৩১২৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ, ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট, বামুণীমৈদাম, গুৱাহাটী ৭৮১০২১ত মুদ্ৰিত। সম্পাদক ঃ ভবেন দুৱৰী, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২ ফোন ঃ ৯৪৩৫৪-০৩০১১